THE ORUNUDOI,

A MONTHLY MAGAZINE

DEVOTED TO

RELIGION, SCIENCE, AND GENERAL INTELLIGENCE.

1851.

SIBSAGOR, ASAM:
PRINTED AT THE AMERICAN BAPTIST MISSION PRESS.
1851.

অৰুনোদই

৬ বচৰ। মোং সিৱসাগৰ, জানুআৰি, ১৮৫১। নম্বৰ ১।

VOL. VI. SIBSAGOR, ASAM, JANUARY, 1851. NO. 1.


অষ্ট্ৰেলিয়াৰ বিবৰন।

Geography of Australia.

দখিন পাচিফিক সাগৰত অষ্ট্ৰেলিয়া নামে এখন বৰ উপদ্দিপ আচে, পুবা পচিমা দিঘে ২৪০০ মাইল, বহলে ২০০০ মাইল; মাটিৰ জোখ প্ৰায়ে ত্ৰিচ লাখ বৰ্গমাইল।

১৬০৫ চঁকত হলণ্ড দেসৰ জাহাজৰ দোআৰাই সেই বৰ দিপ দেখা পোআ হল; সিহঁতে তাক নুহলণ্ড অৰ্থাত নতুন হলণ্ড নাম দিলে। পাচে ১৭৭০ চঁকত কাপ্তান কুক চাহাবে তাৰ পুব ফালে উঠি ইঙ্গলণ্ড মহা ৰজাৰ নামেৰে দেস লৈ তাৰ নিউ চৌত ওএলচ নাম থলে। ১৭৭৮ চঁকত ইঙ্গলণ্ডৰ লোকে তাত চিদ্নি নামে এখান নগৰ থাপন কৰিলে; আৰু তাত ইঙ্গৰাজিৰ প্ৰজা হবৰ নিমিত্তে দেসান্তৰ কৰা কইদিবিলাকক তালৈ





অষ্ট্ৰেলিয়া দিপৰ আদি বাসি মুনিহ তিৰোতাৰ নকচা।

Young Man and Woman of Australia.—From the Illustrated London News.

পঠাই পঠাই দি… । এতিয়া সেই চিদ্নি নগৰৰ ৫০,০০০ মান মানুহ হৈছে । আন ঠাইতো অনেক অনেক চাহাৰ আদি লোক গৈ গাঁও আদি নগৰ পাতি থৈছে । মেল্‌বর্ন নামে এখান নগৰত প্রায়ে ২০,০০০ মানুহ আছে । কইদি লোক আৰু সিবিলাকৰ সন্তান ক্রমে ক্রমে ভাল হৈ গৈছে । সিইঁতে তাতে খেতি কৰি, গৰু ছাগ চৰাবলৈ ঠাই ভাল দেখি সৰহকৈ জাক ৰাখি মেৰৰ নোম বিলাইতলৈ বেচি পঠাই ।

সেই দ্বিপৰ চাৰিও ফালে সাগৰৰ দাঁতিত মাটি ভাল; ভিতৰে গলে সুদা বালি; তাতে মানুহ নে থাকে; আৰু দিপৰ মাজত বিল বগাৰ বা পর্বত কি আছে, তাক নে জানে, মহলা লোআ ন হল । দখিন পচিম দাঁতিএ নিল পর্বত এসাৰি আছে । তাৰ বতৰ ভাল; কিন্তু জেতিয়া ইয়াত জাৰ, তাত ঘাম; ইয়াত ঘাম হলে তাত জাৰ হই । নৈ কেইবা খনো আছে; কেতবোৰ সাগৰত পৰে, কেতবোৰ ভিতৰ ফালে বৈ আন্দাজে সৰোবৰত পৰেগৈ । সেইবোৰৰ মাজত লোনা পানি দালিঙ্গ নামে এখান আছে; কিন্তু আটাইৰে মাজত মৰি নামে নৈ খন দিঘল; তাৰ দিঘে ১০০০ মাইল, দখিনে সাগৰত পৰেগৈ । পচিম ফালে চোআন নদিৰ দুই পাৰে এতিয়া এখন দেস পাতিছে । কোনো ঠাইত তাম আৰু সোনো ওলাই ।

অষ্ট্রেলিয়াৰ আদি বাসি লোক অসভ্য; আন মানুহতকৈ কিচু সৰু, লোকৰ দৰে লব খাবৰ নে জানে, আমাৰ নগাতকৈও জেগেলা; এতিয়ালৈকে মতা মাইকিএ নাঙ্গটে নগৰত সোমাই ফুৰি একো লাজ নে পাই । কেতবিলাকে ঘৰ ন সজাকৈ সিলৰ খোৰোঙ্গত বা গচৰ তলত সুই থাকে । কাঁৰ ধেনু নাই, কিন্তু দা, জাঠি, টাঙ্গোন, এইবিলাক আছে । সিইঁতৰ বৰন সৰুতে ৰঙ্গা, বৰ হলে আফ্রিকাৰ নিচিনা কলা হৈ জাই । নাক চেপেটা, ফোঁপ বহল, চেলাউৰি ডাঙ্গৰ, চকু সোমোআ, ওঁঠ লেকতা, মুখ বহল, দাঁত বগা, খুই নে জাই । নাকত সলা মা… ৰি দিএ । মহে নে খাবলৈ তেল ঘঁহি ঘঁহি চাল টান কৰে ।

মাচ মাৰিবলৈ মাইকিবোৰে সাৰত সোমাই ব…খি ৰাই; মতাই হলে পানিৰ দাঁতিএ … মুখত সামুক চোবাই পানিত থুত কুৰিয়া… তাক মাচে খাবলৈ অহাত সি জুপি চাই জাঠিএৰে খুঁচি মাৰে ।

অষ্ট্রেলিয়াৰ আদি বাসি পহু বৰ আচৰিত; আন দেসৰ নিচিনা প্রায়ে এটাও ন হই । কাঙ্গাৰু পহুতকৈ ডাঙ্গৰ জন্তু তাত নাই, সি হৰিনা পহুৰ সমান । মাইকি কাঙ্গাৰুৰ পেটত দুজাপ চাল; ওপৰৰ জাপ জোলোঙ্গাৰ নিচিনা, তাৰ ভিতৰত পোআলি সুমাই লৈ ফুৰে । নেগুৰেৰে বৰকৈ কোবাই, তাৰ কোবেৰে মানুহৰ ঠেঙ্গ ভাঙ্গিব পাৰে । জঁপিয়াই জঁপিয়াই ফুৰে; জাপত ১৫ হাত জাই । তাৰ মঙ্গহ খাবলৈ ভাল ।

আৰু কুকুৰৰ নিচিনা এক জন্তু আছে; সি বৰ চোকা, কিন্তু নু ভুকে ।

হাঁহঠুঁটিয়া নামে আন এবিধ বৰ আচৰিত জন্তু আছে; সি মেকুৰিৰ সমান ডাঙ্গৰ; হাঁহৰ দৰে ঠোঁট আৰু ভৰিৰ পতা; উদৰ নিচিনা সৰু নোম, আৰু প্রায়ে পানিতে থাকে । কনি পাৰি পোআলি জগাই, তথাপি উদৰ দৰে পোআলি পিয়াই । কুকুৰাৰ দৰে মতাৰ আল আছে; তাৰ ভিতৰত সাপৰ দৰে বিহ থাকে ।

তাত বৰ এবিধ খিত ৰাজ আছে; সি কলা বৰনিয়া । ইমু নামে উট চৰাই এবিধো আছে, তাৰ ওখই প্রাই ৫ হাত । তাত বাজে ভাটৌ, ককাটু আদি কৰি অনেক অনেক সুন্দৰ বৰনিয়া চৰাই আছে । ককাটুৰ নক্‌চা এই ।



জাত্রিকৰ জাত্রা, ১ আধ্যা ।

The Pilgrim's Progress, Chapter I.

এই জগতৰ অৰন্যৰ মাজত মই ফুৰি জাঁওতে জি এখন ঠাইত এটা গাঁত আচিল, এনে ঠাই পালোঁহি । তাতে পৰি সুই থাকোঁতে এক সমাজিক দেখিলোঁ । সেই সমাজিকত গাত ফটা চটা কাপৰ পিন্ধি, আপোনাৰ ঘৰৰ ফাললৈ পিঠি দি, হাতত এখন পুথি ধৰি, পিঠিত বৰ গধুৰ বোকোচা বন্ধা থিয় হৈ থকা এটা মানুহক দেখিলোঁ । তাক চাই থাকোঁতে পুথি মেলি পঢ়িবৰ দেখিলোঁ; আৰু পাঢ়ি চাই সি কঁপি কঁপি কান্দিবলৈ ধৰিলে । পাচে আৰু নিজম দি থাকিব নোঅৰাত সি বৰ অসন্তোস মাতেৰে এঁটাহ পাৰি বুলিলে, মই কি কৰিম?

এনে অৱস্থা হলত সেই মানুহ ঘৰলৈ গৈ আপোন লৰা তিৰোতাই নু বুজিবলৈ জিমানলৈকে পাৰিচিল, আপোনাৰ পেটত দুখ দমনকৈ ৰাখি থৈচিল; কিন্তু অসন্তোস বাঢ়ি গলত সৰহ কাল ৰাখিব নোআৰিলে; এই হেতুকে ক্রমে তিৰোতা আৰু লৰাৰ আগত পেট ভাঙ্গি এই ৰূপে কবলৈ ধৰিলে, বোলে, অ মোৰ প্রিয়া, আৰু মোৰ পেটৰ লৰাটিঁইত, তোমোলাকৰ অতি বেথাৰ মিত্তিৰ জি মই, মই সর্বনাস হৈচোঁ; কিয়নো মোৰ ওপৰত এটা বোজাই হেঁচি ধৰি আচে; আৰু মই বাতৰা পাই স্বৰূপকৈ জানিচোঁ, আমাৰ এই নগৰ স্বৰগৰ জুইৰে পুৰি জাব; সাৰিবলৈ জদি কোনো উপাই নোলাই, সেই ভয়ঙ্কৰ বিনাসৰ কালত তুমি মোৰ ঘৈনি, আৰু মোৰ প্রিয় লৰাটিঁইত, তোমোলাকো মোৰে সৈতে বৰ দুখেৰে সর্বনাস হবা; এতিয়া হলে একো উপাই নে দেখোঁ । এই কথা সুনি তাৰ পৰিয়ালৰ বৰ উৰুমি লাগিল; তাৰ কথা স্বৰূপ বুলি পতিয়ালে, এনে ন হই; তাৰ মূৰত পাগল বায়ু সোমাই বলিয়া কৰা জানিলে । তাতে গধুলি বেলি হোআত টোপনিত মূৰৰ বায়ু সান্ত হব বুলি আসা



কৰি, বেগাই খাটত সুআই থলে । কিন্তু দিনত জেনে দুখ, ৰাতিও তেনে; এই কাৰনে টোপানিএ ন ধৰি দিঘল নিস্বাস, চকুৰ লোএৰে নিসা নিয়ালে । পাচে ৰাতি পুআলত তোমাৰ কেনে হৈচে বুলি সিইঁতে সুধিলে । সি কলে, বোলে, কেৱল বেয়া হৈহে গৈচোঁ । পাচে সিইঁতক আগৰ কথা কবলৈ ধৰাত সিইঁতৰ টান মন হৈ আও কান কৰিলে; আৰু চোকা কঠিন বেৱহাৰেৰে ইয়াৰ ৰোগ গুচাম বুলি মনেৰে পাঙ্গিলে; কেতিয়াবা তাক নিন্দা কৰে, কেতিয়াবা ডাবি দিএ, কেতিয়াবা এৰি তাৰে সৈতে একো ন কই । এই হেতুকে সিইঁতলৈ মৰম লাগি, সিইঁতৰ নিমিত্তে প্রার্থনা কৰিবলৈ আৰু আপোন দুখৰ সোক কৰিবৰ নিমিত্তে সি আপোনাৰ খোঁটালি সোমাই সোমাই থাকিবলৈ ধৰিলে । আৰু কেতিয়াবা পুথি পঢ়ি, কেতিয়াবা প্রার্থনা কৰি, খেতি পথাৰত অকল সৰে ফুৰি ফুৰি থাকে । এই ৰূপে কেতখনি দিন কাল নিয়ালে ।

পাচে এদিনা পথাৰত ফুৰি আপোন আচাৰৰ দৰে পুথি পঢ়ি মনে বৰ অসন্তোস হোআ তাক দেখিলোঁ; আৰু পঢ়ি চাঁওতে আগৰ দৰে ফুটাই এঁটাহ পাৰি বুলিলে, পৰিত্ৰান পাবলৈ মই কি কৰিম! আৰু ইফালে সিফালে চাই লৰ মাৰি জাব খোজা জেন তাক দেখিলোঁ; কিন্তু কোন বাটে জাম, ইয়াক বুজিব নোআৰি ৰৈ আচিল। তেতিয়া উপদেসক নামে এজন মানুহক তাৰ ওচৰলৈ আবৰ দেখিলোঁ; সি তাত সুধিলে, বোলে, তুমি কিয় কান্দিচা! সি কলে, হে আতা, মোৰ হাতত জি পুথি আচে, তাৰে বুজিচোঁ, মই মৰিবলৈ দণ্ডৰ আগ্যা আচে, তাৰ পাচে সোধবলৈ আহিব লগা; তাক কৰিবলৈ মোৰ ইচা নাই, ইয়াকো কৰিবলৈ সক্তি নাই, মই বিবেচনা কৰি ইয়াকে জানোঁ।

তেতিয়া উপদেসকে কলে, জিয়াই থাকোঁতে কত কত দুখ আচে, ইয়াকে দেখি, কিয় মৰিবলৈ ইচা নাই? তাতে সেই মানুহে উত্তৰ কৰিলে, কাৰন এই, মোৰ পিঠিত জি ভাৰ আচে, সি মোক মৈদামতকৈ তললৈ নিব, আৰু মই পাতালত পৰিম, ইয়ালৈ মোৰ ভই। হে আতা, মই জদি বন্দি সালত সোমাবলৈ জুগুত ন হঁও, তেন্তে সোধবলৈ আৰু তাৰ পৰা দণ্ডলৈকো জাবলৈ কোনো মতে সমৰ্থ ন হঁও; এইবিলাক কথা ভাবিএই কান্দোঁ।

তেতিয়া উপদেসকে কলে, তোমাৰ জদি এনে অৱস্থা হই, কি কাৰনে থিয় হৈ ৰৈ আচা? সি উত্তৰ কৰিলে, কোন ফালে জাব লাগে, তাক মই নে জানোঁ। তেতিয়া উপদেসকে তাক এখন সুৰিওআ চাল দিলে; তাৰ ভিতৰ ফালে এনে লিখা আচিল, "আগলৈ হব লগা ক্ৰোধৰ পৰা পলাই জাবা।" সি তাক পঢ়ি উপদেসকলৈ একে চকে চাই সুধিলে, কোন ফাললৈ পলাব লাগে? তাতে উপদেসকে এখান বহল পথাৰৰ সি কাললৈ আঙ্গুলিৰে পোনাই দেখুআই বুলিলে, সৌ থন সৰু দুআৰ দেখিচা নে? সি কলে, নে দেখোঁ। তেতিয়া আকও সুধিলে, সৌ খিন্তে জলি থকা দিপ্তি, তাক দেখিচা নে? সি বুলিলে, মই দেখোঁ জেন কৰে। তেতিয়া উপদেসকে কলে, সেই দিপ্তি তোমাৰ চকুত লগাই ৰাখি তালৈ পোনাই গৈ থাকিবা, তেহে দুআৰ দেখিবা; তাত চপৰিয়ালে তুমি কি কৰিব লাগে, তাক তোমাত কোআ জাব।

সেই ৰূপে মই সমাজিকত দেখোঁতে সেই মানুহে লৰিবলৈ ধৰিলে। আপোনাৰ ঘৰৰ পৰা বৰ আঁতৰ নৌ হঁওতে লৰা তিৰোতাই তাক জোআ দেখি, ৰিঙ্গিয়াই ৰিঙ্গিয়াই উভতি আহিবলৈ মাতিলে; কিন্তু সি কানত সোপা দি, পৰম আয়ুস, পৰম আয়ুস, অনন্ত পৰম আয়ুস বুলি লৰি গৈ, পাচলৈ নে চাই পথাৰৰ মাজলৈ পলাই গল।

আৰু সেই মানুহৰ চুবুৰিয়া চিনাকিবোৰে তাক চাবলৈ ওলাই, এই ৰূপে লৰিবৰ দেখি, কোনো কোনোএ ইতিকিঙ্গ কৰিলে, কেতবোৰে ভই দেখাই থমকাব ধৰিলে, কেতবোৰে ৰিঙ্গ মাৰি উভতি আঁহা বুলি মাতিলে। সিইতৰ মাজত দুজনে বলেৰে সৈতে তাক ধৰি আনিবলৈ ঠাৰৰ কৰিলে; সিবিলাকৰ এটাৰ নাম মইমতালি, এটাৰ নাম তৰল। তেতিয়া সেই মানুহ তাৰ পৰা বৰ দুৰ হল; কিন্তু সেই দুজনে খেদিবলৈ মন থিৰ হৈ তাৰ পাচে পাচে লৰি গৈ অলপ কালতে তাৰ ওচৰ পালেগৈ। তেতিয়া সেই মানুহে সিবিলাকত সুধিলে, বোলে, হেৰ চুবুৰিয়া লোক, কি কাৰনে আহিচাইক? তাতে সিইঁতে কলে, আমাৰ লগত উভতি জাবলৈ তোমাক মিনতি কৰিবৰ নিমিত্তে আহিচোঁ। কিন্তু সি বুলিলে, সেই কথা কেতিয়াও হব নোআৰে; কিয়নো জি নগৰত ময়ো জনম পালোঁ, সেই বিনাস নগৰত তোমোলাক থাকা; সি নষ্ট হব লগা, ইয়াক মই এতিয়া নিচয়ে জানোঁ। তোমোলাকে তাত থাকি কাল ক্ৰমে মৰিলেই, মৈদামতকৈও তল হোআ গন্ধক আৰু অগ্নি থকা

…ইত পৰিৱাৰৈগে। এই কাৰনে মোৰ প্ৰিয় …বুৰিয়াবিলাক, এই কথাত মনজুৰ হৈ মোৰ …গত চলি আঁহাইক।

তাতে মইমতালিএ বুলিলে, কি! আমাৰ মিতিৰ, কুটুম, সুখ ভোগ আটাইকে এৰি তোমাৰ লগত জাম নে? তেতিয়া সেই মানুহ, (জাৰ নাম খ্ৰিষ্টিয়ান,) সি এই উত্তৰ কৰিলে, হই, ভাই, এৰিব লাগে; কিয়নো মই জি সুখ ভোগ বিচাৰিচোঁ, তাৰ একন মানেৰেও তোমোলাকে এতিয়া ভোগ কৰা সকলো বস্তু তুল্য কৰিবলৈ জোগ্য ন হই। তোমোলাক মোৰ লগত জদি জোআ, আৰু এই পথতে থাকা, তেন্তে মোৰে সৈতে সেই সুখ ভোগৰ সমান ভাগি হবা; কিয়নো জি ঠাইলৈ জাঁও, তাতে সকলোলৈ জুটা বস্তু আৰু তাতকৈও অধিক আচে। আঁহা, মোৰ কথা মিচা নে সঁচা, তাৰ প্ৰমান দেখিবাইক।

মইমতালিএ বোলে, বাৰু, তুমি জি বস্তু পাবৰ নিমিত্তে সকলোকে এৰিচা, সেই সেই বস্তু কি?

খ্ৰিষ্টিয়ান। মই জি বিচাৰি গৈচোঁ, সেয়ে অখই, আৰু নিৰ্মল, আৰু অমৰ অধিকাৰ বাব; তাক স্বৰগত সাঁচি থোআ হৈচে; জিবিলাকে বিচাৰে, সিবিলাকক নিজোজন কৰা সময়ত তাক দিয়া হবৰ নিমিত্তে নিৰ্বিঘিনি ৰূপে ৰখা হৈচে। জদি দেখিব খোজা, তেন্তে মোৰ পুথি পৰ্হি চোআ।

তাতে মইমতালিএ বুলিলে, থুচ, তোৰ পুঁথি খন পেলাই দে; আমাৰ লগত উভতি আহিবি নে নাহিবি, তাকে ক।

সি উত্তৰ দিলে, মই জাব নোআৰোঁ, কিয়নো নাঙ্গলত মোৰ হাত দিয়া হল।

মইমতালি। তেন্তে আঁহা, তৰল ভাই, ইয়াক এৰি গুচি জাঁও; এনে এবিধ বাতুল ভাঁবি থোআ মানুহ আচে; সিহঁতে জেতিয়া মনত কোনো কথা ধৰে, তেতিয়া কাৰ্জৰ কাৰন দেখুআব পৰা সাতো জনতকৈ সিহঁত আপোনাৰ দ্ৰিষ্টিতে গিয়ানি হই।

তাতে তৰলে কলে, নিন্দা ন কৰিবা, ভাই; এই উত্তম লোক খ্ৰিষ্টিয়ানে কোআ কথা জদি সঁচা হই, তেন্তে সি জি বস্তু বিচাৰিচে, সেয়ে আমাৰ বস্তুতকৈ উত্তম; চুবুৰিয়াৰ লগত জাবলৈ মোৰো মন গৈচে।

মইমতালি। কি! আৰু এনে বলিয়া মানুহ আচে নে? মোৰ কথা সুনি উভতি আঁহা। এনে পাগল মানুহে তোমাক কলৈ নিব, কোনে কব পাৰে? ঘুৰি আঁহা, ঘুৰি আঁহা, গিয়ান ৰূপে কৰা।

খ্ৰিষ্টিয়ান। ন হই, ন হই, তৰল বন্ধু, মোৰ লগত আঁহা; মই জি জি কথা কৈচিলোঁ, তাৰ বাহিৰেও অনেক অনেক ঐশ্বৰ্জ্জ আচে। মোৰ কথাত জদি বিশ্বাস ন কৰা, তেন্তে এই পুথি পৰ্হি চোআ; আৰু তাৰ ভিতৰত জি জি লিখা আচে, সি সত্য হোআৰ প্ৰমানৰ নিমিত্তে চোআ, জি জনে তাক ৰচনা কৰিলে, তেঁও আপোনাৰ তেজেৰে তাক নিচই কৰিলে।

তেতিয়া তৰলে বুলিলে, হেৰা মইমতালি ভাই, মোৰ মন প্ৰায়ে থিৰ হল; এই সাধু লোকৰ লগত জাবলৈ মোৰ ইচা হৈচে; তেঁওৰ জি দসা, মোৰো সেই দসা হব। কিন্তু হে লগৰ সখি, সেই বাঞ্চিত ঠাইলৈ তুমি বাট জানা নে?

খ্ৰিষ্টিয়ান। উপদেসক নামে একন মানুহে আমাৰ আগত থকা জি একন সৰু দুআৰ, তালৈ মোক বেগাই জাবলৈ দিলে, তাতে আমি বাটৰ কথা সিকিবলৈ পাম।

তৰল। তেনে হলে আঁহা ভাই, আমি জাঁও। তাতে দুয়ো একে লগে জাবলৈ ধৰিলে; কিন্তু মইমতালিএ কলে, ময়ো আপোনাৰ ঠাইলৈ গুচি জাম; এনে অগিয়ান মানুহৰ লগ হবলৈ মোৰ ইচা নাই।

পাচে মই সেই সমাজিকত চাই দেখিলোঁ, মইমতালি উভতি গলত খ্ৰিষ্টিয়ান আৰু তৰলে পথাৰে দি জাঁওতে জাঁওতে কথোপকথন কৰি ইজনে সিজনে কথা কবলৈ ধৰিলে।

খ্ৰিষ্টিয়ান। হেৰা ভাই তৰল, এতিয়া

তুমি কেনে হৈ আচা? তুমি মোৰ লগত গমন কৰিবলৈ ধৰাত মোৰ বৰ আনন্দ । পৰলোকৰ জি কথা এতিয়া অদৃস্য হই, তাৰ প্ৰতাপ আৰু ভই মই জি ৰূপে মনত গম পালোঁ, সেই ৰূপে মইমতালিএও গম পোৱা হলে, সি এইমান বেগাতে আমালৈ পিচি দি গুচি ন গলহেঁতেন ।

তৰল । হেৰা প্ৰিয় সখি খ্ৰিষ্টিয়ান, আমি দুইৰো বাহিৰে ইয়াত আন কেও নাই দেখি, আমি জি ঠাইলৈ গৈচোঁ, তাৰ কি বস্তু, আৰু কি প্ৰকাৰে তাক ভোগ কৰিম, এই সকলোকে কিচু বহল ৰূপে মোক বুজাই দিয়া ।

খ্ৰিষ্টিয়ান । সেই সকলো কথা মুখেৰে কোআতকৈ মনেৰে মই ভালকৈ বুজিব পাৰোঁ; তথাপি তুমি সুনিবলৈ ইচা কৰা দেখি, মোৰ পুথিৰ পৰা তাৰ কিচুমান কথা পৰ্হি সুনাম ।

তৰল । কিন্তু তোমাৰ পুথিত জি লিখা আচে, সেই কথাবিলাক নিচয়ে স্বৰূপ বুলি জানিচা নে?

খ্ৰিষ্টিয়ান । হই, তাক মই নিচয়ে জানোঁ; কিয়নো জি জনে মিচা কব নোআৰে, তেঁওৰ দোআৰাই এই পুথি কৰা হৈচে ।

তৰল । ভাল কৈচা; তেনে হলে সেই ভোগ কৰিব লগা কি কি বস্তু আচে?

খ্ৰিষ্টিয়ান । বসতি কৰিবলৈ অনন্ত ৰাজ্য আচে; আৰু আমাক দান কৰিবৰ নিমিত্তে অনন্ত পৰম আয়ুস আচে; সেই ৰাজ্যত আমি সৰ্বকালে নিবাস কৰি থাকিম ।

তৰল । ভাল কৈচা; আৰু কি?

খ্ৰিষ্টিয়ান । আৰু আমাক পিন্ধাই দিবলৈ তেজস্বি কিৰিটি, আৰু জি বস্ত্ৰে আকাসত থকা সুৰ্জৰ নিচিনাকৈ আমাক কান্তিমন্ত কৰিব, এনে বস্ত্ৰও আচে ।

তৰল । এই সকলো অতি উত্তম; তাত বাজে আৰু কি কি আচে?

খ্ৰিষ্টিয়ান । তাত ক্ৰন্দন বা কোনো দুখৰ লেস ন হব; কিয়নো সেই ঠাইৰ জি জন গৰাকি, তেঁও আমাৰ সকলো চকুৰ লো ম গুচাব ।

তৰল । আৰু তাত আমাৰ লগৰ নিবা কোন কোন হব?

খ্ৰিষ্টিয়ান । জিবিলাকক চাবলৈ তোমাৰ চকুত জলক ধৰে, এনে চিৰাফ আৰু কিৰুব দূত সকল আচে; আৰু আমাৰ আগেয়ে তালৈ জোআ হেজাৰ হেজাৰ, অজুত অজুত লোকে সৈতে দেখা দেখি হম; সিবিলাকৰ মাজত কোনো হিংসক নাই, সকলোএ মৰম ৰেখা কৰোঁতা আৰু পৱিত্ৰ; ইস্বৰৰ সাখ্যাতে অহা জোআ কৰে, আৰু অনুগ্ৰহৰ পাত্ৰ হৈ তেঁওৰ আগত সৰ্বদাই থাকে । তাত বাজে সোনৰ কিৰিটি পিন্ধা বৃধ লোক, আৰু সোনৰ বিন বোআ পৱিত্ৰ কন্যাবিলাককো দেখিবলৈ পাম; আৰু সেই থানৰ প্ৰভুলৈ প্ৰেম কৰাৰ কাৰনে জি মানুহবিলাক জগতৰ লোকৰ দোআৰাই ডোখৰ ডোখৰকৈ কটা গৈচিল, জুইত পোৰা, বা জন্তুএ খোআ, বা সাগৰত পেলোআ হৈ মৰিল, সেই সকলোবিলাক সুখি হৈ বস্ত্ৰ পিন্ধা দি অমৰনক পিন্ধি থকা দেখিম ।

তৰল । অস, এনে কথা সুনা মাত্ৰকে আনন্দেৰে মন পুলকিত হল । কিন্তু ভাই, সেই সুখ ভোগ কৰিবলৈ পাম নে? আমি তাৰ ভাগি কি উপায়েৰে হব পাৰিম?

খ্ৰিষ্টিয়ান । সেই দেসাধিকাৰ প্ৰভুএ এই পুথিত তাক লিখাই দিচে; তাৰ পৰমাৰ্থ এই, সেই সুখ পাবলৈ আমি জদি স্বৰূপকৈ ইচাহে কৰোঁ, তেন্তে তেঁও তাক বিনামোলে দিব ।

তৰল । বাৰু, প্ৰিয় সখি, এই কথা সুনাত মোৰ বৰ আনন্দ; আঁহা, বেগাই জাঁওহঁক ।

খ্ৰিষ্টিয়ান । ভাই, মোৰ পিঠিত থকা বৰ গধুৰ বোকোচাৰ নিমিত্তে ইচাৰ দৰে বেগাই জাব নোআৰোঁ ।

তেতিয়া মোৰ সেই সমাজিকত দেখিলোঁ, দেখোঁ, সিহঁতে কথোপকথন কৈ এঁটালতে পথাৰৰ মাজৰ বৰ দলদলনি এডোখৰৰ ওচৰ পাই মন ন কৰাকৈ অকস্মিতে সেই

উহত পৰি বোকাত লাগি থাকিল। সেই দলদলনিৰ নাম নিৰ্ভাৰসা; তাতে সিইঁতে কেতথনি কাল থপ থপাই বগাই জোআত গোটেই গা বোকা হল; আৰু খ্ৰিষ্টিয়ানৰ পিঠিত গধুৰ বোকোচা থকা কাৰনে ক্ৰমে দকৈ সোমাবলৈ ধৰিলে।

তেতিয়া তৰলে সুধিলে, বোলে, হেৰা সখি খ্ৰিষ্টিয়ান, এতিয়া হলে কত আচা?

খ্ৰিষ্টিয়ান। হই ভাই, কত পৰিলোঁ, মই কব নোআৰোঁ।

তাতে তৰলে বেজাৰ পাই সখিএকক খঙ্গ কৰি বুলিলে, জি সুখৰ কথা এইমান বেলি কৈ আচিলা, সেইটো হই নে? প্ৰথমতে জাত্ৰা কৰিবলৈ ধৰাতেই জদি এনে দুৰাৱস্থা হই, তেন্তে সেস ন হই মানে কিমান দুৰ্গতি সহিব লাগিব? এই বেলি জদি প্ৰান ৰখ্যা পাই ওলাব পাৰিম, মই ভাগি নো হোআ-কৈ তুমি অকলেই সেই সুন্দৰ ৰাজ্য ভোগ কৰিব পাৰিবা। এই কথা কৈ সি বলেৰে দুই এক বাৰ জঁপিয়াই দলদলনিৰ জিটো পাৰে তাৰ ঘৰ আচিল, সেই পাৰলৈ ওলাই গুচি গল; পাচে খ্ৰিষ্টিয়ানে আৰু তাক নে দেখিলে।

এই ৰুপে খ্ৰিষ্টিয়ান এক্তা হলত, অকলে সেই নিৰ্ভাৰসা দলদলনিত বাগৰি ফুৰি আচিল; তেও সি আপোনাৰ ঘৰৰ পৰা দুৰ হোআ জি পাৰত সৰু দুআৰ আচিলে, সেই পাৰেহে উঠিবলৈ স্ৰম কৰিলে। ক্ৰমে বা-মৰ ওচৰ পালেগৈ; কিন্তু বোকোচাৰ কাৰ-নে উঠিব নোআৰিলে। তেতিয়া মই সমা-জিকত চাই দেখিলোঁ, উপকাৰক নামে এজন মানুহ তাৰ ওচৰলৈ গৈ সুধিলে, ইয়াত তুমি কি কৰিচা?

তাতে খ্ৰিষ্টিয়ানে উতৰ কৰিলে, হেৰা দেও, আগলৈ হব লগা ক্ৰোধৰ পৰা পলাই জাবৰ নিমিতে উপদেসক নামেৰে এজন লোকে সৌ খিন্তে থকা সৰু দুআৰলৈ জাব দিলে; তালৈ জাঁওতে এই বোকা খনত পৰিলোঁ।

উপকাৰক। পাৰি দিয়া গৰ নি বিচাৰি-লা কিয়?

খ্ৰিষ্টিয়ান। ভয়েৰে পলাই, পোনে জি বাট পালোঁ, সেই বাটে আহি দত পৰিলোঁ।

উপকাৰক। তেনে হলে মোক হাত দিয়া। তাতে সি হাত দিলত উপকাৰকে ধৰি সুকান মাটিত তুলি থৈ, তুমি আপো-নাৰ বাটে জোআ বুলি কলে।

তেতিয়া তাক তোলা জনৰ ওচৰলৈ মই গৈ সুধিলোঁ, হে আপ, বিনাস নগৰৰ পৰা সৌ সৰু দুআৰলৈ জোআ বাট এই পোনে আহিচে দেখি, দুখিয়া জাত্ৰিকে নিৰ্বিঘিনিএ জাবৰ নিমিতে এই ডোখৰ মাটি কি কাৰনে ভাল কৰা ন হল?

তেতিয়া তেঁও কলে, এই বোকা চাই ভাল কৰিবলৈ অসাধ্য; মাটি কি কাৰনে এইমান বেয়া, তাক কওঁ, সুনা। পাপ চিন্তা-কুলৰ পৰা জি মলি ফেন আদি কৰি ওলাই, অৰ্থাত কোনো পাপিএ চেতনা পাই আপো-নাৰ অপৰাধ আৰু নৰকৰ জোগ্য দোস জানিলত তাৰ মনত জি ভই, নিৰসা, আৰু আকুল হোআ সংসই জনমে, সেই সকলো চাৰিও ফালৰ পৰা বৈ, সদাই এই চাপৰ ঠাইত গোট খাই পৰেগৈ; তাৰ কাৰনে নিৰ্ভাৰসা দলদলনি বোলে।

এই ডোখৰ মাটি এই ৰুপে বেয়া হৈ থাকিবলৈ ৰজাৰ ইচা নাই; আৰু ৰাজ ৰৰ ৰৱাৰ আগ্যাৰ দোআৰাই তেঁওৰ বনুআৰি-লাকে তাক কিচু ভাল কৰিব পাৰে কি চাবে, এই নিমিতে সোলে স বচৰতকৈ অধিক কাল এই সৰু ডোখৰ মাটিত বন কৰি আ-চে; ইয়াত খোআ বস্তু একুৰি হেজাৰ গাঁৰিৰ বোজাতকৈ কম ন হই, তাক মই নিচয়ে জানোঁ; হই, তাক নিবহ কৰিবৰ নিমিতে ৰজাৰ অধিন হোআ সকলো ঠাইৰে পৰা লাখ লাখ উতম উপদেসকে আনি ইয়াত সৰ্বকালে দিয়া হৈচে; আৰু টান মাটি কৰি-বলৈ তাতকৈ ভাল বস্তু নাই বুলি জ্ঞানী লোকে কই; কিন্তু এতিয়ালৈকে নিৰ্ভাৰসা

দলদলনি হৈ আচে; আৰু সিইতে জি জিন কৰোক, তেও এই দৰ হৈ থাকিব ।

বিধান কৰ্তাৰ আগ্যাৰে এই দলদলনিৰ মাজে দিও কেতবিলাক ভাল সকত গৰ পাৰি থোআ হৈচে হই; কিন্তু বতৰ বেয়া হোআ কালত এই ঠাইতে মলি কেন অধিককৈ বাঢ়ি জোআত প্ৰায়ে গৰ দেখা নে জাই; তথাচ দেখিবলৈ পালেও মুৰ ফুৰনি ধৰাত মানুহে আঁতৰতে ভৰি দি তলত পৰে; এই ৰুপে গৰ থাকিলেও বোকাত মগ্ন হৈ জাই । কিন্তু দুআৰৰ ভিতৰত সোমাব পাৰিলে মাথোন তাৰ পৰা মাটি ভাল ।

এই ৰুপে সমাজিকত চাই থাকোঁতে সেই সময়ত তৰলে আপোনাৰ ঘৰ আৰুও পোআ দেখিলোঁ; তাতে তাৰ চুবুৰিয়াবিলাকে দেখিবলৈ গোট খাই কেতবোৰে তাৰ উভতি অহা দেখি বুধিমন্ত মানুহ বুলি কলে; খ্ৰিষ্টিয়ানৰ লগ লৈ প্ৰান সঙ্কটত পেলোআৰ কাৰনে কেতবোৰে তাক অজলা বুলিলে; আন কোনোএ তাৰ একো সাহ নাই দেখি নিন্দা কৰিব ধৰিলে, বোলে, জাত্ৰাৰ আৰম্ভন কৰিবলৈ তুমি সাহিয়াল হৈ আচিলা; মই সেই দৰে কৰা হলে অলপমান দুখ পোআৰ কাৰনে হহকি আহিবলৈ এইমান অধম ন হলোঁহেঁতেন । এনে কথা সুনি তৰলে লাজ পাই তল মুৰ কৰি সিইঁতৰ মাজত বহি থাকিল; কিন্তু পাচে সি অলপমান সাহ পালত সিইঁতে তাৰ কথা এৰি, সাধ্যাত নো হোআ জি খ্ৰিষ্টিয়ান, তেঁওক নিন্দা কৰিবলৈ ধৰিলে । তৰলৰ বিবৰনত এই কথা মাথোন । ॥





বনুআ গামৰ বিবৰন ।

The Warr ior Chief.

মাথিএ লিখা সাস্ত্ৰৰ ১১ আধ্যাৰ ২৯ পদত আমাৰ প্ৰভু য়িচু খ্ৰিষ্টে এই ৰুপে কলে, মই নম্ৰ আৰু কোমল মন হৈচোঁ, এই হেতুকে তোমোলাকে মোৰ মুখে সিখ্যা পোআহি; তাতে তোমোলাকে মনত জিৰনি পাবা । প্ৰভুক জি লোকে প্ৰিতি কৰে, সেইবিলাক তেঁওৰ নিচিনা নম্ৰ হবলৈ, আৰু তেঁওৰ অনুগ্ৰহৰ দোআৰাই মেৰ পোআলিৰ দৰে সান্ত হবলৈ জতন কৰি থাকে । দেও পুজকবিলাকৰ মাজৰো কেতবিলাকে সাস্ত্ৰৰ কথা সুনাৰ পাচে সেই ৰুপে নম্ৰ হৈ জাই; চোকা ঢালি বনুআবিলাকেও সাস্ত্ৰৰ দোআৰাই পুৰনি স্বভাও এৰি, সান্ত, মৰমিয়াল, আৰু মিল কৰোঁতা হল । আৰু জিবিলাকে বনত লোকক বধ কৰি ভাল পাইচিল, সিবিলাকেও মিস্যনেৰি পাদুৰি চাহাবৰ পৰা উপদেস পাই নতুন মন হলত, ঠায়ে ঠায়ে ইস্কুলত সিখ্যা পোআ বা সিখ্যক হৈ আচে ।

দখিন সাগৰৰ এটা মাজুলিত মাহিনা নামে এজন বনুআ গাম আচিল; তেঁওলৈ আপোনাৰ মাজুলিৰ মানুএহে ভই কৰে, এনে ন হই, তাৰ চাৰিও ফালৰ আন আন মাজুলিত থকা মানুহেও তেঁওক মহা ভয়ানক সত্ৰু মানি ভই কৰি আচিল । আৰু ঠায়ে

ঢায়ে জি বন ওলাই, তালৈকো তেঁওক মহাই হৰলৈ মাতি নিএ। তাতে সেই ঠাইৰ ডেকা বুঢ়া অনেক অনেক মানুহক তেঁওৰ জাটিএৰে খুঁচি বিন্ধি মাৰিলে। আৰু তেঁও জাৰ জাৰ তেজ উলিয়ালে, তাৰেই তেঁওৰ দেৱতাবিলাক সন্তুষ্ট হোআ বুলি বুজি, মানুহক মাৰিবলৈ মন বৰকৈ উচাহি হই।

পাচে মাহিনা গাম থকা মাজুলিত মিস্যনেৰি চাহাব লোকে কিৰ্ত্তন কৰিবলৈ জোআত, সেই মাহিনায়ো সুভ বাত্ৰাৰ কিৰ্ত্তন সুনিলেহি; আৰু সাস্ত্ৰৰ অৰ্থ মনত সোমাই, পবিত্ৰ আত্মাৰ দোআৰাই তেঁও মন পালটাই নতুন মানুহ হল। পাচে তেঁওৰ দেৱতাৰ অসোভা মুৰ্ত্তিবোৰ ভাঙ্গি চিঙ্গি পেলালে; আৰু তেঁওৰ মন সৰু লৰাৰ নিচিনা অতি নম্ৰ হল। তেঁও খ্ৰিষ্টিয়ান ধৰম লবৰ পৰা বুৰা হৈ ২০ বচৰ মান জিয়াই আচিল।

সুৰ্জ উদই হৈ ওখ পৰ্ব্বতৰ টিঙ্গত প্ৰকাস পৰাতে, জি ইস্কুল পৰ্ব্বতৰ দাঁতিত আচিল, তালৈকে মাহিনা নিতৌ নিতৌ গৈ, ধৰম



সাস্ত্ৰৰ অৰ্থ সিকে; আৰু তাৰ পৰা আহি সৰু লৰাৰ ইস্কুলত সোমাই, সেই ধৰমৰ কথা লৰাবিলাককো বুজাই দিএহি। আৰু কেতিয়াবা ই ঘৰ সি ঘৰতো সোমাই বৰ চেনেহ প্ৰিতিএৰে সিকাই ফুৰে। পাচে এখান সৰু জাহাজ সাজি, এজন মিস্যনেৰি চাহাবে সৈতে তাতে উঠি মাজুলিবোৰত ই পাৰ সি পাৰ হৈ সুভ বাত্ৰা কিৰ্ত্তন কৰি ফুৰিচিল। আগেয়ে হলে তেঁও বনুআ মাৰত গৈ মানুহক জুধ কৰি ঘৰত জুই দিচিল, আৰু লৰা, বুঢ়া, আটাইকে মাৰিচিল; কিন্তু এতিয়া সৰু জাহাজত উঠি চাহাবে সৈতে অতি দায়াৰে প্ৰভু য়িচু খ্ৰিষ্টৰ মৰমৰ কথা সিবিলাকক আৰু লৰাইঁতক সিকাই ফুৰাত সিইতে দেখি অতি বিস্মই মানিলে।

পাচে জেতিয়া তেঁও নৰিয়া পৰিল, তেতিয়া আপোনাৰ ঘৰৰ আৰু গাঁয়াবিলাকক মাতি বিদাই লৈ, বিসেসকৈ কিবা কিবি আগ্যা দিলে। আৰু এজন মিস্যনেৰি চাহাবে তেঁওক চাবলৈ গৈ সুধিলে, এতিয়া তোমাৰ মৰন ওচৰ হল, তোমাৰ মন কেনে হৈচে? তেঁও বুলিলে, মোৰ ভই নাই, প্ৰভু য়িচু খ্ৰিষ্টৰ হস্ত ঠাই আচে; মোৰ আন আস্ৰই নাই, প্ৰিথিৱিৰ আটাই বস্তু আৰু সকলোকে বিদাই দিলোঁ, এতিয়া প্ৰভুএ মোক নিবৰ নিমিত্তে মই বাট চাই প্ৰাৰ্থনা কৰি আচোঁ; এই দৰে কৈ প্ৰান চাৰি গল। সেই ৰূপে মহা বনুআ মাহিনা মৰিল; আগেয়ে দেও পুজকবিলাকৰ মাজত অতি প্ৰধান, আৰু মাজুলিত থকা মানুহ সকলক ভই দিওঁতা হৈচিল; কিন্তু খ্ৰিষ্টিয়ান ধৰম লোআৰ পাচে তেঁও প্ৰভুৰ সিস্যবিলাকৰ মাজত তাতকৈও প্ৰধান, বৰ বিস্বাসি, মৰমিয়াল, নম্ৰ আৰু প্ৰেমময় হল।

সাস্ত্ৰত এই ৰূপে লিখা হৈচে, নম্ৰ হোআবিলাক ধন্য; প্ৰভুএ নম্ৰ হোআবিলাকক পৰিত্ৰানেৰে ভুসিত কৰিব। ক্ৰোধ আৰু অহঙ্কাৰ কৰা মন ইস্বৰৰ আগত ঘিন লগা; কিন্তু নম্ৰ ভাও আৰু সৰু মন তেঁওৰ দ্ৰিষ্টিতে বহু মুল্য। এনে মন আমাৰ হিত হই, আৰু তাৰে লোকৰ খঙ্গ হিংসা সহি থাকি সিবিলাকৰো হিত কৰিবলৈ আমাৰ সক্তি হই। আমাৰ প্ৰভু য়িচু খ্ৰিষ্টে এই ৰূপে কৈচে, তোমোলাকৰ সত্ৰুকু প্ৰিতি কৰা; জি লোকে তোমোলাকক সাও দিএ, সিবিলাকক আসিৰ্ব্বাদ কৰা; জিবিলাকে তোমোলাকক ঘিনাই, সিবিলাকৰ হিত কৰা; জিবিলাকে তোমোলাকক নিন্দা আৰু তাৰনা কৰে, সিবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰা; তাতে তোমোলাকৰ স্বৰগত থকা পিত্ৰিৰ সন্তান হবা।

হে মোৰ প্ৰিয়বিলাক, এই সৰু কিতাপ পৰ্হা জি তোমোলাক, তোমোলাক সকলোএ মাহিনা গামৰ দৰে সৰু নম্ৰ হৈ সাস্ত্ৰৰ কথা সুনা; প্ৰভু য়িচু খ্ৰিষ্টত বিস্বাস কৰা, পাপৰ পৰা মন পালটাই, তেঁওৰ তেজৰ প্ৰাচিত্তেৰে খেমা পাবলৈ প্ৰাৰ্থনা কৰা মাহিনাৰ নিচিনাকৈ লোকক সিকাবলৈ কাৰ্বাৰি হোআ; তেনে কৰিলে, তোমোলাকৰ স্বৰগত থকা পিত্ৰিৰ পুত্ৰ হবা; আৰু মাহিনাৰ নিচিনা মৰনত ভই গুচিব, মৰিলেও তেঁওৰ আৰু সাধুবিলাকৰ আৰু ধৰম দুতৰ লগত, পিত্ৰি আৰু পুত্ৰৰ সিংহাসনৰ আগত ধন্য গিত গাই স্তুতি কৰিবলৈ স্বৰগত গ্ৰহন কৰা হব।

ৰাতিৰ বিবৰন ।

Description of Night.—From Young Asam.

মহিমাৱন্ত সুৰ্জ পচিমে অস্ত হৈচে, ৰাতিৰ নিয়ৰ পৰিচে, আৰু বায়ুৰ তপত গুচি সিতল হৈচে ।

ফুলবোৰ মুদ হৈ ঠাৰিত ওলমি আচে; কুকুৰা পোআলিবোৰ মাইকিৰ পাখিৰ তলত একে লগে সুইচে, আৰু মাইকিএও সুইচে ।

সৰু সৰু চৰাইটিইতে মাতিবলৈ এৰি, পিচ কালে পাখিত মুৰ দি গচৰ ঠালত সুইচে । মৌৰ বাহতো মৌৰ গুন গুনি নু সুনি; সিইতে বন কৰি মমৰ বাহত সুইচে ।

মেৰ চাগবোৰে গাৰ নোম পাৰি সুই আচে, আৰু সিইতৰ মাত পথাৰত নু সুনি । কাৰো সবদ নাই; লৰাই খেমালি কৰা, মানুহে খোজ কৰ্হা, বা ইফালৰ পৰা সিফাললৈ অহা জোআ কৰা, একোকে নু সুনি ।

কমাৰৰ নিয়াৰিত হাঁতুৰিৰ কোব নু সুনি, আৰু সুতাৰৰ কৰতৰো সবদ নাই । সকলো মানুহ বিচনাত নিজম দি পৰি আচে, আৰু লৰাও মাকৰ বুকত সুই আচে ।

আকাস প্ৰিথিবি সকলো এন্ধাৰ, আটাইবোৰ চকুএ মুদ হৈগচে, আৰু সকলো হাতেই মনে মনে আচে ।

জেতিয়া সকলোএ নিদ্ৰাত থাকি আপোনা আপুনি ৰখ্যা কৰিব নোআৰে, আৰু বিপদ হৈচে নে নাই, তাকো নে দেখে, তেতিয়া সিইতক কোনে ৰখ্যা কৰে?

জি কেতিয়াও নো সোএ, এনে এটি চকু আচে; জেনেকৈ দিনৰ পহৰতো, তেনেকৈ এন্ধাৰ ৰাতিতো জি দেখে, এনে এটি চকু আচে। সুৰ্জৰ বা চন্দ্ৰৰ পহৰ ন হলে, ঘৰৰ ভিতৰত চাকি নে থাকিলে, আৰু আকাসতো এটি তৰাও ন হলে, সেই চকুএ সকলো ঠাইতে দেখে, আৰু প্ৰিথিবিৰ সকলোকে ৰাখে।

জি চকুএ কেতিয়াও নো সোএ, সেই চকুৱেই ইস্বৰৰ । আমাক ৰাখিবলৈ আমাৰ ওপৰত তেঁওৰ হাত সদাই মেলি আচে । আমাৰ ভাগৰ লাগিলে, জিৰাবৰ নিমিত্তে ইস্বৰে টোপনি স্ৰুজিচে, আৰু আমি সুবলৈ ৰাতি কৰিচে ।

বনুআই ভাগৰ পাই, আৰু সৰু লৰা আৰু কিট পতঙ্গ ইত্যাদি সকলোএ নিৰ্ভয়ে সোএ, কিয়নো ইস্বৰে সকলোকে ৰাখে ।

তুমিও সোআ, কিয়নো তেঁও কেতিয়াও নো সোএ । তুমি নিৰ্বিঘিনিএ চকু মুদা, কিয়নো তোমাক ৰখ্যা কৰিবলৈ তেঁও সদাই চকু মেলি আচে ।

জেতিয়া এন্ধাৰ গুচি ৰাতি পুআ সুৰ্জৰ দিপ্তি তোমাৰ চকুত পৰে, তেতিয়া ইস্বৰৰ প্ৰসংসাৰে দিনটো আৰম্ভ কৰিবা । তুমি জেতিয়া সোআ, তেতিয়া তোমাৰ চিত্তে ইস্বৰৰ ধন্যবাদ কৰোক, আৰু জেতিয়া উঠা, তেতিয়াও তোমাৰ মুখে তেঁওৰ গুন গাওক ।



পুৰনি অসম বুৰঞ্জি, নং ৬।

Dihingia Roja.—Chutia War.

এঁওৰে পুত্ৰ চুহুংফা গোহাঁই দেও ৰজা হল; এঁওকেহে দিহিঙ্গিয়া ৰজা দেও বোলে। ৰজা দেৱৰ বৰ পিতেক চুক্লুংফা গোহাঁইক তিপাম ৰজা পাতিলে। বৰ মাজু পিতেক চুলেঙ্গ গোহাঁইক চাৰিঙ্গ ৰজা পাতিলে। এঁওকে দেও ৰজাও বুলিচিলে। সৰু মাজু পিতেক চুতেঙ্গ গোহাঁইক নামৰুপিয়া ৰজা পাতিচে। সৰু পুতেক চুখ্রেঙ্গক মেল নি দিয়াকৈ থলে। পাচে ৰজা দেৱে লাক্লি খেক মিত (১৬) শঁকত থাওমুংনাংবাংনইকে, ত্যাও চুলুংখামপেঙ্গ, এই দুইকে আইতনক জুজিবলৈ পঠালে। আইতনেও জুধ ন কৰি হাতিত উঠি ওলাই আহি ববিলহি। কন্যা এটা, প্লাইনই নামে হাতি এটা ভেঁটিলে। লাক্লি কাপচি (২২) শঁকত ৰজা দেৱে ৰাজ্যক লেখি মহলা কৰিলে। লাক্লি ৰাইচিঙ্গা (২৪) শঁকত ৰজা দেও হাবুঙ্গৰ পান বাৰিলৈ গল। লাক্লি মুংমুত (২৫) শঁকত চুটিয়া ৰজা ধিৰনাৰায়নে আহি, দিখৌ মুখত কল গচেৰে গৰ বান্ধি ৰলহি। পাচে চুহুংফা দিহিঙ্গিয়া ৰজা দেৱে পাচত থাকি, চুখ্রুঙ্গ, চুচঙ্গ, এৰকথাওমুং, বাইমুং, এই চাৰিক মুখ্য কৰি সকলোকে আগ কৰি পঠালে। ইবোৰেও গৈ নাৱে তৰে বেৰি ধৰিলেগৈ। নংকংমুঙ্গ বিলৰ কাখৰত চুটিয়াৰ লোক জন বিস্তৰ পৰিল, বিস্তৰ ভাগি পলাই গল। পাচে চুহুংফা ৰজা দেৱে ৰন জিকি উজাই নগৰলৈ আহিল। লাক্লি কাপঙ্গি (৩২) শঁকত চুটিয়াই পুনৰ বাৰ জুধলৈ আহি মুংখ্রেঙ্গত কোঁট দি ৰলহি। আমাৰো খেনমুঙ্গে মুংখ্রেঙ্গত কোঁট দি ৰলগৈ। পাচে চুটিয়াই কোঁটত ধৰিলত, আমাৰ খেনমুঙ্গে কোঁটৰ পৰা ওলাই ৰন ধৰিলে। তাতে খেনমুঙ্গ পৰিল, ইবোৰ মানুহ হুহুক্কি আহিল। লাক্লি বাইচি (৩৪) শঁকত চুহুংফা ৰজা দেও গৈ নংকংমুঙ্গত ৰৈ সমস্তকে জাৱ দিলে, বোলে, দিহিঙ্গৰ মুখত বাটত তাৰু ধৰগৈ। পাচে নেচাই ভাইজিনে চুটিয়াৰ বৰ নাও এখন পাই আনি, নংকংমুঙ্গত ৰজা দেৱক দিলেহি। আৰু বাট নে চাই ভাইজিনক লুইতে উজাই গৈ দিবুৰু মুখত বেৰিব দিলে। আৰু ফাচেনপুন বৰ গোহাঁই, থাওচুলুঙ্গ, কিংলুঙ্গ, এই তিনিক মুখ্য কৰি সকলো ভাঙ্গৰিয়াক দিবুৰু মুখত গৰ বান্ধিব দিলেগৈ। পাচে কাতিৰ দিনত চুহুংফা ৰজা দেৱে নগৰলৈ আহি দেও দুগ কৰিলেহি। লাক্লি মুংচেও (অৰ্থাত ১৪৪৪) শঁকত আঘোনৰ দিনত চুহুংফা ৰজা দেৱে নগৰৰ পৰা চেঁচা মুখত ৰলগৈ। চুটিয়া ৰজাও নাৰুপাৰত আচিলে। তাৰে পৰা চুটিয়া ৰজা থাওবানৰু পঠাই দিবুৰু মুখৰ কোঁঠত জুধ ধৰিব দিলেগৈ। পাচে ফাচেংমুঙ্গ বৰ গোহাঁই, ত্যাওচুলুঙ্গ, কিংলুঙ্গ, তিনিক মুখ্য কৰি সকলো গৈ জুধ কৰিলেগৈ। চুটিয়াৰ বৰা বুৰুকৰ লেখা। তৰুতৰু ১, কতৰু ১, সুলুকি চেটিয়া ১, বৰ পাত্ৰ ১। পাচে ৰজা দেৱে এই কথা সুনি, ৰাতিএ গৈ পুআ বেলা নাৰুপাৰ পালেগৈ। তাৰ পৰা ৰজা দেৱে সৈন্যে সহিতে নাৱে তৰে খেদি গৈ কংখাম পালেগৈ। পাচে দুপৰ বেলা হলত চুটিয়া ৰজাই কটকি পঠালে। ৰজা দেৱলৈ সন্দেস দি আহিচিলে, সোনৰ কেৰু ১ জোৰ, সোনোআলি কাপৰ ১ জোৰ, নৰা কাপৰ ২ খন; থাওমুং লাংচেঙ্গলৈ সোনৰ কেৰু ১ জোৰ, নৰা কাপৰ ১ খন; চুলুংকিংলুঙ্গলৈ সোনৰ কেৰু ১ জোৰ, নৰা কাপৰ ১ জোৰ; ফাচেংমুং বৰ গোহাঁইলৈ সোনৰ কেৰু ১ জোৰ, নৰা কাপৰ ১ খন; চুটিয়া ৰজা এই বুলি পঠালে, বোলে, মোক ৰুৰ কাটলিয়া কৰি ৰথ্যা কৰক; মই বচৰি ৰুৰ সুত দি থাকিম। এই ৰুপে আহি চুটিয়াৰ কটকিএ কলেহি। পাচে ৰজা দেৱে এই বুলি কোআলে, বোলে, সুনিয়া ৰুপিয়া ভাও দি পঠাওক; সুনিয়া ৰুপিয়া খাট দুখান দি পঠাওক; সোনৰ ৰুপৰ মেকুৰি

দি পঠাওক; বৰ হাতি দহোটা দি পঠাওক; অলঙ্কাৰে সৈতে মাখুন্দি হাতি দি পঠাওক; আৰু জিএককো সোন ৰুপো দি আহক: এই ৰুপে কৈ চুটিয়াৰ কটকিক বিদাই দিলে। পাচে চুটিয়াৰ কটকিএ ৰজাত সকলো কথা কলেগৈ। পাচে চুটিয়া ৰজা এই কথা সুনি, বোলে, ভাল, জি পাৰোঁ দিব লাগে। সোনৰ টুপি ১ টা, সোনৰ পাত বন্ধা জাপি ১ টা, সোনৰ খাৰু ১ জোৰ, সোনৰ গচা ১ টা, দন্তাল হাতি ১ টা, পানি কামলি ৪ খন, এই বস্তু খনি চুটিয়া ৰজা মানুহৰ হাতত চুহুংফা ৰজা দেৱলৈ দি আহিল। থাওমুং লাংচুচেঙ্গলৈ দিলে সোনৰ খাৰু ১ জোৰ, পানি কামলি ১ খন, ঘোঁৰা ১ টা; ত্যাওচুলুং কিংলুঙ্গলৈ দিলে সোনৰ খাৰু ১ জোৰ, পানি কামলি ১ খন, ঘোৰা ১ টা; কিংলুঙ্গলৈ পানি কামলিৰ ভিতৰত চুৰি এখন দি আহিচিলে; পাচে কিংলুঙ্গে এই কথা ৰজা দেৱত কলে। থাওমুং লাংচেঙ্গ, চুলুঙ্গ, কিংলুং, থাউমুং চেনও, কেওথুন, ত্যাওচুলুঙ্গ, কুংৰিন, এই সকলৰে ৰজা দেৱে আলচ কৰি, বোলে, চুটিয়াই আমাৰ কথা নে ৰাখিলে, জুধ কৰিবলৈ ইচা কৰিচে। এই বুলি ৰজা দেৱে ডাঙ্গৰিয়া সকলৰে আলচ কৰি খেদি গৈ চুটিয়াক কোঁঠতে ধৰিলেগৈ। জুধে নোআৰি চুটিয়া ৰজা ভাগিল; ৰজা দেৱে চুটিয়া ৰজাৰ নগৰতে থাকি ডাঙ্গৰিয়া সকলক লোক জন সহিতে পাচে পাচে খেদি জাব দিলে। ত্যাওচুলুঙ্গ, কুংৰিন, এই দুয়ে খেদি নি, চুটিয়া ৰজা কাইটাক পৰ্বতত তুলিলেনি; পাচে সকলো চুটিয়াই চন্দনগিৰি পৰ্বতৰ পৰা সিলেৰে দলিয়ালে; আমাৰ লোক হুহকি আহিল। পাচে আমাৰ সমস্ত লোকে আলচ কৰি, থাওমুং লাংচেঙ্গ, কিংথাম, এই দুয়ে সমুখে গল; থাওমুং চেঙ্গ বাঁও হাতে গল; থাওমুং বানলু দখিন হাতে গল। চেওচঙ্গ সইকিয়াই, আইখিংথুনে, এই দুয়ে বৰ গুৰিএ গল। পাচে আমাৰ ইবোৰ মানুহে পৰ্বত উঠি মানুহ নে দেখিলে; চেওচঙ্গ সইকিয়াই জুপি চাই দু কুৰি মান মানুহ দেখিলে; চুটিয়া ৰজাকো বৰ দুআৰতে দেখিলে। পাচে আমাৰ লোকে চুটিয়া ৰজাক দেখি ধৰিলেগৈ। চুটিয়া ৰজা আমাৰ লোকক খেদি জাবৰ দেখি, জাংমুংখেনলৈ কাঁৰ মাৰি পঠালে; পাচে জাংমুংখেনে চুটিয়া ৰজাক জাঠিএৰে খুঁচি মাৰিলে; সটো জুৰিলৈ বগৰাই পেলালে। পাচে জাংমুংখেনে চুটিয়া ৰজা বাপেক পুতেকৰ মুৰ কাটি আনি ডাঙ্গৰিয়া সকলৰ ঠাইত দিলেহি। আৰু চুটিয়া ৰজাৰ বৰ কুঁঅৰিৰ মুৰ কাটি আনি আইখাংথুনে দিলেহি; আৰু আমাৰ লোকে পৰ্বত উঠি বিচাৰ কৰি, তাৰ লৰা তিৰোতা সকলোকে পাই ধৰি আনিলে। সোনৰ ৰুপৰ ভাণ্ড, সোন ৰুপৰ খাট, সোন ৰুপৰ মেকুৰি, এই বস্তু সকল আনি ৰজা দেৱক দিলেহি। ১৩৯০ সঁকত,* চতৰ তিন দিন জোআত চন্দ্ৰ নাৰায়ন চুটিয়া ৰজা ম্ৰিত্যু হল। চুটিয়া ৰজাৰ সদিয়া নগৰত আমাৰ ৰজা দেও থাকোঁতে, ত্যাওচুলুং, কুংৰিন, কংচেন, এই তিনিএ খাওকাং পৰ্বতৰ পৰা চুটিয়া ৰজাৰ মুৰ কাটি আনি ৰজা দেৱক দিলেহি; পাচে ৰজা দেৱে চুখ্ৰুং গোহাঁই দেও, থাওমুং লাংচেঙ্গ, ত্যাওচুলুং, কিংলুং, এই সকলোৰে আলচি বুলিলে, বোলে, লোকৰ ৰাজ্য মাৰিলোঁ, আমাৰ ভাল মানুহ ইয়াত থব লাগে। এই বুলি ৰজা দেৱে থাওমুং ফাচেংমুঙ্গ বৰগোহাঁইক সদিয়াত থলে; গোহাঁইৰ লগত মানুহ থলে তিনি হেজাৰ; হাতি থলে তিনটা। পাচে ৰজা দেৱে সদিয়াৰ পৰা ৰাজ্যে সমনিতে আপোনাৰ ৰাজ্যলৈ আহিল। চুটিয়া ৰজাৰ মুৰটো নচুআই পৰ্বতত মুণ্ড মালা বান্ধি থলে।

---

*চুটিয়া ৰজাৰ বংসাৱলিত লিখিচে, চুটিয়া ৰজা ১৫৯৮ সঁকত মৰিল।



His Excellency Jong Bahadur, Ambassor from Nepal to England.—From the Illustrated London News.

অনেক দেসৰ সম্বাদ ।

Journal of Events.

নেপাল দেসৰ পৰা শ্ৰীজুত জঙ্গ বাহাদুৰ নামে জি জন বৰ কটকি ইঙ্গলণ্ডলৈ গৈচিল, তেঁও উভতি আহি বম্বাই নগৰ পালত ২৩ নবেম্বৰ তাৰিখে আটলান্তা ভাপ জাহাজত উঠি আহি ১৯ ডিচেম্বৰত কলিকতা নগৰ পালেহি । তেঁওৰ মৰ্জতাৰ নিমিত্তে দেসাধিকাৰ্হৰ আগ্যাৰে ১৯ টা বৰ টোপ মাৰি জনালে । ইঙ্গলণ্ড আৰু ফ্ৰাঞ্চ দেসত জি জি দেখিবলৈ আচৰিত, তেঁও সকলোকে ফুৰি চাই দেখিলে । ৰাজ অলঙ্কাৰেৰে সৈতে তেঁওৰ মুখৰ নকচা ওপৰত লিখা আচে । মানুহে কোআ কুই কৰিচে, তেঁও কুৰ্গ দেসৰ ৰজাৰ শ্ৰীশ্ৰী ৰাজেন্দ্ৰ সিংহৰ জিএকক বিয়া কৰিব; আৰু ৰাজেন্দ্ৰ সিংহো ইঙ্গলণ্ডলৈ জাবলৈ উপাই কৰিচে ।

১৮ জানোআৰিত কালু গাঁও মৌজাৰ মগৰা হাট চাকিনত থকা কতৰা আমোলদাৰ নামেৰে এজন মচলমান মানুহে হাৰিত আপোনাৰ ঘৰচিয়া মহ চৰাই থকা দুজন সৰু পুতেকক মাতিবলৈ জাঁওতে আদ খিনি

বাট গলত অকস্মাত বনৰিয়া মহ ওলাই বেগতে সেই আমোলদাৰৰ সোঁ ফালে কঁকালৰ পোনে পেটত খোঁচ মৰাত পেটেই সিঙ্গ গৈ বাঁও ফালে কামি হাৰৰ মাজে ফুটি ওলাল। পাচে মহ গলত সি তাতে পৰি থাকি কিচুমান বেলিৰ মূৰত স্বস্ত পাই উঠি আপোনাৰ পিন্ধা চুৰিয়াৰে কঁকাল টানকৈ বান্ধি ঘৰলৈ উভতি জাঁওতে পেটৰ নাৰি এহাত মান ওলাই ওলমি পৰিল, তেতিয়া সি খোঁজ কাৰ্হিব নোআৰি তাতে পুনৰাই পৰি থাকিল। সেই সময়তে ঘৰৰ মানুহে বুজ পাই বেগাই কোৰাকৈ ঘৰলৈ আনিলেগৈ, আৰু ৰঙ্গপুৰলৈ বতৰা দিয়াত তেতিয়াই জিলাৰ ডক্তৰে গৈ নাৰিবোৰ ভিতৰলৈ সুমুআই ৰেজিৰে সিলে; তাৰ পাচ দিনা দৰব দিবৰ নিমিত্তে হস্পিটাললৈ আনোঁতে চাৰি ৰজা মানত বাটতেই মৰিল।

গুআহাটি নগৰত ২৫ আগষ্ট তাৰিখত ভিল্তা নামেৰে এক কলিতা মানুহৰ ঘৈনিএকে বচেৰেকিয়া মান লৰা জনিক মাটিত সুআই থৈ পানি আনিবলৈ নৈলৈ গল। সেই সময়ত বাপেক ভিলতাই ঘৰত সুই আচে; লৰাক কান্দিবৰ সুনি উঠি থৰি ফালিবলৈ ধৰিলে; পাচে লৰা কান্দি কান্দি থকাত তাক নিচুকাব নোঅৰাত খঙ্গ উঠি কুঠাৰেৰে তাৰ ডিঙ্গিত একোৰ মাৰিলে। তেতিয়াও কান্দি থকাত সি মাৰিবৰ মনেৰে আৰু একোৰ মাৰি আপোনাৰ জিএকক বধ কৰিলে। সেই দোসৰ কথাত তাক ধৰি শ্ৰীজুত ৰাওলেট মাজিস্ত্ৰেট চাহাবৰ আগলৈ আনিলত পাঁচ জন পঞ্চায়তৰ দোআৰাই সোধ হলত সিবিলাকে তাক বধ কৰা বুলি মৰন দণ্ড জোগ্য হোআ লিখিলে। পাচে শ্ৰীজুত মাজিস্ত্ৰেট চাহাবে নিজামত আদালত বিবেচনালৈ সেই কথা সোধাই দি বধ কৰাটক ফাঁচি নি দি, জনম ফাটক বা দেসান্তৰ হবলৈ জেন আগ্যা দিব, এই নিবেদন কৰিলে। কিন্তু নিজামত আদালতৰ তিনি জন সোধাৰু চাহাবে এই কথা সুনি, সিবিলাকৰ অকল এজনে সেই কথাত মান্তি হৈ, অচমিয়া লোক অসভ্য হৈচে বুলি জনম ফাটক মাখোন দিবলৈ কলে; আন দু জন সোধাৰুএ তাক উচিত নে দেখি সেই দুষ্ট মানুহক ফাঁচি দিবলৈ আগ্যা কৰিলে।

১৭ চেপ্তেম্বৰ তাৰিখে মলমাইন নগৰত ৫০ কইদি লোক কামৰ পৰা উভতি আহোঁতে সিহঁতৰ মাজৰ পাঁচ জনে বলতকাৰ কৰি বৰকান্দাজ ৪ জনক মাৰি, পৰ্বতলৈ পলাই গল। পাচে ধৰা পৰিলত দুটাক ফাঁচি দিবলৈ, তিনটাক দুডলিয়া লোআ দি ৫ বচৰ ফাটকলৈ আগ্যা হল।

খেহ দেসৰ দাঁতিত মাকাও নগৰত দন মাৰিয়া নামে এখান জাহাজ আচিল; তাত বৰ খানা হবৰ নিমিত্তে অনেক জাহাজ আৰু নগৰৰ চাহাব লোকক নিমন্ত্ৰন কৰা হৈচিল। কেতবিলাক গোট খালত অকস্মিতে খাৰৰ পিপা ফুটি জাহাজ আদি আটাইবিলাকক উৰুআই নিলে। জাহাজৰ মানুহে সৈতে প্ৰায়ে দু স মৰিল। ৩০০ হাতৰ আঁতৰত থকা আমেৰিকাৰ এখান বনুআই জাহাজৰ ওপৰে দি সেই জাহাজৰ এটা বৰ টোপ উৰি গৈ সাগৰত পৰিল। আন্দাজে কোনো খেহ লোকে সোমাই খাৰত জুই লগালে।

আফ্ৰিকাৰ পুব ফালৰ গাৰ্দাফুই টেকৰ ওচৰত মেৰি ফলৰিঞ্চ নামে এখান জাহাজ জাঁওতে ৩ জুন তাৰিখত চটত লাগি ৰল। পাচ দিনা তাত নিবাসি লোকে জাহাজত উঠি আহি জাহাজৰ মানুহক বামলৈ উঠিবলৈ আলচ দিলে। তেতিয়া কাপ্তানৰ মেম আৰু মানুহ গোটা চাৰেকে সৰু নাৱেৰে বামলৈ গল, পাচে নিবাসিএ সিবিলাকক আকও জাহাজলৈ উভতি জাব নি দিলে, আৰু সিবিলাকৰ বস্ত্ৰ, অলঙ্কাৰ, আৰু মেমৰ আঙ্গঠিকো সোলোকাই নিবলৈ ধৰিলে। পাচে ৰাতি সৰু নাৱেৰে জাহাজলৈ জাবলৈ ধৰাত বৰ ঢৌ হোআৰ কাৰনে নাও উবুৰি খোআত মেম আৰু দুটা মানুহ পানিত মৰিল। পাচ দি-

না কাপ্তানে বৰ খন নাও নমাই জাহাজ এৰি গল । এদিন মানৰ বাট গলত থাবলৈ পানি নাই কিয়াত বামত নাও লগাই মাকিনন নামে এটা মানুহক পানি বিচাৰিবলৈ পঠালে । সি বিচাৰি জাঁওতে টোপনিয়াই পৰিল, পাচে পলম হলত কাপ্তানে তাক এৰি নাও মেলি গল । সি উভতি আহি নাও নেপাই ৫ দিন ফুৰি ফুৰি পিয়াহ আৰু ভোকতে অচেতন হৈ পৰি মৰিবলৈ ধৰিলে ।

এনে সময়ত চুমালি গাঁৱৰ এজনি গাভৰু তিৰোতাই সেই বাটে অহাত সি দেখি মুৰ দাঙ্গি পানি পাবৰ নিমিত্তে সঙ্কেতেৰে মুখত হাত দি দেখালে । তাক দেখি ভই কৰি সেই তিৰোতাই পলাল, পাচে মাহ পাই মৰম লাগি উভতি আহি পানি আনি মুখত দিলে, আৰু সি সুবৰ নিমিত্তে বালিত গাত খানি দি গল । তাতে সি সুই থাকি পাচে টোপনি ভাগিলত মুৰ দাঙ্গি চাই, তাৰ কোসত ৰুটি আৰু পানিকো দেখিলে । তাই এই ৰুপে তিন দিন সুশ্রুষা কৰিলত সি খোজ কাৰ্হিব পৰা হল । তেতিয়া তাক এডাল লাখুটি দি আপোনাৰ ঘৰলৈ নিলত গাঁৱৰ সকলো তিৰোতাই আহি বৰ মৰম কৰি, সি ভাল ন হই মানে প্রতি পালন কৰি ৰাখিলে । পাচে উলুলা নামে এখন গাঁৱত তাৰ লগৰ জাহাজিক মানুহ কেতবিলাক আচে বুলি বাত্রা পাই, তালৈ গল । পাচে ক্রমে এখন বেপাৰি জাহাজ তালৈ গৈ সকলোকে তুলি আনিলে ।

ওৰায়ন নামে এখন ভাপ জাহাজে ২৫০ মান মানুহ লৈ ১৮ জুনত লিবৰপুল নগৰ এৰি গিলাচ্গো নগৰৰ ওচৰ পাই সিলত খুন্দা খাই ভাগি ৰল । জোআৰ উঠিলত তাৰ পৰা ওপোঙ্গাই পাচ কাললৈ হহকাই নিলত দ পানিত তল গল । সৰু নাও চাৰি খন আছিল; তাত উঠিলত দুখন ভৰা হৈ মুনিহ তিৰোতা লৰাই সৈতে তল গল; সি দুখনত ৩।৪ কুৰি মাথোন ৰখ্যা পৰিল ।

১১ অক্তোবৰ তাৰিখত লুইচা মাৰিয়া নামে বেলজিয়ম দেসৰ মহা ৰানি মৃিত্যু হল । তেঁও ফ্রাঞ্চৰ আগৰ ৰজা লুই ফিলিপৰ দুহিত্রি হৈছিল; শ্রী শ্রী মতি বিক্তৰিয়া মহা ৰানিৰো গিয়াতি আৰু মিত্র হৈছিল ।

হেচিয়া দেসাধিকাৰে প্রজাবিলাকক দমিব নোঅৰাত অস্ত্রিয়াৰ ৰজাত উপকাৰ খুজিচে; তাতে অস্ত্রিয়া আৰু ৰুচিয়া দুইৰো ৰজাবিলাকে হেচিয়া প্রজাৰ অহিতে সেনা গোট খুআইচে; কিন্তু প্রুচিয়া দেসৰ লোক হেচিয়াৰ ফলিয়া হৈ সিবিলাকৰ নিমিত্তে জুধ কৰিব খুজিচে ।

পাপা ৰজাই ইংলণ্ড দেসত আপোনাৰ ধৰম চলাবৰ নিমিত্তে দেস খন ভাগ কৰি ভাগে ভাগে গুৰু গোসাঁই পাতি থৈচে; আৰু আটাইৰে ওপৰত ওআইজমান নামেৰে এজন প্রধান গুৰু থৈচে । এই কাৰনে ৰাজ ধৰমৰ গুৰু আৰু পাদুৰিবিলাকে ৰাজ মন্ত্রিএ সৈতে অমান্তি হৈ সেই অনুচিত কথা নিবাৰন কৰিবলৈ আলচ কৰিচে । সকলো লোকৰ মাজতো হুৰা মুৰা লাগি পাপা আৰু তাৰ ধৰমৰ গুৰুৰ অহিতে বৰ বেজাৰ কৰে ।

১৬০৫ সঁকত গাই ফকচ নামে এজন কমিয়া ধৰমলৈ উচাহ হোআ মানুহে ইঙ্গলণ্ডৰ ৰাজ ধৰম লুটিয়াবলৈ আৰু মহা ৰজা আদি কৰি সকলো ৰাজ মেলুআই একেবেলিএ নষ্ট কৰিবৰ নিমিত্তে ৮০ আনি জন মান লোকে সৈতে আলচ কৰি ৰাজ সভা গোট খোআ ঘৰ ঘৰৰ তলত খাৰেৰে ভৰোআ ৩৬ পিপা লুকাই থলে । কিন্তু ৰাজ মেল হবৰ আগেএ সেই কথাৰ গম পাই বিচাৰি বিচাৰি ৫ নৱেম্বৰ তাৰিখত সেই লুকুআ খাৰ আৰু তাৰ ওচৰত লুকাই থকা সেই গাই ফকচক দেখা পালে । পাচে তাক সাস্তি কৰাত সি আপোনাৰ সকলো দোসৰ কথা, আৰু তাৰ লগৰ ৰাজ দ্রুহিয়াৰ নামবোৰ সৈ কাৰ্হিলে; তাতে ৰাজ আগ্যাৰ

দোআৰাই আটাইবোৰক মৃত্যু দণ্ড কৰিলে। আৰু সেই বৰ আপদৰ পৰা ইস্বৰে ইঙ্গলণ্ড দেসক ৰখা কথা সুঁৱৰিবৰ নিমিত্তে তেতিয়াৰে পৰা সেই ৫ নৱেম্বৰ দিন এক বৰ দিন বিহু পাতি থৈচে। এই বচৰত ৫ নৱেম্বৰত গাই ফকচৰ মূৰ্ত্তি অমৰ্জতা কৰিবলৈ সাজি ৰাজ নগৰৰ আলিত ফুৰাই নিলে; আৰু তাৰ লগত নতুন প্ৰধান ৰুমিয়াৰ গুৰুৰ মুৰ্ত্তিকো সাজি দস্তুৰ মতে তাৰ মুৰত ৰঙ্গা টুপি পিন্ধাই অনেক ৰঙ্গ তামোচা অমৰ্জতা ৰূপে কৰিলে।

আয়ৰলণ্ড দেসৰ কোত্চ নামে এজন বৰ টান পকিয়া মানুহে ৫০০ মাইলৰ বাট পুৰ ন হই মানে দিনে ৰাতিএ আধা ঘণ্টাই পতি আধা মাইলৰ বাট খোজ কাঢ়ি জাম বুলি আৰি বান্ধি সেই ৰূপে দহ দিন টৈগ সিধি কৰি আৰিৰ ধন ললে। ১০ দিনত ৫০০ মাইল জাবলৈ অতি টান ন হই, কিন্তু সেই ৰূপে দিনে ৰাতিএ ডাঁৱে পতি অলপ অলপকৈ জাবলৈ আন মানুহৰ অসাধ্য।

আয়ৰলণ্ড দেসৰ গালোৱে নগৰৰ মেৰি দনৌ নামে এজনি দৰিদ্ৰ তিৰোতাই বাৰিত বিলাতি আলু চিকোনাই দিওতে কিবা পোৰ্য বায়ুএ মাটিৰ পৰা ওলাই তাইৰ মুখ হাত সকলো পুৰি এধা মৰা কৰিলে। আলুৰ গচো ডেই পুৰি গল।

শ্ৰীজুত বুঞ্চন চাহাবকে আদি কৰি জি মিস্যনেৰি লোক অচম দেসলৈ আহিচে, সিবিলাক ২১ নৱেম্বৰত কেপ গুড হোপ পাই, তাত ১০ দিন মান থাকিব, এই বাত্ৰা চিঠিৰ দোআৰাই পালোঁ।



কাঙ্গাৰু পশুৰ নকচা।

ফেব্ৰুআৰি, ফাগুন মাহৰ পঞ্জিকা।

Almanac for February, 1851.

ফেব্ৰুআৰি	মাঘ	বাৰ	দিনমান	চন্দ্ৰাং	ফেব্ৰুআৰি	ফাগুন	বাৰ	দিনমান	চন্দ্ৰাং
১	২০	৭	১০।৪৮	০॥	১৫	৪	৭	১১ ৭	১৪॥
২	২১	১	১০।৪৯	১॥	১৬	৫	১	১১।৮	১৫॥
৩	২২	২	১০।৫০	২॥	১৭	৬	২	১১।১০	১৬॥
৪	২৩	৩	১০।৫১	৩॥	১৮	৭	৩	১১।১১	১৭॥
৫	২৪	৪	১০।৫৩	৪॥	১৯	৮	৪	১১।১২	১৮॥
৬	২৫	৫	১০।৫৪	৫॥	২০	৯	৫	১১।১৪	১৯॥
৭	২৬	৬	১০।৫৬	৬॥	২১	১০	৬	১১।১৫	২০॥
৮	২৭	৭	১০।৫৮	৭॥	২২	১১	৭	১১।১৭	২১॥
৯	২৮	১	১০।০	৮॥	২৩	১২	১	১১।১৮	২২॥
১০	২৯	২	১০।১	৯॥	২৪	১৩	২	১১।১৯	২৩॥
১১	৩০	৩	১১।২	১০॥	২৫	১৪	৩	১১।২১	২৪॥
১২	১	৪	১১।৪	১১॥	২৬	১৫	৪	১১।২২	২৫॥
১৩	২	৫	১১।৫	১২॥	২৭	১৬	৫	১১।২৪	২৬॥
১৪	৩	৬	১১।৬	১৩॥	২৮	১৭	৬	১১।২৬	২৭॥

THE ORUNUDOI,

Printed and published by O. T. CUTTER, *at the Sibsagor Mission Press.*—N. BROWN, *Editor.*

অৰুনোদৈ

৬ বচৰ। মোং সিৱসাগৰ, ফেবৰুআৰি, ১৮৫১। নম্বৰ ২।

VOL. VI. SIBSAGOR, ASAM, FEBRUARY, 1851. NO. 2.

নিস্তাৰৰ উপাই।

The Way of Salvation.

সংসাৰ জুৰিয়া প্ৰানি আচে জত জত,
কৰোঁ একে বাৰে প্ৰনাম্ সবাৰ্ চৰনত;
মই নিবেদন কৰোঁ ক্ৰিতাঞ্জলি কৰি,
অম্ৰিত সমান বাক্য সুনা কৰ্ন ভৰি।
দেখিওক বন্ধুগন ভাবিয়া মনতে
সমস্ত সংসাৰ প্ৰানি ডুবিচে পাপতে;
দুৰাচাৰ হৈয়া সবে কৰে নানা পাপ,
সেই হেতু প্ৰজলিত ঈশ্বৰৰ সাপ।
ইহাৰ প্ৰমান সবে জানোক নিচই,
ৰাগ, দুখ, ক্লেস সৰিলত অতিসই।
মায়াৰ জালত বন্ধ নাহিকে চেতন,
নিতান্তে পাপত ডুবি আচে সৰ্ব জন।
এই ৰুপে জগতৰ মাজে জত জন,
বিসয়ৰ চিন্তাই তাৰ মজি আচে মন;
কিন্তু পৰকালে গতি কি হব বিলাই,
সে ভাবিয়া থাকে সবে তাক সমুদাই।
অল্প দিন ভোগ হেতু তাৰ প্ৰয়োজন,
ম্ৰিত্যু হলে সঙ্গে কাৰো নাহি জাব ধন;
আজি কিবা, কালি কিবা, জি কোনো বচৰে
অৱশ্যে মৰিব সব জানিবা অন্তৰে।
ইহলোকে অল্প কাল থাকে সৰ্ব জন,
পৰলোকে সৰ্বকাল থিতি নিৰন্তৰ।
নাহি পুনৰপি জন্ম, নাহিকে মৰন,
নিত্য স্বৰ্গ ভুঞ্জে, কিবা নৰকে গমন।
সত্যাস্ৰুই বিনা কোনো স্বৰ্গে নাহি জাব,
অধোমুখ হৈয়া ঘোৰ নৰকে পৰিব।
কেনুআ জন্ত্ৰনা আচে মাজত নৰ্কৰ,
কোনো নাহি জানে তাক অল্প মতি নৰ;
সু সুমুআ ৰহি আচে, নাহি আদি অন্ত,
প্ৰচণ্ড অগ্নিৰ সিখা তাহাতে জলন্ত।
তাহাতে পৰিলে ভাই, ৰখ্যা নাহি আৰ,
কান্দিবা অনন্ত কাল কৰি হাঁহাকাৰ।
পলোআ, পলোআ বন্ধু, ন পৰিবা তাত,
সত্য পথ বিচাৰিয়া সাৰিওক হাত।
বিচাৰ কৰিয়া দেখা সৰ্ব নৰগন,
আহিচিলে এই জগতে সত্য মহা জন;
নামে য়িচু খ্ৰিষ্ট অধিকাৰ জিৱনৰ,
অৱতাৰ হৈল দেহা ধৰি মনুস্যৰ।
আস্ৰুই কৰাহে খ্ৰিষ্টত, কাল ব্ৰেথা জাই,
খ্ৰিষ্টৰ চৰন বিনে নাহি অন্যোপাই।

হিন্দু লোকে মানি থাকে নানা অৱতাৰ,
অল্প কৰি কহোঁ মই ব্ৰিতান্ত তাহাৰ।
মত্স্য ৰুপে অৱতাৰ হৈলা প্ৰথমতে,
উধাৰিলা চাৰি বেদ প্ৰলয় জলতে।
কুৰ্ম অৱতাৰ হৈলা খিৰ দধি তিৰে,
ৰাখিল মন্দৰ গিৰি পিঠিৰ ওপৰে।
ত্ৰিতিয় বৰাহ ৰুপে ভুমি উধাৰিলে,
হিৰৈন্যাখ্য মহা বিৰ দৈত্যক বধিলে।
নৰসিংহ অৱতাৰ চতুৰ্থতে হৈল,
হিৰৈন্য কসিপো নামে অসুৰ বধিল।
বামন্ ৰুপে অৱতাৰ ধৰে পঞ্চমতে,
পৰম ধৰ্ম্মিষ্ঠ ৰজা বলিক চলিতে।
সষ্টতে পৰসুৰাম খেত্ৰি বংস নাসে,
সপ্তমতে ৰামচন্দ্ৰ ৰাখ্যস বিনাসে।

অষ্টে অৱতাৰ ক্রিষ্ণ হৈয়া গকুলত,
কংস ৰজা মাতুলক বধিলে তাহাত।
নৱমতে বুধ দেৱ বেদ কৰি নাস,
দিয়োদাস ৰজাৰ গুচাই সৰ্ব্ব আস।
এই ৰুপে ধৰি আচে নৱ অৱতাৰ,
নাহি পাব তাৰ পৰা পাপৰ নিস্তাৰ;
জি হেতুক তাৰা সবে ত্রান নে সাধিলে,
নিজ নিজ সুখ মাত্র সদায়ে ভুঞ্জিলে।
জি সবে সুনিয়া আত ভাৱনা·কৰিব,
নিচয়ে জানিবা সিতো নৰকে পৰিব।

পাপৰ বিসয়ে আচে নানা মত গ্যান,
জগতৰ লোকে কহে কৰিয়া প্রমান।
পুৰ্ব্বৰ ব্রিতান্ত সব কিচু নাহি জানে,
কিন্তু নানা প্রকাৰতে এই মাত্র মানে;
ইস্বৰৰ লিলা সব কহে বিচাৰিয়া,
আৰু মায়া কৰ্ম্ম কহে মনতে ভাবিয়া।
এবে কহোঁ কিচু কথা, তাতে দিয়া মন,
সুনিওক অতি স্বাদ অম্রিত বচন।
প্রথমে প্রিথিবি স্বৰ্গ স্রুজিলে ইস্বৰ,
পাচে আপোনাৰ আগ্যাই স্রুজিলে পহৰ।
পহৰৰ পৰা পাচে অন্ধকাৰ ভিন
কৰি দিলে দিন ৰাতি প্রভু দুই চিন।
দুতিয় দিনতে প্রভু আকাস স্রুজিয়া
সুন্য মধ্যে ৰাখিলন্ত দুভাগ কৰিয়া।
ত্রিতিয় দিনতে দেখা প্রভুৰ আগ্যাতে
একত্র কৰিলে জল, সিন্ধু হইল তাতে;
দেখা তাতে থিতি হৈল সুক্ক ভুমি থল,
তাহাতে জন্মিল ব্রিখ্য ত্রিনাদি সকল।
চতুৰ্থ দিনতে প্রভু আপোন বাক্যতে
সুৰ্জ চন্দ্র স্রিষ্টি কৰি ৰাখিলে সুন্যতে।
দিন অধিকাৰ সুৰ্জ, চন্দ্র নিসাপতি,
তাতে হৈল দিন, মাস, বচৰ প্রভ্রিতি।
এই ৰুপে জত বস্তু দেখিচা জগতে,
স্রুজিলে সকলো প্রভু আপোন সক্তিতে।
স্রিষ্টি স্রুজনৰ পাচে চাৱৰ কৰিলে,
মনুস্যক প্রিথিবিৰ ধুলিৰে স্রুজিলে;
তাৰ নাকে স্বাস দিয়া কৰিলে জিৱন্ত,
আদম নামতে খ্যাতি মহা বলৱন্ত।

আদমৰ পৰা পাচে ললে কাঢ়ি হাৰ,
নাৰি ৰুপে স্রুজিলন্ত সৰিল হাৱাৰ।
এই ৰুপে স্রুজি প্রভু দুই নৰ নাৰি
পাতিলেক স্রিষ্টিৰ দুয়োকো অধিকাৰি।
সকলোকে স্রুজি পাচে চ দিনৰ্ মুৰতে
বিস্রাম কৰিলে প্রভু সপ্তম দিনতে;
জানি জত্নে ইস্বৰৰ আগ্যা সিৰে ধৰি
সপ্তম দিনক সবে থাকা মান্য কৰি।

আৰু কহোঁ, সুনা কথা আদি পুৰুসৰ,
স্রুজিলে ইস্বৰে তাক নিস্পাপি অমৰ;
কিন্তু চইতানৰ ফান্দে পৰি নাৰি নৰে,
সুস্বভাৱ তেজি পাচে অধৰ্ম্ম আচৰে;
এই হেতু জগতৰ জত নৰগন
সকলোতে সদা কৰে মন্দ আচৰন।
মিচা বাক্য, প্রৱঞ্চনা, পৰ ধন হৰে,
বধ, হিংসা, বেস্যা আদি সৰ্ব্ব জনে কৰে।
এই হেতু ইস্বৰৰ ক্রোধে প্রজলিত
আঠ জন বিনে সব মাৰিলে পানিত।
সেই নৰ বংসে পাচে ভৰিল ধৰনি,
পুনৰ্ব্বাৰ পাপ কৰে সেই সব প্রানি।
ধৰ্ম্ম আগ্যা প্রভু প্রকাসিলে এই কাৰন,
জানি জত্নে সুনিয়োক থিৰ কৰি মন।

ইস্বৰৰ দসম আগ্যা ।

মোৰ বিনে ইস্বৰ্ বুলি কাকো নে মানিবা,
স্বৰ্গে মৰ্ত্তে কাৰো পুতলাক নু পুজিবা;
অকাৰনে ন লয়োক ইস্বৰৰ নাম,
সপ্তম দিনক স্মৰি কৰিবা বিস্রাম;
নিজ পিত্রি মাত্রি জানি কৰা সমাদৰ,
অকাৰনে ন বধিবা জিৱ মানুহৰ;
পৰ তিৰি, পৰ ধন ন কৰা হৰন,
মিচা সাখি নি দিবাহে নৰৰ কাৰন।
ইহাৰ বিৰোধে জত সাস্ত্র নিৰুপিত
জানিও অসত্য তাহা মিচাতে কল্পিত।
আগ্যা পায়ো পাপ কৰে জদি কোনো জন,
ঘোৰ নৰকত দণ্ড দিব সনাতন।
তথাপি ইস্বৰ আগ্যা লঙ্ঘে সৰ্ব্ব জন,
পাপে পুৰ্ন এজগত হৈচে সৰ্ব্বথান।

কেৱল ইশ্বৰ আগ্যা লঙ্ঘন দোসতে
মজি আচে সৰ্ব লোক অত্যন্ত পাপতে;
সাপি গ্ৰস্ত হৈয়া আচে মায়াৰ জালতে,
নিৰন্তৰ পোৰে মন, সুখ নাহি তাতে ।
এই হেতু ক্ৰিপামই আপোন নন্দন
পাঁচি দিলে এই জগতে পাপিৰ কাৰন ।
খ্ৰিষ্ট ৰুপে অৱতাৰ হৈয়া প্ৰিথিৱিতে
উধাৰিচে পাপিগন স্বপ্ৰান দানতে ।

প্ৰভু য়িচু খ্ৰিষ্টৰ অৱতাৰ বিবৰন ।

য়িচুৰ চৰিত্ৰ, অত্যন্ত পৱিত্ৰ,
গুনৱন্ত মনোহৰ;
সুনা মন দিয়া, ত্ৰিপ্ত হব হিয়া,
অম্ৰিত বাক্য সুন্দৰ ।

সম্পূৰ্ন হৈচিলে কাল জন্মৰ জেতিয়া,
পাঁচি দিলে নিজ সুত ইশ্বৰে তেতিয়া;
নামে য়িচু খ্ৰিষ্ট অধিকাৰ জিৱনৰ,
নৰক ভাগিও তৰে বিশ্বাসে জাহাৰ ।
কুমাৰিৰ গৰ্ভে জন্ম হৈলা য়িচু খ্ৰিষ্ট,
নিষ্পাপি, নিষ্কাম প্ৰভু জগতৰ ইষ্ট ।
সিসু কালে তেঁওৰ নানা বিৰোধ ঘটিল,
সুনা প্ৰভু জৌৱনতে জি কৰ্ম কৰিল ।
সুভ সম্বাদৰ বাক্য উপদেস দিয়া
ভ্ৰমিচিলে বহু ক্লেসে হিতৈসি হইয়া ।
আপোনাৰ পাপি মন পালটন কৰা,
বিশ্বাস কৰিয়া মোতে মুক্তি পথ ধৰা;
এই বাক্য জনাইয়া দিলেক ইশ্বৰ
সকলোৰে মুক্তি হেতু প্ৰভু দায়াতুৰ;
জেন কোনো পাপি নৰ নৰকে নে জাই,
বিশ্বাস কৰিয়া তেঁওতে স্বৰ্গ ৰাজ্য পাই ।
জত দিন ত্ৰান কৰ্তা আচিলে জগতে,
কৰিলে পৱিত্ৰ কৰ্ম আচৰ্জ সক্তিতে;
খোৰাকো দিচিলে ভৰি, অন্ধকো নয়ন,
হস্ত হিনে দিলে হস্ত, ম্ৰিত্যুকো জিৱন;
ভূতে পোআ, কুষ্ঠ ৰুগি আৰু জত জত,
অৰুগি কৰিলে প্ৰভু আপোন বাক্যত;
বিবিধ বাঞ্চিত ফল দিচিলে লোকক,
তথাপিতো নি চিনিলে সংসাৰ তাৰক ।
গোটা পাঁচ সাত পিঠা হাতে তুলি লৈয়া
সহস্ৰ লোকক প্ৰভু দিচিলে বাঁটিয়া;
ত্ৰিপ্ত হৈল ভক্তগন ভুঞ্জিয়া সকলে,
এনে চমত্কাৰ কৰ্ম নাহি ভূমণ্ডলে ।
এই ৰুপে নানা কৰ্ম আচই তাহাৰ,
কোনে কহিবাক পাৰে জাৰ নাহি পাৰ ।
ধন হিন হৈয়া প্ৰভু সৰ্বদা আচিলে,
নিবাসৰ ঘৰ দ্বাৰ কতো ন কৰিলে;
কিন্তু ভকতৰ আগে কৰিলে প্ৰকাস,
দেখা জত বন পসু আচে তাৰো বাস;
পখি সকলৰো বাস আচে থাকিবৰ,
কিন্তু থান নাহি মোৰ মুৰ ৰাখিবৰ ।
আৰু তেঁওক দুষ্ট লোকে বহু পিৰা দিলে,
দুৰ্বাক্য বুলিলে নানা, তথাপি সহিলে ।
সেস কালে জেনে দুখ দিলে দুষ্ট লোকে,
মৰ্ত্য লোকে বুজিবাৰ নোআৰে ত্ৰলোকো;
কাঠৰ ওপৰে বধিলেক প্ৰেমাধাৰ,
তেতিখ্যনে হৈল সুৰ্জ অতি অন্ধকাৰ;
দুই প্ৰহৰৰ পাচে তেজি প্ৰভু প্ৰান,
তাক দেখি সত্ৰুগনে ভয়ে কম্পমান ।

অনন্তৰে ত্ৰিতিয় দিনতে ম্ৰিত্যু জিনি
দেখা দিলে ভকতক চমত্কাৰ সুনি;
সিস্যৰ সহিতে থাকি দিন দুই কুৰি
ধৰ্ম বাক্য সিখ্যা দিলে সঙ্গে ফুৰি ফুৰি ।
কলে প্ৰভু ভকতক, সুনা প্ৰিয়গন,
দায়ামই দিন বন্ধু গম্ভিৰ বচন;
জগতৰ মাজে জত আচে নাৰি নৰ,
সুভ সম্বাদৰ বাক্য কৰিবা প্ৰচাৰ;
ইহাতে জন্মিব জাৰ বিশ্বাস নিচই,
অনন্ত জিৱন পাব, নাহি তাৰ খ্যই;
কিন্তু মোত জি সবে বিশ্বাস ন কৰিব,
ঘোৰ নৰকত পৰি জাতনা ভুঞ্জিব ।
এই বুলি ভকতক দিলে আসিৰ্বাদ,
স্বৰ্গে গৈল স্বৰ্গ নাথ কহিয়া সম্বাদ ।
স্বৰ্গ পুৰি ৰাজ্য মধ্যে জৌতি সিংহাসনে
বসতি কৰিচে প্ৰভু সদা সৰ্বখ্যনে ।

এই সব বিৱৰনে জানিবা নিচই,
ইশ্বৰৰ পুত্ৰ য়িচু নাহিকে সংসই ;
তেওহে আৰু মুক্তি দাতা জগতৰ পতি,
ত্ৰান অৰ্থে দিলে প্ৰান অগতিৰ গতি ;
মনুস্যৰ পাপ দেখা পৰ্বত সমান,
জাৰ প্ৰাচিত্তৰ হেতু দিলে নিজ প্ৰান ।
এই হেতু সুনা ভাই মোৰ নিবেদন,
য়িচুত আস্ৰুই ললে পাইবা জিৱন ;
কৰিবা বিস্বাস বন্ধু, চাৰি পাপ মতি,
বিস্বাসে পাইবা ত্ৰান, ত্ৰানেই সদ্গতি ।
ইহাতে পাপৰ খেমা হইবেক ভাই,
এৰাইব সৰ্ব দুখ, আৰু ক্লেস নাই ।
কৰজোৰ কৰি মই কৰোঁ নিবেদন,
সবে মানা মোৰ সত্য সুনিয়া বচন ।
সুনা সৰ্ব বন্ধুগন, কৰিয়া প্ৰত্যই,
খ্ৰিষ্টক ভজিলে মুক্তি পাইবা নিচই ;
সকল নৰক ভই আৰু নে পাইবা,
স্বৰ্গত আনন্দে মহা বসতি কৰিবা ।

নৰকৰ বিবৰন ।

পাপতে নৰকে জাই, অনন্ত জাতনা পাই,
সেই দুখে মজে সৰ্বকাল ;
পাপ কৰ্মে মহা ভাৰ, বিবেচনা কৰা তাৰ,
পাপ কৰ্মে নৰকৰ জাল ।

কৰি আচা নানা পাপ, সেসে হব মনে তাপ,
নু বুজা কি জাতনা ঘটিব ;
কুকৰ্মৰ পৰা মন নে পালটাই জেই জন,
ইশ্বৰৰ কোপে সি পৰিব ।

নাহি তাত ত্ৰান্ উপাই, প্ৰচণ্ড ক্ৰোধৰ ঠাই,
নৰক জাতনা ঘটে জাৰ ;
নৰক জাতনা থান বহু তাতে অপমান,
ঘোৰ অন্ধকাৰ আচে তাৰ ।

বুজা তুমি মনে মনে, তেনে ৰূপ্ দাৰুন থানে,
কি মতে সেই জাতনা ভুঞ্জিব !
চইতানৰ ভুতগন সাস্তি দিব অনুখ্যান,
হাহাকাৰ সৰ্বদা উঠিব ।

প্ৰচণ্ড অগ্নিৰ সিখা আৰু গন্ধকৰ তিখা
নু নুমাব, নাহি আৰু ত্ৰান ;
ক্ৰন্দন কোল্হাল হাই, দাঁত কৰচনি টাই,
হাই হাই, কি দাৰুন থান !

তুমি জদি পাপি হবা, সেই নৰকতে জাবা,
মনে মনে দেখাহা বুজিয়া ;
এতিয়া সময় আচে, লোআ খ্ৰিষ্টে ত্ৰান জাচে,
পাপ কৰ্ম সকলো চাৰিয়া ।

মোৰ নিবেদন ধৰা, খ্ৰিষ্টতে আস্ৰুই কৰা,
ন হয়োক বাক্যে অবিস্বাসি ;
জতে নাই কোনো দুখ, কেৱল অনন্ত সুখ,
এনে ঠাইতে হবা স্বৰ্গ বাসি ।

স্বৰগৰ বিবৰন ।

স্বৰ্গৰ বিসই সুনা মহাসই,
বিবেচনা কৰা চিতে,
স্বৰ্গ থান পুন্য জি পাব সি ধন্য,
স্বৰ্গিগন থাকে তাতে ।

স্বৰ্গ অতি প্ৰেমময়ই সুপবিত্ৰ থান,
ইশ্বৰৰ ভ্ৰিত্য লোকে ভুঞ্জে পুন্য দান ;
কেৱল সুখৰ ভোগ আচে সেহি ঠাই,
ত্ৰান প্ৰতিফল পাই, দুখ মাত্ৰ নাই ।
দুখ, ৰোগ, ম্ৰিত্যু, সোক, পিৰা, তাপ জত,
ন হয় প্ৰবেস তাতে কাহাৰো মনত ;
অমঙ্গল কিচু নাহি মঙ্গলৰ ঘৰ,
তথাকাৰ সদা ৰজা পৰম ইশ্বৰ ।
সাধু লোকুহে তেঁওৰ প্ৰজা আনন্দ অন্তৰে
সকলোৰে হিতকাৰি দুতগন কৰে ।
স্বৰ্গ প্ৰবেসৰ নাম হৈচে পৰিত্ৰান,
য়িচু খ্ৰিষ্ট দ্বাৰ তাৰ সোমাই পুন্যবান ।
বিনয় কৰিয়া কওঁ তোমাকে উচিত,
ইয়াতে বুজিয়া দেখা জি কৰ্ম বিহিত ;
খ্ৰিষ্টৰ সৰন লোআ, তেহে স্বৰ্গে জাবা,
নতুবা অনন্ত নৰ্কে অৱস্য পৰিবা ।
তেঁৱেহে স্বৰ্গৰ দ্বাৰ, তেঁৱেই দ্বাৰি তাৰ,
তেঁওৰ হাতে সঁচাৰ্ কাঠি, পথ নাহি আৰ ।
প্ৰেম ভাৱে কহোঁ, সুনা বিনয় বচন,
হেলাতে এৰিচা কিয় এনে মুক্তি ধন ।

বিনই বচন ।

সুনা সর্ব জন অম্রিত বচন,
    হিদয়ে দিওক বাস;
পাপ তৰিবৰ য়িচু পদ সাৰ,
    নাহি অন্য আৰু আস ।
তেঁৱে দায়াতুৰ আপুনি ইস্বৰ,
    পুৰ্ন ব্ৰুহ্ম সনাতন,
য়িচু বিনে আৰ সকলো অসাৰ,
    ভাবি দেখা সর্ব জন ।
তেঁওৰ প্রেম অতি পাতকিৰ প্রতি,
    ভক্তি স্তুতি কৰে জেই,
মনে বিশ্বাসিলে, খেদ জুক্ত হলে,
    মুক্তি পথ পাব সেই ।
জদিহে নে মানা, ভুঞ্জিবা জাতনা,
    নৰক সাস্তি অনন্ত;
তেতিয়া তোমাৰ ন হব নিস্তাৰ,
    দহিব অগ্নি প্রচণ্ড ।
সদা সর্বথান দগ্ধ হব মন,
    নে পাব কোনো সান্তনা;
ইন্দ্রি আদি জত সব হব নষ্ট,
    আত্মাহে পাব জাতনা ।
ভাই বন্ধুগন, তিৰি পুত্র ধন,
    তাতে কিচু নাহি হব;
সকলো অসাৰ, কোনো ন হই কাৰ,
    তেতিয়া সঙ্গে ন ৰব ।
জত দিন দেহে আত্মা থিতি ৰহে,
    বোলে সবে আপোনাৰ,
নয়ন মুদিলে, অচেতন হলে,
    কোনো ন হই সঙ্গি কাৰ ।
এই হেতু সুন, হৈওক চেতন,
    কৰা য়িচু পদ সাৰ;
ভাবি দেখা জত সকলো অনিত্য
    প্ৰভুহে ত্ৰানাধিকাৰ ।
জেন ব্ৰিখ্য ডালে পখি গৈ সকলে
    দণ্ডেক দুদণ্ড থাকে;
সেই ৰূপে জান, দেহেতে জিৱন,
    নিচয়ে বোলোঁ সবাকে ।
ধৰ্ম পথ ধৰা, তেজি পাপ হেৰা,
    ভজিও খ্ৰিস্ট সৰন;
পাপ অন্ধকাৰে কিয় ঘুৰি মৰে
    মুদিয়া দুটি নয়ন?
দিপ্তিতে সঘন কৰিলে গমন,
    অপমান নাহি হব;
অন্ধকাৰে ভাই, চলিলে সদাই,
    পথতে উজুঁটি খাব ।
এই হেতু সুন, মোৰ নিবেদন,
    খ্ৰিষ্টত কৰা আস্ৰই;
য়িচু বিনে আৰ নাহিকে উধাৰ,
    জানিবা নিচয়ে ভাই । ন. স.

জাত্ৰিকৰ জাত্ৰা, ২ আধ্যা ।

The Pilgrim's Progress, Chapter 2.

পাচে খ্ৰিষ্টিয়ান অকলেই ফুৰি জোআৰ সময়ত এটা মানুহক দুৰৈৰ পৰা পথাৰ পাৰ হৈ আহিবৰ দেখিলে । পাচে ওচৰ চাপোঁতে দুইৰো বাট জোৰা খোআ ঠাইতে দৈবজোগে একে কালে সমুখা সমুখি হল । সেই মানুহৰ নাম স্ৰিজুত সংসাৰ-গিয়ানি; তেঁও সাৰিৰিক-বুধি গাঁৱত থাকে; সেয়ে বৰ গাঁও, খ্ৰিষ্টিয়ান আগেয়ে থকা ঠাইৰ ওচৰ । সেই জনে খ্ৰিষ্টিয়ানক দেখি তাৰ কথাত কিচু উমান ধৰিলে; কিয়নো বিনাস নগৰৰ পৰা খ্ৰিষ্টিয়ান ওলাই জোআৰ কথা কোআ কুই কৰাত বৰকৈ খিয়াতি হল; অকল আপোন নগৰত ন হই, আন ঠাই-লৈকো বিয়াপিব ধৰিলে । সেই নিমিত্তে সংসাৰ-গিয়ানিএ তাক ইমান স্ৰমেৰে জোআ আৰু তাৰ হুমুনিয়াহ কেঁকনি দেখি, তাৰ কিচু ভু ধৰি কথোপকথন হবলৈ এই ৰূপে আৰম্ভন কৰিলে ।

হেৰা ভকত, ভাৰেৰে ইমান দুখিত হৈ কলৈ জোআ?

খ্ৰিষ্টিয়ান । ভাৰেৰে অতি দুখিত হৈচোঁ হই বাপু; মই ভাবিচোঁ, মোতকৈ দুখিত প্ৰানি কেতিয়াও নাই কিচিল । আৰু কলৈ জোআ বুলি তুমি জে সুধিচা, তাকো কওঁ, বাপু সুনা; সৌৱা জি সৰু দুআৰ মোৰ আগত আচে, তালৈকে আহিচোঁ; কিয়নো সেই ঠাইতে মোৰ এই গধুৰ বোজা গুচাবৰ উপাই সুনিম, ইয়াকে মোক বুজাইচে ।

সংসাৰ-গিয়ানি। তোমাৰ লৰা তিৰোতা আচে নে?

খ্রিষ্টিয়ান। আচে হই, কিন্তু এই ভাৰেৰে দুখিত হোআৰ কাৰনে আগৰ নিচিনাকৈ এতিয়া সিবিলাকত সন্তোস নে পাঁও; মনেৰে সেইবিলাক ন থকা জেন হৈচোঁ।

সংসাৰ-গিয়ানি। মই জদি তোমাক কিচু বুধি দিঁও, তাক তুমি লবা নে?

খ্রিষ্টিয়ান। জদি ভাল হই, লম; কিয়নো ভাল বুধিত মোৰ প্রয়োজন আচে।

সংসাৰ-গিয়ানি। তেনে হলে মই এই বুধি দিচোঁ, তোমাৰ ভাৰ অতি বেগেৰে গুচাবলৈ উপাই কৰা; তাক ন কৰা মানে তোমাৰ মন কেতিয়াও থিৰ ন হব, আৰু ইশ্বৰে তোমাক অনুগ্রহ কৰি জি জি বস্তু ভোগ কৰিবলৈ দিচে, সেই সকলোকে তুমি সুখেৰে ভোগ কৰিব নোআৰিবা।

খ্রিষ্টিয়ান। এৰা, সেই ভাৰ গুচুআ উপাইহে মই বিচাৰিচোঁ; কিন্তু মই আপুনি গুচাব নোআৰোঁ, আৰু আমাৰ দেসৰ ভিতৰত মোৰ কান্ধৰ পৰা তাক গুচাব পৰা কোনো মানুহ নাই; এই কাৰনে তাৰ পৰা মুকুত হবৰ নিমিত্তে মই তোমাত পুৰ্বে কোআৰ দৰে এই বাটে দি আহিচোঁ।

সংসাৰ-গিয়ানি। তোমাৰ ভাৰৰ পৰা মুকুত হবলৈ কোনে তোমাক এই বাটে জাব দিচে?

খ্রিষ্টিয়ান। জি জনক অতি উত্তম ভদ্র লোক জেন দেখোঁ, এনে জনাই জাব দিলে; তেঁওৰ নাম উপদেসক, মোৰ মনত পৰিচে।

সংসাৰ-গিয়ানি। অস, এনে আলচ দিয়াৰ কাৰনে সি নাও পোআ হওক! সি জি বাটে জাবলৈ দিচে, তাতকৈ সঙ্কট বিঘিনি হোআ বাট প্রিথিবিত আৰু নাই; তাৰ আলচেৰে জদি চলা, মোৰ কথা স্বৰুপ বুলি জানিবা। এতিয়াও তাৰ কিচু প্রমান পাইচা, মই বুজিচোঁ; তোমাৰ গাত নিৰ্ভাবনা দলদলনিৰ বোকা দেখিচোঁ; কিন্তু সেই বাটে জোআ মানুহৰ দুখবোৰৰ মাজত, সেই দলদলনি আৰম্ভন মাথোন। মোৰ কথা সুনা, মই তোমাতকৈ বয়সিয়া; জি বাটে তুমি গৈচা, তাতে ভাগৰ, আৰু স্রম, ভোক পিয়াহ, সঙ্কট, নাঙ্গটা হোআ, তৰোআল, সিংহ আৰু নাগবোৰ, এন্ধাৰ, মৰনকো, আৰু ইয়াত বাজেও কি কি দুখ পাবা, তাক কব নোআৰি। এই সকলো কথা নিচেই স্বৰুপ, অনেক সাখিএ থিৰ কৰিচে। আৰু কি কাৰনে অচিনাকি মানুহৰ কথা সুনি বিবেচনা ন কৰাকৈ এই দৰে আপোনাক নষ্ট কৰা?

খ্রিষ্টিয়ান। কিয়? তুমি জি জি দুখ দেখালা, সেই আটাইতকৈও মোৰ পিঠিত এই জি বোজা, সি বৰ ভয়ঙ্কৰ; সেই বোজাৰ পৰাহে মই মুকুত হব পাৰিলে, বাটত জি দুখ ন হওক, তালৈ মোৰ একো চিন্তা ন হই জেন বুজোঁ।

সংসাৰ-গিয়ানি। আগেয়ে কেনেকৈ এই ভাৰ পালা?

খ্রিষ্টিয়ান। মোৰ হাতত এই জি পুথি, তাক পৰ্হিহে পালোঁ।

সংসাৰ-গিয়ানি। এৰা, মই তাকে ভাবিচোঁ; লোকত জেনেকৈ ঘটিচে, সেই দৰে তোমাতো ঘটিল; সিঁহতৰ সক্তিৰ বাহিৰে জি ওখ গধুৰ কথা, তাক পৰ্হিব খোজাত তোমাৰ দৰে চিন্তাকুলত পৰে; পাচে সেই চিন্তাকুলেই মানুহক অমানুহ কৰে, জেনেকৈ তোমাকো কৰা দেখিচোঁ; আৰু তাত বাহিৰে জিহকে নে জানে, তাক পাবৰ নিমিত্তে সকলো বিধ সঙ্কটৰ নিৰাস্রইলৈ খেদাইচে।

খ্রিষ্টিয়ান। মই জিহকে পাব খোজোঁ, তাক জানোঁ; এই গধুৰ বোজাৰ পৰা জিৰনিহে বিচাৰোঁ।

সংসাৰ-গিয়ানি। কিন্তু এই জি বাটত এইমান সঙ্কট আচে, তাতেই কিয় জিৰনি বিচাৰা? কিয়নো মোৰ কথা সুনিবলৈ তুমি সহিব পৰা হলে, তেন্তে জিহকে ইচা কৰা, এই বাটৰ সঙ্কটত ন পৰাকৈ তাক পাবলৈ মই উপাই বুজাব পাৰিলোঁহেঁতেন। অকল এইটেই ন হই, তোমাৰ ওচৰতে উপাই

আচে; তাৰেই সেই আটাই আপদৰ হাত সাৰি, তুমি অতি কুসল, মিতিৰৰ চেনেহ, আৰু সান্তনা পোআ হবা।

খ্রিষ্টিয়ান। মিনতি কৰিচোঁ, আতা, সেই গোপনিয় কথা মোক বুজাই দিওক।

সংসাৰ-গিয়ানি। তেনে হলে সৌ খিত্তে নিতি নামে জি গাঁও আচে, তাত বিধান-সিখ্যক নামেৰে এক মহাজন থাকে; তেঁও গিয়ানৱন্ত, জসস্যা পোআ, আৰু তোমাৰ ভাৰৰ নিচিনা জি বোজা, তাক মানুহৰ কানৰ পৰা গুচাবলৈ তেঁও সমৰ্থ; ময়ো দেখিলোঁ, তেঁও এই ৰুপে লোকক ভালেমান হিত কৰে। তাত বাজে ভাৰত জিবোৰৰ মন বিগিয়ান হৈ গৈচে, সিইঁতকো স্বস্ত কৰিবলৈ তেঁও নিপুন। মই কোআৰ দৰে তেঁওৰ ওচৰলৈ গৈ এতিয়াও উপকাৰ পাব পাৰা। তেঁওৰ ঘৰ এডাঁৰতকৈ দুৰ ন হই; তেঁওক জদি ঘৰত নো পোআ, তেন্তে সুঅলা নামে তেঁওৰ এজন সুঅনি ডেকা পুতেক আচে; তেঁও বাপেকেৰে প্রায়ে সমান কৰিব পাৰে। মই কৈচোঁ, সেই ঠাইতে ভাৰৰ পৰা মূকলি হবা; পাচে জদি তুমি আগৰ নিবাসি ঠাইলৈ জাবলৈ ভাল নে দেখা, আৰু ময়ো তালৈ পাঁচিবলৈ মন ন কৰোঁ, তেন্তে এই গাঁৱলৈ আহিবৰ নিমিত্তে তুমি লৰা তিৰোতালৈ বাত্রা দিবা; সুদা ঘৰ অনেক আচে, তাৰ এটা সাস্তা ৰুপে ভেৰন দি লব পাৰিবা। সেই খন গাঁৱত খোআ বোআৰো সাস্তা আৰু উত্তম; আৰু তাতকৈও জিহেৰে তোমাৰ দিনৰ সুখ সাধ্য হব, তোমাৰ সকলো চুবুৰিয়াবিলাক ভদ্র লোক, সুখিয়াতি আৰু সদ আচাৰ প্রৱৰ্ত্তা মানুহ হব।

এই কথা সুনি খ্রিষ্টিয়ান সংসয়ত পৰি কিছু কাল ৰৈ থাকি, পাচে থিৰ কৰি মনতে বুলিলে, এই জন মহন্ত লোকে জি কৈচে, সেয়ে জদি স্বৰুপ হই, তেন্তে তেঁওৰ বুধি লোআ মোৰ ভাল। ইয়াকে ভাবি আকও তেঁওত এই ৰুপে সুধিলে, বোলে, আতা, সেই উত্তম লোকৰ ঘৰলৈ কোন পোনে বাট?

সংসাৰ-গিয়ানি। সৌআ কিছু ওখ ঢোকা পৰ্বত দেখিচা নে?

খ্রিষ্টিয়ান। হই, ভালকৈ দেখিচোঁ।

সংসাৰ-গিয়ানি। বাৰু, সেই পৰ্বতৰ দাঁতিএই জাব লাগে; প্রথমতে জি ঘৰ পাই, সেয়ে।

এতেকে খ্রিষ্টিয়ান আপোনাৰ পথৰ পৰা একলিয়া হৈ, উপকাৰ পাবৰ নিমিত্তে স্রিজুত বিধান-সিখ্যকৰ ঘৰলৈ জাবলৈ ধৰিলে; কিন্তু দেখা, জেতিয়া পৰ্বতৰ ওচৰ পালে, তেতিয়া তাক বৰ ওখ জেন দেখে; আৰু বাটৰ ওচৰে জি ফাল আচিল, সি অতি আহুনিয়া গৰা, আৰু তাৰ মূৰত পৰে বুলি ভই লাগি, খ্রিষ্টিয়ানে আৰু জাবলৈ সাহ নে পাই, কি কৰিম বুলি নে জানি থোহ মোহকৈ থিয় হৈ থাকিল। আৰু তেতিয়া তাৰ বোজা আগতকৈও গধুৰ জেন বুজে; আৰু পৰ্বতৰ পৰা জুইৰ সিখা ওলোআত, সি পোৰে বুলি বৰ ভই কৰিলে; তাতে খ্রিষ্টিয়ানৰ গাৰ ঘাম ওলাবলৈ ধৰি সি কঁপি



কঁপি আছিল। তেতিয়া সংসাৰ-গিয়ানিৰ আলচ লোআৰ কাৰনে তাৰ মনত বৰ খেদ হৈছিল। এনে সময়ত উপদেসকক তালৈ পোনাই ওচৰলৈ আহিবৰ দেখিলে, তেঁওক দেখি খ্রিষ্টিয়ানৰ মুখ লাজেৰে তেজ জেন ৰঙ্গা হৈ গল। পাচে উপদেসক ক্রমেৰে চাপি চাপি তাৰ ওচৰ পালত গম্ভিৰ আৰু ভয়ানক বদনেৰে তালৈ চাই, তাৰ দোস বুজাবলৈ ধৰি বুলিলে, এই ঠাইত কি কৰা, খ্রিষ্টিয়ান?

সেই কথা সুনি খ্রিষ্টিয়ানে কি উত্তৰ দিম, তাক নে জানি বোবা হৈ থাকিল। তেতিয়া উপদেসকে আৰু বুলিলে, মই জি মানুহ বিনাস নগৰৰ গৰৰ বাহিৰে কান্দি থকা দেখিলোঁ, তুমি সেইটো নো হোআ নে?

খ্রিষ্টিয়ান। হই, প্রিয় আতা, সেই মানুহ মইও।

উপদেসক। সেই সৰু দুআৰলৈ মই তোমাক বাট দেখুউআ নাই নে?

খ্রিষ্টিয়ানে বোলে, হই, প্রিয় আতা।

উপদেসক। তেন্তে কি কাৰনে এইমান বেগতে বাটৰ পৰা একলিয়া হৈ গৈছা? কিয়নো এইটো তোমাৰ বাট ন হই।

খ্রিষ্টিয়ান। নিৰ্ভাৰসা দলদলনি পাৰ হলত এজন মহন্ত লোকৰ লগ পালোঁ: সমুখে থকা গাঁৱত মোৰ বোজা গুচাৰ পৰা এজন লোক পোআ জাব বুলি, মোক এই কথা বুজাই পতিওআলে।

উপদেসক। সেই জন কেনে মানুহ?

খ্রিষ্টিয়ান। এজন মহন্ত লোক জেন দেখোঁ; মোক সৰহ কথা কৈ, সেসত তাৰ বুধি লবলৈ মোৰ বিস্বাস কৰালে, এই হেতু এফেলৈ আহিছোঁ; কিন্তু এই পৰ্বত পাই, বাটৰ ওপৰত গৰাৰ সিল এই দৰে ওলমি থকা দেখি, মোৰ মুৰত পৰিব জেন বুজি একে বেলিএ থমকি ৰলোঁ।

উপদেসক। সেই মহন্তে তোমাত কি কলে?

খ্রিষ্টিয়ান। তই কলে জা, এই কথা মোত সুধিলে, ময়ো তাকে কলোঁ।

উপদেসক। আৰু তাত বাজে নি কি কলে?

খ্রিষ্টিয়ান। পাচে তোৰ লৰা চোআলি আছে নে নাই, ইয়াক সোধাত মই তাকো কলোঁ; কিন্তু মোৰ পিঠিত থকা ভাৰৰ কাৰনে আগৰ নিচিনাকৈ সিবিলাকত সন্তোস নে পাঁও বুলি কৈছোঁ।

উপদেসক। পাচে আৰু কি কলে?

খ্রিষ্টিয়ান। মোৰ ভাৰৰ পৰা মুক্তি পাবলৈ বেগতে উপাই কৰিব দিছে; তাতে মই কলোঁ, তাৰ পৰা জিৰনি পাবলৈ মোৰ ইচাহে; আৰু মুক্তিৰ ঠাইলৈ কি ৰুপে জাব পাৰিম, এনে সিখ্যা পাবৰ নিমিত্তেহে মই সৌ খন সৰু দুআৰলৈ জাবলৈ ধৰিছোঁ, ইয়াকে মই তাক বুলিলোঁ। তেতিয়া আপুনি মোক জি বাটত জাব দিলে, সেই বাটতকৈ উত্তম, চমু, আৰু এইমান আপদ ন থকা এটা বাট দেখুআম বুলি মোত কলে; আৰু জি মহাজনে এনে ভাৰ গুচাব জানে, তেঁওৰ ঘৰলৈ এই বাট পোনাইছে বুলি কলে। তাতে তাৰ কথা পতিয়াই বেগতে ভাৰৰ পৰা জিৰনি পাঁও কি চাঁও, এই আসাৰে সেই বাটৰ পৰা একলিয়া হৈ এই বাটত সোমালোঁ; কিন্তু এই ঠাই পোআত ইয়াৰ কথা জি ৰুপ হৈছে, তাক সত্য ৰুপে জানি, মই আগেয়ে কোআৰ দৰে আপদৰ ভয়ত থমকি ৰলোঁ; কিন্তু এতিয়া মই কি কৰিব লাগে, তাক নে জানোঁ।

তেতিয়া উপদেসকে কলে, তুমি কিচু কাল ৰবা, মই তোমাত ইস্বৰৰ কথা বুজাম। তাতে খ্রিষ্টিয়ান থিয় হৈ কঁপি কঁপি ৰৈ থাকিল। পাচে উপদেসকে কলে, সাৱধান হোআ, তোমোলাকে উপদেস দিয়া জনৰ কথা সুনিবলৈ বিমুখ ন হবা; কিয়নো প্রিথিবিত থকা উপদেসকৰ কথা সুনিবলৈ বিমুখ হোআবিলাকে জদি নে সাৰিলে, তেন্তে স্বৰ্গৰ উপদেসকৰ পৰা বিমুখ হলে, আমি সিহঁতকৈ কিমান নিচয়েৰে নে সাৰিম! আৰু ইয়াকো কলে, পুন্যৱন্ত জন আপোনাৰ বিস্বাসৰ দোআৰাই জিব; কিন্তু ধৰমৰ পৰা জদি উল-

টে, তেন্তে সেই জনত মোৰ আত্মাই সন্তোস ন হব। আৰু সেই কথাৰ অৰ্থ তাৰ সাৰ পেলাই এই ৰূপে বুজালে; জি মানুহে এনে দুৰাৱস্থালৈ খেদি নৈগেচে, সেই জন তুমি-এই; সৰ্ব্বোপৰি জনৰ আদেস হেলা কৰিবলৈ আৰম্ভন কৰিলা; আৰু কুসলৰ পথৰ পৰা তোমাৰ ভৰি হেহোকাই নিৰান্ত তুমি প্ৰায়ে আপোনাৰ বিনাসৰ সঙ্কটত পৰিলা।

তেতিয়া খ্ৰিষ্টিয়ান মৰাৰ দৰে তেঁওৰ ভৰিত পৰি কান্দি কান্দি বুলিলে, হাই হাই, সাও পোআ জি মই, মই সৰ্ব্বনাস হলোঁ! ইয়াকে দেখি উপদেসকে তাৰ সোঁ হাতত ধৰি তুলি তাক বুলিলে, মানুহবিলাকৰ সকলো বিধ পাপ আৰু নিন্দা সিহঁতলৈ খেমা হব; অবিস্বাসি ন হৈ বিস্বাসি হোআ। তেতিয়া খ্ৰিষ্টিয়ানে একেৰিমান পুনৰ উসাহ লৈ উঠি, আগৰ দৰে উপদেসকৰ ওচৰত থিয় হৈ কঁপি আচিল।

তেতিয়া উপদেসকে আৰু বহাই কলে, জি কথা মই তোমাত কওঁ, তালৈ অতি সাৱধানে মন দি সুনা। জি মানুহে তোমাক ভুলালে, সি কোন, আৰু জি মানুহলৈ তোমাক পঠালে, সেই জনো কোন, ইয়াকে তোমাত বুজাম। জি জনে তোমাক লগ পালে, সি সংসাৰ-গিয়ানি। তাৰ এই নাম স্বৰূপ; কিয়নো সংসাৰৰ ভাৱে জি উপদেস, সি তালৈহে মন দিএ, সেই কাৰনে গিৰ্জা কৰিবৰ নিমিত্তে সদাই নিতি গাঁৱলৈ জাই। আৰু সেই সংসাৰিক উপদেসে পেৰেঙ্গনি অৰ্থাত প্ৰভুৰ প্ৰাচিত্তৰ কথাৰ পৰা মানুহক একআই দেখি, তাক ভাল পাই; এই হেতুকে তাৰ সংসাৰিক মন হোআত মোৰ স্বৰূপ ধৰম পথক লুটিয়াবলৈ জতন কৰে। সেই মানুহৰ আলচত তুমি অতি ঘিন কৰিব লগা তিনটা কথা আচে; ১, বাটৰ পৰা তোমাক আঁতৰোআ; ২, পেৰেঙ্গনিলৈ তোমাৰ মন অনিচা কৰাবলৈ জি জতন; ৩, মৰন জনমোআ নিয়মলৈ পোনোআ বাটত তোমাৰ ভৰি ঘুৰাই চলোআ।

প্ৰথমতে। সি বাটৰ পৰা তোমাক জে আঁতৰালে, তাৰ এনে কৰম ঘিন কৰিব লগা; অকল সেয়ে ন হই, তুমি জে সম্মত হৈচিলা, তাকো ঘিন কৰিব লাগে; কিয়নো সেই কৰম কৰাত তুমি সংসাৰ-গিয়ানি মানুহৰ কথাৰ নিমিত্তে ইস্বৰৰ কথা তিয়াগ কৰিলা। প্ৰভুএ কৈচে, ঠেক দুআৰে দি সোমাবলৈ জতন কৰা; মই জি সৰু দুআৰ দেখালোঁ, সেইটো; কিয়নো জি দুআৰ আৰু বাটে দি পৰম আয়ুসলৈ জাই, সেই দুআৰ দুৰ্গম, বাটো ঠেক, আৰু তাক পোআ মানুহ তাকৰ। সেই সৰু ঠেক দুআৰ, আৰু তালৈ জোআ বাট, দুইবো পৰা সেই দুষ্ট মানুহে তোমাক আঁতৰাই সৰ্ব্বনাসৰ কাসবলৈ আনিলে; এতেকে তাৰ আঁতৰোআ কৰম ঘিন কৰা, আৰু তুমি তাৰ কথা সুনাত আপোনাকো ঘিন কৰা।

দুতিয়তে। তোমাৰ মন পেৰেঙ্গনিলৈ অনিচা কৰাবলৈ তাৰ জি জতন, তাকো ঘিন কৰিব লগা; কিয়নো মিচৰ দেসৰ সকলো সম্পত্তিতকৈও তাক প্ৰিতি কৰা আৱস্যক। তাত বাজে সকলো ঐস্বৰ্জ্যৰ ৰজাই তোমাত কৈচে, জি কোনোএ আপোনাৰ প্ৰান ৰাখিব খোজে, সি তাক হেৰুআব; আৰু কোনোএ জদি মোৰ ওচৰলৈ আহি আপোনাৰ বাপেক, মাক, তিৰোতা, লৰা, ভাই ভনিবিলাক, আৰু আপোনাৰ প্ৰানকো অপ্ৰিয় বুলি নে মানে, সি মোৰ সিস্য হব নোআৰে। এই হেতুকে সত্য জনাই জিহৰ অৰ্থে কৈচে, তাৰ বাহিৰে তুমি পৰম আয়ুস নোপোআ, তাৰেই তোমাৰ মৰন হব, এনে উপদেস জদি কোনো জনে তোমাক লোআব খোজে, তেন্তে তুমি সেই উপদেস আৱস্য ঘিন কৰিব লগা, ইয়াকে মই কৈচোঁ।

ত্ৰিতিয়তে। মৰন জনমোআ নিয়মলৈ জি বাট পোনাইচে, সেই বাটত তোমাৰ ভৰি ঘুৰাই নিয়াকো ঘিন কৰিব লাগে। এই কথা বুজিবৰ নিমিত্তে সি জি জনৰ ওচৰলৈ তোমাক পঠিলে, সেই জন কোন, আৰু

তোমাৰ ভাৰ গুচাবলৈ সি কেনে অসমৰ্থ, তাক বিবেচনা কৰা।

জিবনি পাবৰ নিমিত্তে জি জনলৈ তোমাক পাঁচিলে, সি বেটিৰ গৰ্ভত ওপজা জন; সেই বেটি এতিয়ালৈকে আপোনাৰ লৰাইঁতে সৈতে বন্দি হৈ আছে; উপমাৰ দোআৰাই সেই তিৰিৰ অৰ্থ, এই জি চিনই পৰ্বত তোমাৰ মূৰত পৰে বুলি ভই কৰিলা, তাকে বুজাই। তাই আৰু লৰাইঁতো জদি বন্দি হৈ থাকে, তেন্তে সিইঁতৰ দোআৰাই তুমি মুকুত হব পাৰিম বুলি কেনেকৈ আসা কৰিচা? এই হেতুকে ভাৰৰ পৰা মুকলি কৰিবলৈ এই বিধান-সিখ্যকৰ সাধ্য নাই। এতিয়ালৈকে কোনো মানুহ তেঁওৰ দোআৰাই কেতিয়াও মুকলি হোআ নাই, আৰু আগলৈকো হবলৈ অসম্ভাও। বিধানৰ কৰমেৰে পাপৰ ভাৰ গুচাব নোআৰা; কিয়নো বিধানৰ কৰমৰ দোআৰাই কোনো প্ৰানি পুন্যৱন্ত লিখা হব নোআৰে। এই হেতুকে সেই সংসাৰ-গিয়ানি মহন্ত এটা পৰ দেসি লোক, আৰু বিধান-সিখ্যক মহাজন হলে সি ভাঁৰি কোআ, তাৰ পুতেক সুঅলাও কপটিয়া, তোমাক উপকাৰ কৰিব নোআৰে। মোৰ কথা পতিয়াবা; সেই অগিয়ানি মানুহবিলাকৰ জি জি ডাঙৰ কথা সুনিলা, সেই সকলো কথা একো ন হই; মই দেখুউআ পথৰ পৰা তোমাক ওলটাই, পৰিত্ৰান হেৰুআবলৈ তোমাক ভুলাবৰ উপাই মাথোন কৰিচে। এই ৰূপে কৈ এঁটালত তেঁওৰ কথাত প্ৰমান হবৰ নিমিত্তে আকাসলৈ বৰ মাতেৰে ৰিঙ্গিয়াই আজ্ঞা কৰিলে; তেতিয়া ওপৰে থকা পৰ্বতৰ পৰা জিহেৰে খ্ৰিষ্টিয়ানৰ গোটেই গাৰ নোম সিয়ৰিলে, এনে অগ্নি আৰু আকাসি বানি ওলাল। জি মাত সুনা গৈচিল, তাৰ বচন এই; জিবিলাক বিধানৰ কৰমৰ অধিন, সেইবিলাক সাও পোআ হই; কিয়নো এনে লিখা আছে, বিধানৰ পুথিত লিখা জি কৰম, সেই সকলো কৰম জি জনে নিচিদ্ৰ ৰূপে পালন ন কৰে, সি সাও পোআ হই।

এই সকলো কথা সুনি মনৰ বাহিৰে আন একোলৈ এসা ন থকাত খ্ৰিষ্টিয়ানে বৰ সোকেৰে কান্দিবলৈ ধৰিলে; আৰু জি কালত সংসাৰ-গিয়ানিৰ লগ পাইচিল, সেই কালকে সাও দি তাৰ কথা সুনাৰ কাৰনে আপোনাক বলিয়াতকৈ এহেজাৰ গুন অগিয়ানি বুলিলে; আৰু সেই মহন্তৰ জি কথা কেৱল সংসাৰিক স্বভাৱৰ পৰা কলে, সেই কথাই জে তাক সত্য পথৰ পৰা ওলোটোআব পাৰিচিল, ইয়াকে মনত ভাবি অতি লাজ পোআ হল। তাৰ পাচে সি আকও উপদেসকত মাত লগাই এই ৰূপে সুধিলে।

খ্ৰিষ্টিয়ান। হে আতা, আপোনাৰ মনে কি ধৰে? মই এসা কৰিবৰ ঠাই আচে নে? আৰু এতিয়া উলটি গৈ সেই সৰু দুআৰত সোমাব পাৰিম নে; নাইবা মোৰ এই অপৰাধৰ কাৰনে মোক তিয়াগ কৰি, লাজ দি তাৰ পৰা ওভোতাই খেদাব? এই মানুহৰ আলচ সুনাত মই মনত বৰ খেদ কৰিচোঁ; কিন্তু মোৰ পাপ খেমা হব পাৰিব নে?

তেতিয়া উপদেসকে কলে, তোমাৰ অপৰাধ বৰ ডাঙৰ হই; কিয়নো তুমি দুই পাপ কৰিলা; তুমি উত্তম পথ এৰিলা, আৰু তাত বাজে নিসেধ হোআ পথত গমন কৰিলা; তথাপি দুআৰৰ গৰাকিএ তোমাক গ্ৰহন কৰিব; কিয়নো মানুহবিলাকলৈ তেঁওৰ অতি অনুগ্ৰহ আচে। এই কথা মাথোন সোঁঅৰা, আকও জেন্ন একলিয়া নো হোআ, এই নিমিত্তে সাৱধান কৰা; কি জানি তেঁওৰ ক্ৰোধ অলপ মাথোন জলিলে, তুমি পথৰ পৰা নষ্ট হবা। তেতিয়া খ্ৰিষ্টিয়ান ঘুৰি উভতি জাবলৈ ধৰিলে; আৰু উপদেসকে তাক চুমা দি এবাৰ মিচিকাই, ইশ্বৰে তোমাক আসিৰ্বাদ কৰোক বুলি বিদাই দিলে। তেতিয়া সি বেগেৰে সৈতে জাবলৈ ধৰিলে; বাটত থকা কোনো মানুহত কথা ন কলে, আৰু কোনেও জদি তাত কিবা সোধে, তেও সি উত্তৰ কৰিবলৈ মন নি দিএ। নিসেধ হোআ ঠাইতে

জোআ এজনৰ নিচিনাকৈ গল; আৰু সংসাৰ-গিয়ানিৰ বুধিৰে চলিবলৈ জি বাট এৰি গৈচিল, সেই বাট আকও নে পাই মানে মোৰ ৰথ্যা পৰিল বুলি ভাবিব নোআৰিলে। ॥

ধৰমি চহৰিয়া এজনৰ বিবৰন।

The Pious Villager.

এটা মানুহে বিৰভুম জিলাৰ দখিন ফালে অজই নৈৰ পাৰৰ কোনো এখান সৰু গাঁৱত আচিল। হিন্দু কুলৰ খেতিয়ক ডোমৰ ঘৰত জনম পোআ হৈ, হিন্দু মতৰ দৰে দেও পুজা আদি কৰম অনেক দিনৰে পৰা কৰি আচিল। সেই সকলো হিন্দুৰ কৰমত জেতিয়া সি অতি পাৰ্গত হৈ গল, তেতিয়া পৰম ইস্বৰে আপোনাৰ পুৰ্বৰ গিয়ানৰ দৰে তাৰ বুৰি মাকক খ্রিষ্টিয়ান পথলৈ নিমন্ত্রন কৰিলে।

এতিয়া প্রথমেই সেই তিৰোতা মানুহৰ কথা অলপ লিখিম, তাৰ পাচতে সেই জনৰ কথা লিখা জাব। এই জগতলৈ পাপি লোকৰ ত্রান কৰ্তা এজন আহিচিল, সেই তিৰোতা মানুহে এই কথা আপোনাৰ দেসৰ কোনো এটা মানুহৰ মুখে সুনি, সেই ত্রান কৰ্তাত বিস্বাস কৰি পুতেক, জিএক, আৰু মিতিৰ কুটুম সকলোকে এৰিলে। আৰু কি খাম, কি পিন্ধিম, মই বুৰি বাঁৰি তিৰোতা মানুহ, মোক কোনে আৰ্জ্জি দিব, এইবিলাক একো চিন্তা ন কৰিলে। আৰু তেতিয়া সেই বিৰভুম জিলাত কোনো পাদুৰি চাহাবো নাই, পৰ্বতিবৰ কাৰনে কোনোবাই কিবা উপকাৰ কৰিব, এনে আসাও নাই কিচিল। এই সকলো চিন্তাৰ কাৰন থকাতো তাই সেই প্রভুত দ্রিঢ বিস্বাস কৰি তেঁওৰ পাচত জোআ হল।

সেই চহৰিয়া মানুহৰ বুৰি মাকে সেই ৰূপে খ্রিষ্টিয়ান ধৰম গ্রহন কৰিবলৈ ধৰিলত কিচু দিনৰ পাচে সি আৰু তাৰ বাপেক মাকেও হিন্দু ধৰম এৰিলে; বুৰি মাকৰ কাৰনেই হওক, বা ধৰম ভাবিএই হওক, তেও এই পথত জোআ হল। পাচে আপোন বেৱহাৰৰ মতে খেতি কৰি, আপোনাৰ পৰিয়ালক পুহি পালি আচিল। এই ৰূপে থাকোঁতে, শ্রীৰামপুৰৰ পৰা এজন পাদুৰি চাহাব গৈ সেই গাঁও পালেগৈ; তাতে কোনো কোনো লোকে কলে, চাহাব, তোমোলাকৰ মতৰ মানুহ গোটা চাৰেক এই গাঁৱতো আচে। তেতিয়া সেই পাদুৰি চাহাবে বিচাৰি সিইঁতক দেখা পাই, সকলোএ বৰ আনন্দিত হল; আৰু দুই তিন দিন সিইঁতে সৈতে থাকি, ইস্বৰৰ ভজন আৰু প্রাৰ্থনা কৰিলে; তাতে সিইঁতে ধৰমৰ অনেক সিখ্যা তেঁওৰ পৰা পোআ হল। তেতিয়া সেই মানুহে সৰু পুথি এখন পালে, তাৰ নাম প্রথম চৌত্রিসা, সেই পুথি তাৰ মন পালটনৰ কাৰন হল। সেই সময়ত সি ভালকৈ পৰ্হিব নোআৰিচিল, তথাপি সিকিবলৈ বৰ স্রম কৰিলে, অৰ্থাত স্রমেৰে দিনত খেতি পথাৰ কৰে, ৰাতি পৰ্হি থাকে; সেসতে পৰ্হিবলৈ তাৰ ইচা বৰকৈ বাৰ্হি জোআত, সি জেতিয়া পথাৰলৈ নাঙ্গল লৈ জাই, তালৈকে সেই সৰু পুথিও লগত লই; পাচে জেতিয়া আন মানুহবিলাকে নাঙ্গল এৰি খঁপাত থাবলৈ বহে, তেতিয়া সি পুথি পৰ্হে। এই ৰূপে ইস্বৰৰ অনুগ্রহতে তাৰ পৰ্হিবলৈ অলপ অলপ সক্তি হোআত, মনত সাহ পাই কেৱল ধৰম সাস্ত্র পৰ্হিবলৈ ধৰিলে; আৰু তাকে জিৱন দিয়া আহাৰ বুলি ভাবিলে।

খেতি কৰাৰ নিমিতে প্রাই অনেক দিনলৈকে খ্রিষ্টিয়ান লোক নো হোআকৈ সি অকলেই আপোনাৰ তিৰোতাই সৈতে পলি গাঁৱত আচিল। সেই ঠাইত থাকোঁতে জেনে আচাৰ বেৱহাৰ কৰিচিল, তাক অলপ লিখিম।

সি বৰ উদাৰ মানুহ, কপট বা চল কৰা কথা একো নে জানে; সকলোএ সৈতে অকপট ভাৱে বেৱহাৰ কৰে। আৰু তাৰ চাৰিও ফালে থকা দেও পুজক মিতিৰবিলাকে বোলে, এঁও বৰ হোজা মানুহ, কাকো একো ভাঁবি ন কই। গাঁৱৰ মাজত জেতিয়া ৰঙ ধেমালি, নাইবা নচা, গিত গোআ, বা বাজনা

ৰজোআ হই, সি তালৈ জাবৰ নিমিত্তে মানুহবিলাকে ৰবকৈ মাতেছি; তথাপি তালৈ জাওক চাৰি, সেইবিলাক কৰম জে নিচয়ে ইশ্বৰৰ আগত ঘিন লগা হই, ইয়াক জনাই, খেদ চিত্তেৰে সিইঁতৰ সেই কৰম জেন নষ্ট হই, এই কাৰনে স্বৰগত থকা পিত্ৰিৰ আগত প্ৰাৰ্থনা কৰে। আৰু উপজিবৰে পৰা মৰনৰ দিনলৈকে সি কোনো ৰাগি ধৰা ৰস্তু খোআ নাই।

বিস্ৰাম ৰাৰৰ দিন জেনেকৈ মান্য কৰা উচিত হই, সেই ৰূপে মান্য কৰে; আৰু সেই দিনা খেতিত চাহ কৰিবলৈ, নাইবা নাঙ্গলৰ ফাল খুআবলৈ, জুঁঅলি সজাবলৈ, কোৰ ধৰিবলৈ, নাইবা কাচি কুটাবৰ কাৰনে কমাৰৰ ঘৰলৈকে বা আন কিবা সৰু কৰম কৰিবলৈ কলৈকো নে জাই; অকল খ্ৰিষ্টিয়ান ভাইবিলাকে সৈতে ইশ্বৰক ভজিবলৈ এপৰ মান বেলিৰ বাট গৈ, আকও সেই বাটেই আপোনাৰ ঘৰলৈ উভতি আহে। জদি সেই দিনা খেতিৰ মাটি বেয়া হই, নাইবা আন কিবা হানিএই হই, তেও ইশ্বৰৰ আগ্যা উলংঘা ন কৰি ইশ্বৰক সাখ্যাতকৈ মানি তেঁওৰ সকলো কৰম কৰে। লোকক দেখুআবলৈ কিবা কপটেৰে কৰম কৰে, তেনে ন হই; কিয়নো সেই ৰূপে ভাল বেৱহাৰ ন কৰি, বা বিস্ৰাম ৰাৰক পালন ন কৰিলে, তাক বেয়া বুলিবলৈ কোনো খ্ৰিষ্টিয়ান লোক তাৰ ওচৰত নাই কিচিল; এই কাৰনে সি এজন ইশ্বৰলৈ ভই কৰোঁতা লোক আচিল, ইয়াক নিচয়ে জনা হল। আৰু তাৰ মুখৰ পৰা এনেহে প্ৰাৰ্থনা ওলাই, লোকে সুনা মাত্ৰকে ই একান্ত ভক্তিৰে সত্য প্ৰাৰ্থনা হই বুলি বুজিব পাৰে।

অনুমানে তাৰ বয়স ৩৫ বা ৩৬ বচৰৰ সময়ত সৰিলৰ ভিতৰত তাঁৰ কিবা ৰোগ এটা হৈছিল, তাক কোনো বেজে ঠিক কৰিব নোআৰিলে; কিন্তু সেই ৰোগতো তিনি চাৰি বচৰলৈকে সকলো কৰম কৰিব পৰা হৈ আচিল। পাচে লাহে লাহে বল হানি হলত মনৰ ভিতৰত চইতানে আহি এটা ৰৰ পৰিখ্যা এই ৰূপে কৰিচিল, তুমি জাক ভজিচা, তেঁওক তিয়াগ কৰা, কিয়নো এতে দিন হল, তেঁওৰ নামে একান্ত প্ৰাৰ্থনা কৰি থকাতো তেঁও তোমাক ভাল কৰিব নোআৰিলে। ৰৰ আচৰিত! সেই সমইতে তাৰ লগৰ এটা লোক আহি কলে, কিয় তুমি এই ৰোগত মৰিবলৈ ধৰিচা? অমুক ঠাইতে এটা ভুতৰ বেজ আচে, তেঁওৰ ওচৰলৈ জোআ, জি ৰূপে হেজাৰ হেজাৰ লোকৰ ৰোগ ভাল কৰিচে, তোমাৰো ৰোগ ভাল কৰিব। সি বুলিলে, তাক মই কোনো ৰূপে কৰিব নোআৰোঁ; জদি মোৰ এই ৰোগতে মৰন হই, তেও ভই ন কৰোঁ; কিয়নো মই জি জনক আস্ৰুই কৰিচোঁ, তেঁও প্ৰধান বেজ; তেঁওৰ জদি ইচা হই, এতিয়াই ভাল কৰিব পাৰে, জদি ইচা ন কৰেহে, তেন্তে মাৰি স্বৰগত আপোনাৰ ওচৰলৈ নিব। ভুতবিলাক ইশ্বৰ ন হই, অকল চইতানৰ বন্দি; মই জানিচোঁ, অকল য়িচু খ্ৰিষ্টে মোৰ পাপৰ পৰা মোক ৰখ্যা কৰিচে; তেঁওৰ বাহিৰে কাৰো ওচৰলৈ মই নে জাঁও, তেঁওক মই পাইচোঁ, অকল তেঁওৰ ওচৰতে থাকিম। জেতিয়া সৰিয়া টান হল, তেতিয়া সি আপোনাৰ ৰৰ পুতেকক ধৰম সাস্ত্ৰ পৰ্হিবলৈ আৰু প্ৰাৰ্থনা কৰিবলৈ আগ্যা কৰিলে। আৰু মৰনৰ দুই তিনি দিনৰ আগেএ আপোনাৰ তিৰোতাক মাতি বুলিলে, তুমি মোৰ এনা এৰা, মোৰ কাৰনে মনত দুখ ন কৰিবা; সকলোকে ইশ্বৰত সোধাই দিয়া; মোৰ একো ভই নাই, মনত সান্তনা পাই আচোঁ; তোমাৰ আৰু লৰাবিলাকৰ প্ৰতিপাল ইশ্বৰে কৰিব। এনে অনেক কথা আপোনাৰ মৰনৰ কালত কলে; তাৰ সৰহকৈ মনত পৰা নাই; আৰু জি পত্ৰত তাৰ মৰনৰ কথা লিখিচিল, সেয়ে হেৰাল।

সেই জনে প্ৰভুৰ পথত অন্তলৈকে থিৰে থাকি, ইঙ্গৰাজি ১৮৪৬ সঁকৰ ১১ আগষ্টত প্ৰভুত মহা সয়ন কৰিলে। ই. হ. ৰ.

কিৰ্পিনৰ পটন্তৰ ।

The Miser.

এটা কিৰ্পিন ধনৱন্ত মানুহে বাপেকৰ কালৰ অনেক ধন পাই, সেই ধনৰ লগত আৰু সৰহকৈ ধন গোটাম বুলি, খেতি কৰি তাৰ উত্পন্ন ধান, মাহ, আৰু সৰিয়হ, কুঁহিয়াৰ, তামোল, পান, এই সকল বেচি, অনিয়ায়েৰে বেপাৰ কৰিও অনেক ধন পালে; আৰু মন বাৰ্হি জোআত ক্ৰমেৰে খেতিও সৰহকৈ কৰিলে । তাৰ উত্পনো সৰহ হলত সি আগতকৈও কিৰ্পিন হল; খেতিৰ বস্তু খুজিলে কাকো একো নি দিএ, আৰু যাপুনিও সৰিলত খোআত দুখ দিব ধৰিলে; দিন মুৰি এসাঁজ মাখোন খাই, এই ৰুপে কষ্ট কৰি অনেক ধন সাঁচিলে । পাচে বুৰা হৈ ধন আৰ্জিব নোঅৰা হলত সেই আগৰ থকা সকলো সৰহ ধন পাট সাদ এটা কৰি তাতে সুমাই পুতি থলে । পাচে সি নিতৌ নিতৌ সেই ধন পোতা ঠাই চাই চাই, মোৰ এতেক ধন আচে বুলি অহঙ্কাৰ কৰি মন তুষ্ট হৈ থাকে । পৰে এক দুষ্ট চোৰে তাত ধন থকা গম পাই, লগৰ চোৰ মাতি লগ লৈ আহি, ৰাতি সেই ধন আটাইবোৰ খানি নিলে । পাচ দিনা পুআ গৰাকিএ সেই ধনৰ ঠাই চাই ধন নিয়া দেখি মনত বৰ দুখ পাই চাঁচ কৰে, মাটিত পৰি কান্দি কান্দি বৰ সোকেৰে বলিয়া জেন হৈ থকাত তাৰ মিতিৰ মানুহ আহি বুজনি দি অলপ স্বস্থ কৰি থলে । তেও সি আকও সেই ধনৰ সোকেৰে নে খাই কান্দি কান্দি থকাত মৰিব লগা হল । পাচে গাঁৱৰ গিয়ানি বিৰিধ লোক এজন আহি কলেহি, বোলে, তুমি কিয় সোক কৰি কৰি কান্দি থাকা? সেই ধনেৰে নো তুমি কি কৰিচিলা? পোতা ধনৰ ওপৰৰ ঠাইত, ইয়াতে ধন আচে বুলি চাই মাখোন আচিলা; এয়েৰে এতিয়াও ইয়াতে ধন আচে বুলি, এই তোমাৰ ঠাইকে আগৰ দৰে চাই মন তুষ্ট কৰি থাকিবা ।

জি মানুহে এই ৰুপে অনিয়ায়েৰে ধন আৰ্জে, আৰু কিৰ্পিনালিকৈ ধন খৰচ ন কৰি পুতি থই, সেই মানুহৰে আৰু ধন নাই কিয়া দৰিদ্ৰৰে একো ভিন নাই ।

পুৰনি অসম বুৰঞ্জি, নং ৭ ।

Dihingia Roja—War with the Kacharis.

লাকুনি প্লেকচিঙ্গা (৩৫) সঁকত ফুক্লইমুং নৰা ৰজা আহি বৰ দেৰলিয়াৰ গাঁৱত আমাৰ লোকক ৰন ধৰিলেহি; দেও ঘৰৰ তিনটা মানুহ মাৰিলে, প্লাইলুম নামে হাতি এটা লৈ গল । পাচে ফাচেনমুন বৰ গোহাঁয়ে এই কথা ৰজা দেৰলৈ জনাই পঠালে । পাচে ৰজা দেৰে এই কথা সুনি, খাওমুং চেনৰং, ত্যাওচুংলুং কুংৰিন ৰুংচেঙ্গ, এই তিনিক এহেজাৰ মানুহ দি পঠালে; ৰজা দেৰে পাচত গৈ ৰুৰুমত এৰে ঠাই হলগৈ; ফুক্লইমুঙ্গে হাতিএৰে আহি ৰন ধৰিলেহি । খাওমুং খামজাং, ফাতৰু পাকতুংখাম, এই দুয়ে ফুক্লইমুঙ্গৰ লগত খেম কৰিলেহি । আমাৰ লাহচুঙ্গে আগ বাৰ্হি গৈ, ফুক্লইমুঙ্গলৈ জাঠি মাৰিলে, তাৰ পিঠিত লাগি জাঠি পৰিল; আমাৰ লাহচুঙ্গক কাটিলে । ত্যাঙ্গিচু, লাচামৰাক, লাচামজই, এই তিনি বাপেক পুতেকে ভেঁটি ধৰি ঘোঁৰা খুঁচি মাৰিলে । এই মানে ফুক্লইমুং নৰা ৰজা জুধ এৰি আমাৰ চুহুংফা দিহিঙ্গিয়া ৰজা দেৰলৈ ফুচেনতৌ কটকিক পঠাই প্ৰাৰ্থনা কৰিলে, বোলে, মোৰ ভনি নাংখামডেঙ্গকো দিম, ঘোঁৰা দুটাও দিম । এই বুলি নৰা কটকিক পঠালে; পাচে নৰা আহি এই ৰুপে জনালতহি ৰজা দেৰে চৌখাম কৰি সোধাই নৰাক বিদাই দিলে । নৰা গৈ তাৰ ৰজাত কলতগৈ, পাচে নৰা ৰজা ভনিএক নাংখামডেঙ্গক, ঘোঁৰা দুটাই সৈতে চুহুংফা দিহিঙ্গিয়া ৰজা দেৰলৈ ফুচেনতৌ, ফুনমুং, এই দুইক কটকিৰ হাতত দি পঠালে । লাকুনি কাতমুত সঁকত ফুনমুং, ফুচেনতৌ, এই দুই কটকি আহি কন্যাকে ঘোঁৰাকে দি ৰজা দেৱক সেৱা কৰিলেহি ।

পাচে ৰজা দেৱে দিলে ফুক্লুইমুং নৰা ৰজালৈ নাংথামপট নামে কন্যা এজনি, দন্তাল হাতি ২ টা, ৰূপৰ চুলাৰে জাপি ২ টা। পাচে ৰজা দেৱে আহাৰৰ দিনত দিহিঙ্গলৈ আহি লাকুনি থুতচান (৩৮) সঁকত ত্যাওচুংলুং কুংৰিন, কংচেঙ্গক থাওমুংমুংতাই নাম দি সকলোৱো আগত ৰহিব দিলে; জাতত এই ঘৰ মিৰি। থাওমুং বানমুঙ্গক কেওথুন থাওমুংক্লাং নাম দি দিহিঙ্গিয়া বৰ গোহাঁই পাতি দিহিঙ্গতে থলে। চেংপিমক, চুংকংৰিনক, এই দুইক সমে দিলে, ত্যাপেত থামপিনক বানলুং নাম দিলে। আমোনৰ সেন পথত ৰজা দেও বাপেক পুতেক দুয়ে কচাৰিক জুধ কৰিবলৈ গল। থাওমুংচেনবং, থাওমুং ক্লিংথাম, এই দুইক আগ কৰি পঠালে; পাচে নামতি নদিএ উজাই গৈ কচাৰিৰ বৰ দুআৰ পালেগৈ। থাওমুং মুংতাও, থাওমুং মুংক্লাং, এই দুইক পানি ঘাটে গৈ বেৰিব দিলে; কচাৰিৰ ইটাৰ গৰৰ কাথৰত গৰ বান্ধিব দিলে। পাচে সমস্তে গৈ গৰ বান্ধি এঁটাই ৰজা দেও বাপেক পুতেকক আগ বাঢ়ি নিলেহি। পাচে ৰজা দেৱে গৈ মৰঙ্গিত ৰলগৈ। চুলেং চাৰিঙ্গিয়া গোহাঁই দেৱে, চুখ্রেং সৰু জনা গোহাঁয়ে, চুংমুং, কিংলুং, এই চাৰিএ দেৱৰ গাঁও পালেহি। ৰজা দেৱে মৰঙ্গিৰ পৰা ধনসিৰিএ ভটিয়াই বৰ নদিএ উজাই সকলোএ দেৱৰ গাঁৱতে এঠাই হল। চুলেং চাৰিং ৰজাও, চুখ্রুং সৰু গোহাঁয়ো, এঁওৰে পুতেক ত্যাওচাওৰায়ো, এই তিনিএ নাৱে উজাই আহি এঠাই হল। পাচে ৰজা দেৱে সেই ঠাইতে নাও এৰি কচাৰিক জুধ কৰিবলৈ গল। থাওমুংক্লাং প্লাইখুং হাতিত উঠি আগ হল; থাওমুংচেনবং মাথুন্দি হাতিত উঠি পানি কাথৰে গল; থাও মুংখেনতৌ প্লাইলিক হাতিত উঠি গল; ত্যাওচুংলুং, কিংলুং, এই দুয়ে হাতিত উঠি পানি কাথৰে গল। ৰজা দেৱৰ দুই পুতেক পানি বাটে ৰজাৰ লগতে গৈ টেমাবাৰি পাইগৈ অঙ্কৰাজ পালেগৈ। ৰাতি পুআ আগৰ কাঠকটিয়া গাঁও পালেগৈ; কচাৰিএ আহি বাটতে খেদি ধৰিলেহি। তাতে আমাৰ থুনতাইৰ পুতেক পৰিল, মানুহো দুকুৰি মান পৰিল; থাওমুং ক্লিংথামৰ গাত কাঁৰ লাগি হুহকি আহিল। পাচে কচাৰিএ জুধ কৰি আহি আগৰ কাঠকটিয়া গাঁও পালেহি; থাওমুং মুংক্লাং, থাওমুং চেনবং, থাওমুং ক্লিংথাম, এই তিনিএ জুধ ধৰিলেগৈ। কচাৰিএ জুধত বিস্তৰ কাঁৰ মাৰিলে, আমাৰ প্লাইথাং হাতিৰ চেঙ্গত কাঁৰ বিস্তৰ লাগিল। থাওমুং মুংতায়ে বাঁও ফালে বেৰি ধৰিলে, পাচে সকলো কচাৰি ভাগি গল, কিচু কচাৰি পৰিল। জুধৰ ঠাইতে ভাঙ্গৰিয়া সকলক থৈ ৰজা দেও প্লাইৰিন হাতিত উঠি দেৱৰ গাঁৱলৈ আহিল। গোহাঁই দেও সকলে নাৱে উজাই ৰজা দেৱৰ লগ ললেহি। পাচে ৰজা দেও গোহাঁই দেও সকলে দেৱৰ গাঁৱত এৰাতি থাকি নাৱে ভটিয়াই গল। ত্যাওচুংলুং কিংলুঙ্গৰ গৰৰ কাথৰত কচাৰিএ আহি গৰ দি ৰলহি। পাচে ৰজা দেৱে এই কথা সুনি থাওমুংতাই, থাওমুং চেনক, এই দুইক সোঁ ফালে পাঁচিলে; থাওমুং ক্লিংথাম, থাওমুং মুংক্লাং, এই দুইক বাঁও ফালে পাঁচিলে। পাচে সমস্তো লোকে দুই বাটে গৈ মৰঙ্গিৰ দেও ঘৰত বেৰি ধৰিলেগৈ। ত্যাওচুংলুংকিংলুঙ্গে নাও এৰি তৰে ধৰিলেগৈ। এনেতে কচাৰিৰ ডেকা ৰজাই ঘোঁৰাত উঠি ভাগি পলাই গল; কচাৰিৰ মানুহ পৰিল এহেজাৰ সাত স। পাচে আমাৰ লোক জন সহিতে ৰজা দেও বাপেক পুতেক দুই উজাই আহি নগৰ পালেহি। পাচে ৰজা দেৱে সকলোকো বঁটা ৰাহন দিলে।



অনেক দেসৰ সম্বাদ।


Journal of Events.

নামডাঙ্গ নৈৰ ওচৰত থকা ন পুখুৰিৰ চুকত কেতবোৰ ডাঙ্গৰ সাপে প্ৰাই দুই বচৰৰ পৰা দামুৰি আৰু গাহৰি পোআলি আদি খাই থকাত তাকে গাঁৱলিয়াবোৰে বুজ পাই ধৰি মাৰিবৰ নিমিত্তে অনেক দিন জতন কৰি থকাত তাৰে বৰ পানি মৰলি সাপ এটা গাঁতৰ ভিতৰত পাই এধা মৰাকৈ ধৰি বান্ধি চাৰি মানুহে সাঙ্গিকৈ ২৩ জানুআৰিত জিলালৈ আনিলে। সাপটো দিঘলে ১০ হাত, বেৰে এহাত চই আঙ্গুল আচে।

আঙ্গামি নগাৰ বন কৰি এঁটালত সেনা সেনাপতি সকলো ভিমাপুৰলৈ উভতি আহিল। সেস জুধত আঙ্গামিএ সাহ পাই, আমি ৰন কৰিবলৈ এসা কৰি বাট চাই আচোঁ; কম্পানি আৰু মনিপুৰিয়াই অনেক বেলি আমাৰ গাঁৱলৈ আহিচে, কিন্তু জুধ ন কৰে, এতিয়া জুধ কৰোক, ইয়াকে বুলি বাত্ৰা পঠালত শ্ৰীজুত সেনাপতিএ বৰ টোপেৰে গৈ সিইঁতক গুলিয়ালে। এডাঁৰ দুডাঁৰ বেলি সিইঁতে সাহ ৰূপে জুধ কৰি সিইঁতৰ ১০০ মান মানুহ পৰিলত আটাইবিলাক ভাগি গল। কম্পানিৰ মিতিৰ হোআ দুজন নগা মৰিল, আৰু কুলিএ হৈতে ৬ টা মান মানুহ খুন হল; চিপাহিবিলাকৰ কোনো ন মৰিল।

এই বচৰত ৰঙ্গপুৰ নগৰৰ মাটি বহু মানুহে খানি আগতকৈ ৰূপ, সোন, অলঙ্কাৰ, কাঁহ, পিতল, লো, এইবিলাক বস্তু সৰহকৈ ওলাইচে। প্ৰথমতে খানোঁতে সোনৰ অলঙ্কাৰ একলহ পাইচে, আৰু ১০০০ মান ৰূপ থকা একলহ্। জি মানুহে ৰূপ কলহ পালে, আনবিলাকে তালৈ লৰি গৈ ওপৰত পৰি ডিঙ্গিত গচক মাৰি কলহ ভাঙ্গি জোঁটা পুটি কৰি সকলকো কাহিঁ নিলে। পাচে গাঁৱলিয়াবিলাকে এই বাত্ৰা পাই চাৰিও ফালৰ পৰা আহি এঁহেজাৰ মান মানুহে খানিচে। এই দৰে গৰগাঁৱতো এমথাই গৈ খানি কুৰি কাঁহি দুটাৰ বাহিৰে একো নে পাই উভতি আহিল।

আমেৰিকা দেসলৈ নিবৰ নিমিত্তে এজন চহকি মানুহে লঙ্কা দিপত ফুৰি অনেক হাতি



কিনি জাহাজত তুলি জানুআৰি ১৮ তাৰিখত গাল নগৰৰ পৰা জাহাজ মেলি গল ।

ৰঙ্গপুৰ জিলাত ফেব্ৰুআৰি ২৩ তাৰিখত ১১॥ বজাত ভুঁইকঁপ গল ।

কলিকতা নগৰত ২ জানুআৰি তাৰিখত বৰফ অৰ্থাত পানি শিল বেচা ঘৰত নকচ নামে এজন ডেকা আমেৰিকান মানুহ আপোনাৰ শোআ খাটত মাৰি থোআ পালে । তাৰ গাত ১৫ । ১৬ দাৰ খোঁচৰ চিন আছিল । কাল ক্ৰমে ৪ জন আমেৰিকান জাহাজিক মানুহে ধনৰ চন্দুক চুৰকৈ নিবলৈ বিচাৰি, সেই মানুহে এঁটাহ পাৰে বুলি বধ কৰিলে, এই কথা নগৰত কোআ কুই কৰিলে । পাচে সেই ৪ জন মানুহ ধৰা হৈ বিচাৰ কৰ্তাৰ আগলৈ অনা হৈছিল; তাতে দোষ পোচ কৰাত বেৰি নামে সিবিলাকৰ মাজত জি জন ডেকা মানুহে নকচ চাহাবক বধ কৰিলে, তাক ফাঁচি দিবলৈ আগ্যা কৰিলে । তাক খেমা কৰি জনম ফাটক দিবলৈ পাদুৰি বোআজ চাহাব আদি ১৭০০ ইঙ্গৰাজি আৰু হিন্দু লোকে আৰ্জি লিখি নিবেদন কৰিলে; কিন্তু বিচাৰ কৰ্তাবিলাকে তাক কৰিবলৈ উচিত নে দেখিলে । পাচে ৩০ জানুআৰি তাৰিখত হেজাৰ হেজাৰ লোক গোট খাই চাই থাকোঁতে সেই বধ কৰাটক প্ৰান দণ্ড কৰা হল ।

বানাৰচ নগৰত ২৩ নৱেম্বৰত হন্তৰ নামে এজন চাহাবক জোঙ্গা কটাৰিৰে খোঁচাত এধা মৰা পালে । দিন চাৰেকলৈ জিয়াই থাকি কিছু স্বস্ত হৈ পাচে মৰিল; বধ কৰাবোৰ ধৰা ন পৰিল ।

মেদিনিপুৰ নগৰত থকা এজন ব্ৰাহ্মনে সি প্ৰবৰ্তা নিজিৰ নৰে কালি দেবিৰ আগত নৰবলি দিলে । পাচে লোকে সেই কথা ভু পোআত সি ধৰা পৰিল, আৰু তাক বিচাৰ কৰ্তাৰ আগলৈ নিলত তাক দোষ পোচ কৰি মানুহ বধিৰ প্ৰমান পাই, প্ৰান দণ্ড আগ্যা দিলে ।

ইংলণ্ড দেশত থকা শ্ৰীজুত উইলচন নামে সংস্কৃতৰ বৰ পণ্ডিত এজনে ৰিগ বেদ ভাঙ্গি ইঙ্গৰাজি ভাগাৰে চাপি দেশত চলাইচে ।

বৰ্নিঙ দিপৰ চাৰোআক দেসাধিকাৰ চেৰ জেমচ ব্ৰুক চাহাবে মহা ৰানিৰ আগ্যা পাই চিয়াম অৰ্থাত জিউতৰা দেশৰ ৰজাই সৈতে বেহা বেপাৰ কৰা জাহাজৰ নিৰ্বন্ধ কৰিবৰ নিমিত্তে বাঙ্কক ৰাজ নগৰলৈ গল । কিন্তু চিয়াম দেশৰ ৰজা ৰাজ মন্ত্ৰি আদি কৰি মান্তি ন হৈ নিৰ্বন্ধ ন কৰিলে । পাচে চাৰোআক দেসাধিকাৰ গলত চিয়ামৰ ৰজাই সংসই কৰি, ইঙ্গৰাজি জাহাজ আহি ৰন কৰে বুলি, ত্ৰিমুলি জোঙ্গা লোহাৰ অনেক অস্ত্ৰবিলাক জাহাজৰ বাট ভেঁটিবলৈ নদিৰ ভিতৰত পেলাই দিচে ।

মাৰ্চ, অৰ্থাত চতৰ পঞ্জিকা ।

Almanac for March, 1851.


মাৰ্চ	ফাগুন	বাৰ	দিনমান	চন্দ্ৰাং	মাৰ্চ	চৈত্ৰ	বাৰ	দিনমান	চন্দ্ৰাং
১	১৮	৭	১১।২৮	২৮॥	১৬	৩	১	১১।৫৪	১৩দ
					১৭	৪	২	১১।৫৫	১৪দ
২	১৯	১	১১।৩২	২৯॥	১৮	৫	৩	১১।৫৭	১৫দ
৩	২০	২	১১।৩৪	০দ	১৯	৬	৪	১১।৫৯	১৬দ
৪	২১	৩	১১।৩৫	১দ	২০	৭	৫	১২।০	১৭দ
৫	২২	৪	১১।৩৭	২দ	২১	৮	৬	১২।১	১৮দ
৬	২৩	৫	১১।৩৮	৩দ	২২	৯	৭	১২।৩	১৯দ
৭	২৪	৬	১১।৪০	৪দ					
৮	২৫	৭	১১।৪১	৫দ	২৩	১০	১	১২।৪	২০দ
					২৪	১১	২	১২।৬	২১দ
৯	২৬	১	১১।৪৩	৬দ	২৫	১২	৩	১২।৮	২২দ
১০	২৭	২	১১।৪৪	৭দ	২৬	১৩	৪	১২।৯	২৩দ
১১	২৮	৩	১১।৪৬	৮দ	২৭	১৪	৫	১২।১১	২৪দ
১২	২৯	৪	১১।৪৭	৯দ	২৮	১৫	৬	১২।১২	২৫দ
১৩	৩০	৫	১১।৪৮	১০দ	২৯	১৬	৭	১২।১৪	২৬দ
১৪	১	৬	১১।৫০	১১দ					
১৫	২	৭	১১।৫২	১২দ	৩০	১৭	১	১২।১৬	২৭দ
					৩১	১৮	২	১২।১৭	২৮দ

আমাবাস্যা ৩ তাৰিখৰ ৭।৩৩ পুআ বেলা । তাৰ মানিন ৰাতি চন্দ্ৰায়ু প্ৰায়ে ০দ চ পৰ হই ।

পুৰ্নিমা ১৭ তাৰিখ ৭।৩৭ ৰাতি ।

THE ORUNUDOI,

Printed and published by O. T. CUTTER, *at the Sibsagor Mission Press.*---N. BROWN, *Editor.*



৬ বচৰ। মোং সিৱসাগৰ, মার্চ, ১৮৫১। নম্বৰ ৩।


VOL. VI. SIBSAGOR, ASAM, MARCH, 1851. NO. 3.

নায়াগৰা আদি নদি পতন।

Account of celebrated Cataracts.

প্রিথিবিৰ ওপৰত জি ওখ পর্বত আছে, প্রাই আটাইবিলাক অতি পুৰনি টান সিলৰ হই। কোনো ঠাইত মাটিৰ তলে পুৰনি সিল থাকে, কোনো মাটিৰ সিল নয়া; এই ৰূপে ভুমি বিধ বিধ আছে। পর্বতত থকা জি পুৰনি সিল ওখ হৈছে, তাৰ পৰা জান আদি নদিবিলাক বৈ জাঁওতে খিয় গৰা পালে একে বেলিএ বৰ সৰদেৰে হুৰ হুৰাই পৰে; আৰু বৰ বেগেৰে জোআত তলৰ মাটি খানি কুই পাতে। এই ৰূপে নদি খিয় গৰাৰ পৰা একে বেলিএ পৰাক নদি পতন বোলে। এনে পতন অনেক ঠাইত আছে; কিন্তু আটাইৰে মাজত নায়াগৰা পতন প্রধান।

সেই মহা ভয়ানক নদি পতন উত্তৰ আমেৰিকা দেসত আছে। চুপিৰিয়ৰ, মিসিগান, হুৰন, ইৰি, অন্তেৰিও, এই ৫ খন মহা সৰোবৰৰ মাজে দি জোআ জি নদিএ সেইবোৰৰ সকলো পানি সাগৰলৈ নিএ, সেই নদি বৈ গৈ ইৰি আৰু অন্তেৰিওৰ মাজত



View of Niagara Falls from the American side.

১১০ হাত ওখ হোআ গৰা পাই, জঁপিওআ দি গোটেই খন নদি একে বাৰে বৰ সবদেৰে কুইত পৰি জাই। মানুহে জেতিয়া তাৰ ওচৰলৈ গৈ প্ৰথমতে দেখে, ইস্বৰৰ মহা পৰাক্ৰম জেন বুজি কঁপি কঁপি থাকে। মেঘৰ গৰ্জনৰ দৰে তাৰ মহা তমুবুল উঠি এপৰ বেলিৰ বাটলৈ সুনা জাই, আৰু তাৰ ওচৰৰ প্ৰিথিৱি ঘৰ আদি সকলোএ নৈতে দিনে ৰাতিএ সদাই কম্পন হৈ লৰি থাকে। বৰ বেগেৰে পৰা হেতুকে ওপৰৰ পৰা তললৈকে গোটেই খন পানি বভাহত লৰা সাগৰৰ দৰে ফেনেৰে বগা হল। আৰু তাৰ ওপৰত কুঁঅলি সদাই থাকে; সুৰ্জৰ ৰস্মি তাত পৰিলে দুখন বা তিনি খন ধেনু ওলাই, দেখিবলৈকো উপমা দিব নোঅৰা সুন্দৰ।

সেই নদি খন ২,২০০ হাত অৰ্থাত প্ৰাই এডাঁৰৰ বাট বহল; জি কুণ্ডত পৰিচে, সি কিমান দ, তাক জুখিব নোআৰি, অতি অগাধ। ওপাৰে গৰাৰ মাজ ঠাইতে এডোখৰ সিলৰ মাজুলি আচে, তাৰ দোআৰাই নদি দু ধাৰা হল। সেই মাজুলিৰ নাও গৌটাইলণ্ড, অৰ্থাত চাগলিৰ মাজুলি পুব পাৰে আমেৰিকাৰ সিল দেস, পচিম ফালে কানাদা দেস। আমেৰিকা পাৰৰ সুঁতি ৭৬০ হাত বহল, কানাদা পাৰৰ ১৪০০ বহল; সেই পাৰে গৰা কিচু চাপৰ, ১০০ হাত মাথোন ওখ। গিয়ানি লোকে গননা কৰি, দুই পাৰে প্ৰাই ২,৭২,০০,০০,০০০ মোন পানি ঘণ্টাই পতি পৰি গৈচে, ইয়াকে কই।

সেই নদি উত্তৰ দিসলৈ জাই। গৰা ধেনু ডিৱিয়া হৈচে; বদ নো হোআত ভিতৰ ফালে দেখিবলৈ কলা আৰু বৰ ভয়ঙ্কৰ। গৰা বৰ আহুনিয়া হোআ হেতুকে গৰাৰ গুৰিত পানি ন পৰে, ৩৩ হাতৰ আঁতৰতে পৰে; তলে সি বাট হৈ আচে, বৰ সাহিয়াল মানুহ তাৰ ভিতৰ সোমাই জাই; কিন্তু পানিৰ সবদ অতি ভয়ঙ্কৰ, আৰু পানিৰ চিটিকনিৰে গাৰ কাপৰ আটাই থনি তিতি জাই।

গৰাৰ তল ফালে লোহাৰ গুনাৰে নৈৰ ওপৰত দলঙ্গ সাজি দিচে; তাতে মানুহ, ঘোঁৰা, ৰথ সকলো পাৰ হৈ গৈ আচে। দুয়ো ফালে গাঁও, আৰু আলহি ঘৰ অনেক আচে; প্ৰিথিৱিৰ চাৰিও সিমাৰ পৰা তাক চাবলৈ বৰ লোক আৰু চহকি মানুহ আহি, দেখি বৰ ৰঙ্গ পাই। তামোচা হবৰ নিমিত্তে কেতিয়াবা সক জাহাজত বান্দৰ বা গাহৰি তুলি গৰাৰ ওপৰ ফালে পানিত মেলি দিএ, পাচে তাৰ কি হই, তাক দেখিবলৈ চাই থাকে। কিন্তু মানুহ বা পহু, জি প্ৰানি তাৰ কুইত পৰে, সি কেতিয়াও জিয়াই নোলাই। কোনো কালে সেই নদিত নাৱেৰে জোআ মানুহে আসাৱধানে গৰাৰ ওপৰে গৈ ওচৰলৈ চাপি, প্ৰথমতে অলপ সোঁত পাই, ক্ৰমে বৰ বেগত পৰি কাসবলৈ নাও নিব নোআৰি কাঁৰ মৰা দি পৰি গৈ তললৈ সোমাই মৰি জাই, আৰু নাও খন হেজাৰ ডোখৰ হৈ জাই।

জাৰ কালি সেই নদি বৰফেৰে ঢকা হৈ জাই; কিন্তু পতনৰ ওচৰত বেগে জোআৰ কাৰনে সদাই মুকলি, পানি সিল হৈ গোট খাব নোআৰে। এনে জাৰ সময়ত হেজাৰ হেজাৰ বনৰিয়া পাতি হাঁহ তাতে গোট খাই গৰাৰ ওপৰে পানিত পৰে, পাচে সোঁতত ভটিয়াই গৰাৰ ওচৰ পালে উৰা মাৰি আগৰ ঠাইলৈ উভতি গৈ আকৌ পানিত পৰে; এই ৰূপে দিনটো অহা জোআ কৰি থাকে।

অন্তেৰিও সৰোবৰৰ পৰা গৰা ১৪ মাইল আঁতৰ; পানিএ খহাই গৰা ক্ৰমে উজাই গৈচে; আৰু ২১ মাইল খহাই নিলে, ইৰি মহা সৰোবৰ পোআত তাৰ সকলো পানি গৰা ভাগি বৈ জাব। অন্তেৰিও সৰোবৰতকৈ ইৰি সৰোবৰ ২২২ হাত ওখ হৈচে।

আন দেসৰ নদিৰ ইয়াতকৈও ওখ গৰা আচে, কিন্তু এইমান সৰহ পানি নে জাই। কুইবেক নগৰৰ ওচৰত মন্তমৰেঞ্চি নদি পতন ১৪৬ হাত ওখ হই, দেখিবলৈ সুন্দৰ; তাৰ নকচা সোঁ ফালে ওপৰত লিখা আচে।

কানাদা দেসৰ মন্তমৰেঞ্চি নদি পতন ।



দখিন আমেৰিকাত তেকোএন্দামা নামে ৪০০ হাত ওখ এখান নদি পতন আচে। সেই নদিৰ নাম ফঞ্জা; সাগৰতকৈ ৬০০০ হাত ওখ হোআ বগটা নামে এখান বৰ ভৈয়ামৰ মাজেদি জাই । তাৰ কিচু আঁতৰত চমাপাজ নদিৰ ওপৰে ইকনঞ্জো নামে দুখন সিলৰ সাকো আচে: মানুহে সজা ন হই, স্রিষ্টিৰে পৰা তেনে আচে ; ওপৰৰ সাঁকোটো ২১৬ হাত ওখ, বহল ২৭ হাত সুন্দৰ ৰুপে ধেনু ভিৰিয়া আকাৰ হৈচে । তাৰ ওচৰত আন সাঁকো আচে, সি অলপ চাপৰ । সেই সাঁকোৰ তলত বৰ অগাধ এন্ধাৰ মুখাৰ খাল আচে; ফেচা আদি কৰি এন্ধাৰত ফুৰা এনে হেজাৰ হেজাৰ চৰাই তাতে উৰি থাকে; সেই অগাধ খালত নদি পৰে, পাচে সৰকি ভাটি ফালে ওলাইগৈ। তাৰ নকচা তলত লিখা আচে ॥

দেস বিদেসে নদি পতন, আৰু গৰাৰ ওখ বহল কিমান হাত, তাৰ লিখা ।

দেস	নদিৰ নাম	বহল	গৰাৰ উস্রিত
আমেৰিকা	নায়াগৰা	২,২০০	১১০
কানাদা	মন্তমৰেঞ্চি	৩৩	১৪৬
”	চৌদিএৰ		৬৬
ইলিনই	মিচিচিপি	৪৬৬	২৭
নিব্ৰাস্কা	মিচুৰি	৬৬৬	৫৮
নুজৰ্চি	পাচেইক	৮০	৪৭
নুয়ৰ্ক	মৌহক		৪০
জৰ্জিয়া	টকৌ	১৪	১২৫
কলম্বিয়া	বোগোটা		৪০০
লাপ্লাণ্ড	ৰিৰিত্তুলাতিন	১৭০০	২৬৬
চাফচেন	ৰাইন	৩০০	৪৭
ইতালি	অৰ্কো		১৬০০
”	এবাঞ্চন		৮০০
”	এৰেলিনো		২০০
”	আনিও		৬৬
মিচৰ	নাইল		২৭



আমেৰিকা দেসৰ সৰোবৰৰ জোখ ।

সৰোবৰৰ নাম	বৰ্গ মাইল কিমান ডাঙ্গৰ	কিমান হাত দ	সাগৰতকৈ কিমান ওখ
চুপিৰিয়ৰ	২২,০০০	৬০০	৪১৬
মিচিগান	২৪,০০০	৭২৭	৩৯০
হুৰন	২০,০০০	৭২৮	৩৯০
ইৰি	৯,৬০০	৫৬	৩৭৭
অন্তেৰিও	৫,৩০০	৩৩৩	১৫৫

সৰোবৰৰ থলা বমা জমা কৰাত মজলিয়া দ ইয়াত লিখা হৈচে। হুৰন সৰোবৰৰ এক ঠাইত ১২০০ হাত দ হৈচে।

চুপিৰিয়ৰ সৰোবৰত জি অনেক বিধ মাচ আচে, হুৰন সৰোবৰত তাতকৈ আটাই জাতৰ মাচ বেলেগ, সেই অতি আচৰিত ।

কলিকতাৰ সুখিয়াতি।

Description of Calcutta.

কোনো কোনো ভদ্ৰ লোকৰ অভিলাস জানি
কল্কতাৰ গুনা গুন পৰাৰ বখানি;
চহৰৰ গুন জগ অন্ত কেবা কৰে,
প্ৰচাৰ কৰিবতে গুন মানেকে না পাৰে।
জদ্যপি কৰিলোঁ পৰাৰ বাহুল্যক ডৰি
অল্প বোধে ৰচি আচোঁ মোট মোট কৰি
সৰু সৰ গঙ্গা মধ্যে চহৰ প্ৰকাসে,
ভাগিৰথি গঙ্গা মাই বহে জাৰ কাসে;
পৰস্পৰ সুনি আচোঁ সব্দ চহৰৰ,
প্ৰবেস হইয়া তাত পালোঁ বৰ ভৰ।
দির্ঘে প্ৰস্থে চহৰৰ চাৰি ক্ৰোস প্ৰাই,
তথাকাৰ লোকে মাত্ৰ তাৰ অন্ত পাই;
মেলা নগৰ ইটা খোলাই বান্ধিচে প্ৰবন্ধে,
স্বৰ্গ বোধ হই তাহা প্ৰবেস হইতে।
স্বৰ্গৰ আক্ৰিতি হেতু চহৰ নাম বুজি,
সেই থানে লোক হেৰাই ৰাস্তা নে পাই খুজি
পথ বিচাৰিয়া নে পাই খেদ কৰে বৰ,
কোনো লোকে মাৰে বুলি মনে কৰে ভৰ
জাহা খেদ কৰি কুৰে, সুনা সৰ্ব জন,
কিনাৰাম্ সত্ৰিয়া ৰচে পদ বিচখ্যন।

পথ হেৰোআ লোকৰ খেদ।

হাই হাই, কিনো কঁপাল মোৰে,
পৰিলোঁ বিপদ ঘোৰে,
কোন বিধি পথ উপদেসে!
অন্ধকাৰে জাম মৰি,
গাৰিৰ তলত পৰি,
বিপত্তি মিলিব বৰ সেসে।
হাটি হাটি আধা ৰাস্তা,
নে পাঁও কোনো ফালে দিসা,
কোন বিধি চিনাইবেক মোকে?
পথ জদি সোধোঁ মই,
মুৰে মাৰে টাঙ্গোন লই,
মুষ্টি গোটি মাৰে মোৰ বুকে।
নে পাঁও নিবাসৰ পথ,
মুৰ্জ টৈঙ্গল আত্তাগত,
কোন বিধি দিবেক উপাই!
হাতে থকা হলে পইচা,
সুধি চালোঁহেঁতেন ৰাস্তা,
কৰি বিস্তা গালি গালাজ খাই।

এই ৰূপে কোনো লোক হইয়া কাতৰ,
কাৰো কাসে ৰক্ষে ৰাতি মনে কৰি ভৰ;
পুহাইলে ৰজনি জদি দিসা দিসে জাই,
বাট পথ সুধি জাই গালা গালি খাই;
কত কত সুধি পাচে বাসস্থান পাই,
বিধি দিলে স্বৰ্গ জেন হাততে পেলাই।
আত পৰে কহোঁ সুনা চহৰ বেৱস্থা,
হেঙ্গুলিয়া ইটা বান্ধি আচে সৰ্ব ৰাস্তা;
গাৰিৰ গঞ্চালে তাহা ধুলা প্ৰাই হই,
হিমালয়ৰ হিমে জেন অন্ধকাৰময়;
সেই ধুলা অনুমানে জোজন্ উৰ্ধে জাই,
তক ব্ৰিখ দেখি জেন অগ্নি দাহ প্ৰাই।
সপ্তাহ দিন অন্তে ধুলা গো গাঁৰিতে তুলি,
গবৰ্নমেণ্টে হুকুম দিএ পকি বান্ধা বুলি;
হেন মিথ্যা মনে ধৰি সকল লোকে জাই,
প্ৰবন্ধ কৰিয়া সব ইটা বদলাই।
পুনু পুনু সেই ৰূপে পথ জুগুত হই,
দুই কিনাৰে কলৰ জন্ত্ৰে গঙ্গা জল বই;
জেন সিন্দুৰৰ আলি তৈলেৰে লিপই,
ব্ৰিষ্টি জল পৰি আলি সেই ৰূপে হই।
টকা সাস্তা, বস্তু সৰ্গ, চহৰ বিচখ্যন,
বিচাৰিলে সকল দ্ৰুব্য পাই তেতিখ্যন।
অনেক বিচিত্ৰ দ্ৰুব্য তাতে পোআ হই,
বসতি কৰিচে লক্ষ্মি আপুনি নিচই।
সৰ্ব দেসৰ লোক মাত্ৰ তাতে পোআ জাই,
নদি নদৰ জল জেন সমুদ্ৰে বহই;
গুম গুম কৰে জেন গৰ্জন মেঘৰ,
সেই ৰূপে দিবা ৰাত্ৰি সব্দ মনুস্যৰ।
অদ্ভুত তামোচা অনেক আচে সেই চহৰে,
কল্কতাক নিন্দা কৰে কে চেলা পামৰে।
দিনে দিনে দুই সত লোক ম্ৰিত্যু হই,
গনিবাৰ সাধ্য নাহি কত জন্ম পাই।
জন্মত কৰিয়া ব্ৰিধি হই দস সত,
দিনে দিনে আমদানি লিখিতৰ মত।
চলিওক লোক সব কল্কতা চহৰে,
পৰাৰ মিচা হই জদি নিন্দিবা আমাৰে।

চিম্লিয়া হৈতে দুই দণ্ডে পটল্‌ডাঙ্গা পাই,
তাৰোত্তৰে মেদিকাল কলেজ্‌ দেখা জাই ;
ঘৰৰ নক্‌চা দেখি জেন দেৱৰ দেৱপুৰি,
গ্রিত্যু সব দেখি জেন অমৰ নগৰি ।
প্রিথিবিৰ জত জন্তু তাতে দেখা জাই,
বিধিৰ নির্বন্ধ অঙ্গ খণ্ডে খণ্ডে পাই ।
ইহাৰ ভাটি দখিনতে ইংৰাজি কলেজ,
বিবি চালিয়া পৰ্হে তাতে কৰিয়া সমাজ ;
অপেস্বৰি গান কৰে ইন্দ্র পুৰে জেন,
তদ্রুপ পৰ্হিচে তাত বিবি চলিগন ;
সর্ব অঙ্গে পৰিস্কাৰ দেৱৰ তৰুনি,
সেই ৰুপে কন্যা সব নবিন জৌবনি ।
হাই হাই, ইংৰাজিৰ কিনো কর্ম বিচখ্যন,
কোন বিধি কৰি আচে চহৰ্‌ নিৰুপন ।
এই সব কথা মাজে লম্ভা নাহি দিয়া,
অল্প বোধে পৱাৰ ৰচে কিনাৰাম সত্রিয়া ।

কৌঞ্চলৰ অফিচৰ বর্নন ।

আত পৰে কহোঁ মই কৌঞ্চলৰ কথা,
নাই পটন্তৰ ৰুপ তাহাৰ্‌ বেৱস্থা ।
অতি দির্ঘাকাৰ ঘৰ প্রস্ত আচে বৰ,
চৌতলা মহল সিতো নির্মান ইটাৰ ;
জেন গিৰি বৰ স্রিঙ্গ তাহাৰ উস্রিত,
পৰম সুন্দৰ দেখি অতি সোভাবিত ।
উক্ত ঘৰে সর্ব দেসৰ ভাল মন্দ হই,
কিন্তু দেৱানিৰ কর্ম হস্তে ন পৰ্সই ।
ইংৰাজিৰ বিনা আন ভাসা ন চলই,
ত্রিচ চলিচ্‌ লোক তাত চকিতে থাকই ;
ইংৰাজি সমাজ তাৰ বিচাৰ কর্ত্তা হই,
নিমিসৰ মধ্যে তাত বিচাৰ কৰই ।
আৰু কহি কিবা আমি কত পাৰ পাৰ,
গবর্নমেণ্টৰ ঘৰৰ কহোঁ বেৱহাৰ ।
নৱ দস পুৰা ভুমি চৌগৰ ভিতৰ,
চতুর্দিসে চাৰি দ্বাৰ দেখিতে সুন্দৰ ;
পকি গৰৰ ওপৰে দ্বাৰ দুই কোনা,
দুই দুই সিংহ তাতে কৰিচে নির্মনা ;
দুই দুই দ্বাৰ পাল থাকে দ্বাৰে দ্বাৰে,
তাহাৰ প্রতাপে কোনো সোমাৱ নোআৰে ।
অতি সুসোভন পকা গ্রিহ ভয়ঙ্কৰ,
কিচু দুৰে দেখি জেন কৈলাস সিখৰ ;
ইটাৰে বান্ধিচে তাক দেখিতে সুন্দৰ,
কঁহাৰৰ পুত্র জেন গৰ্হে সিতো ঘৰ ।
জন্ত্রে তন্ত্রে জানি জেন নিজে বিস্বকর্মে
কত দিনে সিতো ঘৰ কৰিচে জতনে ।
তাত উঠি জনা জাই মনে অনুমানি,
পঙ্কজ বিলাসে হেৰা আহি আচো আমি ;
ইতো গ্রিহপতি গবর্নমেণ্ট বাহাদুৰ,
নৰেস্বৰ নৰোত্তম হৈ আচে প্রচুৰ ।

খাচ কমিস্যন অফিচ বর্নন ।

তাত থাকি দেখি পাচে পচিম দিসতে
সদৰ দেৱানি খাচ কমিস্যন তাতে ;
ত্রেতলা মহল পকা ঘৰ জে উত্তম,
খাচ কমিস্যন নিজামত নৰোত্তম ;
হাঁচি কাহ্‌ আদি কৰি তাত কিচু নাহি,
গেঁজা মাৰে জিতো লোকে তাত কৰে হাই ।
ওথ ঘৰ দেখি অতি পৰম সুন্দৰ,
অনুমানে বুজি জেন বৈকুণ্ঠ নগৰ ।
ফার্চি বিনা অন্যাখ্যৰ তাত ন চলই,
তাহাতে বাঙ্গালা মাত্র জানিবা নিচই ।
সেই ঘৰৰ পচিমে বাজি ঘৰ আচে
আত পৰে কিনাৰাম সত্রিয়া ৰচিচে ।

অথ বাজি ঘৰৰ বর্নন ।

দুতলা মহলে এক বাজি ঘৰ আচে,
সপ্তাহৰ মধ্যে তাত ৰঙ্গ মিলে পাচে ;
ধন লুভি জত লোক প্রধান আচই,
বেৰ্হিয়া ৰহিয়া সবে বাজিকে মেলই ।
জেই চাহাবৰ হই গুটি পৰাজই,
নির্বন্ধৰ জত টকা তেতিখ্যনে দেই ।
আত পৰে কহোঁ আমি চুপ্রিম কাচাৰি
গ্রিহৰ খোলাচা আমি কি কব বিচাৰি ।

অথ চুপ্রিম কৌর্ত্ত বর্নন ।

জতনেৰে তিন তলা সুসোভন অতি,
অনুমানে বুজি জেন ইন্দ্র অম্রাৱতি ;
তাতে থাকি অষ্ট চাহাব্‌ কাচাৰি কৰই,
ধর্মৰাজা জেন মত পাপ বিচাৰই ।
চহৰৰ বিনা আফিল্‌ কদাচ ন কৰে,

মহা ৰানিৰ অফিচ্ তাত থাকে বৰোবৰে;
লোক অনুমতি পাই ৰচিলোঁ পৱাৰ,
সংখেপ কৰিয়া আমি লিখি আচোঁ তাৰ ।
ভ্ৰম্ব দিৰ্ঘ কৰি জদি সুজানে পৰ্হই,
এই কবিতে কদাচিতো নিন্দা নাহি হই ।
পৱাৰ পৰ্হিয়া লোকে চহৰ দেখা হই,
প্ৰবন্ধেৰে কিনাৰাম সত্ৰিয়া ৰচই ।

অথ কিলাৰ বৰ্নন ।

কৌঞ্চল পচিমে আচে গঙ্গা সমিপতে
কিলা নামে এক কোঁঠ কঠিন ঢুকিতে;
প্ৰিথিবিৰ সম দেখি ওপৰ ত্ৰিন আচে,
দুৰে থাকি নু বুজই তলে কিবা আচে;
প্ৰবন্ধেৰে জদি তাতে ঢুকিবাৰে পাই,
এনুআ ঘৰৰ বন্ধ কতো দেখা নাই ।
দুই পাসে দুই ঘৰ মধ্যে বৰ ৰাস্তা,
এক পাসে দেখি টোপ বৰ বৰ মোস্তা ।
একো একো ঘৰ দেখি পৰ্বত আকাৰ,
জত ঘৰ আচে তাত গনে সক্তি কাৰ?
চাৰি গোট বৰ টোপ ৰাজ্য দ্বাৰে থাকে,
ৰাতি চাৰি প্ৰহৰতে চাৰি গোট ফুটে ।
কিলা মধ্যে গোঁৰা আচে চাৰি সত মান,
বগা বন দেখি জেন ইংৰাজৰ ঠান ।
সংগ্ৰামৰ জত জন্ত্ৰ তাতে ৰাখি আচে,
কাবাজ কৰিতে প্ৰতি সুক্ৰ বাৰ দিচে;
গোঁৰাৰ কাবাজ জদি দেখিবাৰে পাই,
সংগ্ৰাম দেখিতে ৰাৰা প্ৰয়োজন নাই ।

অথ টাকচাল বৰ্নন ।

সুন সুন বুধিমন্ত, সবে কৰ এক চিত,
টাকচাল ঘৰৰ বেৱস্থা ।
সিতো ঘৰ দিৰ্ঘ বৰ, উস্ৰিত আচে ভয়ঙ্কৰ,
সুনি অতি আচম্বিত কথা ।
চৌফৰে লোহাৰ গৰ, পহৰাতে বৰোবৰ,
অষ্ট জন চিপাহি থাকই ।
কদাচিতো কোনো লোকে ঢকিব নোআৰে তাতে,
বিদুৰেতে লোক হেক্কাৰই ।
সেই ঘৰৰ টাকচালে টাকা মাৰে জন্ত্ৰ কলে,
দেখি অতি বৰ অদভুত;
কৰি আচে বহু জন দেখা জাই কলা বৰ্ন,
ৰুপ মোহৰ মাৰিচে বহুত ।
লোহাৰ সিকলি জৰি কলে আচে ধৰি ধৰি,
অন্ত নে পাই দেখোঁতে দেখোঁতে ।
কোথা ৰুপ দিয়া থাকে, কোথা মোহৰ মাৰি আচে,
দেখা নে পাই জন্ত্ৰৰ মধ্যতে ।
জেন বন্ধা ৰুপৰ তোৰা কাটি দিলে তাহাৰ তলা
সকল টকা গেৰি গেৰি পৰে ।
হস্তি জেন ৰুপে ভৰ্চে, মেঘে জেন ধাৰে বৰ্সে,
সেই মতে কলে ৰুপ গিৰে ।
সুধিৰ চাহাৰ জনে অধিপতি সেই খানে,
টকা মোহৰ কৰে ৰাতি দিন ।
দিবা ৰাত্ৰি সম কৰি বাজে জন জন কৰি
কলৰ নাহিকে খতি খুন ।
সেই কলে টকা জত দিনে ৰাতি হই কত,
তাৰ সংখ্যা মনে ন ধৰই ।
কিন্তু মনে অনুমানি ঘণ্টা বেলাই টকা খনি
দস হেজাৰ মাৰিতে পাৰই ।
ঐ কলৰ মধ্য হৈতে সৰ্ব টকা হই,
জেন গিৰি স্ৰিঙ্গপৰা জল ধাৰা বই;
গিৰ গিৰ গিৰ গিৰ সব্দক কৰিচে,
অনুমান বিধি নিজে নিৰ্মান কৰিচে ।
কল জন্ত্ৰে অগ্নি ধুঁআ জত উপজই
সেই ঘৰৰ ভিতৰতে কিঞ্চিতো ন ৰই ।
কলৰ্মধ্যে মধ্যে জাই ঘৰৰ উপৰ ।
জন্ত্ৰ বলে উঠে ধুঁআ গগন মণ্ডল ।
সত্য বিনা এ পৱাৰে অন্য কিচু নাই ।
অসত্য ৰচিলে কিবা লাভ পোআ জাই;
ইহাতে কৰিয়া আমি কি কৰ বিস্তৰ?
কিনাৰাম্ সত্ৰিয়া কৰি টাকুচাল জন্ত্ৰৰ ।

গাঁও আৰু বজাৰৰ বৰ্নন ।

কালি ঘাটৰ পচিম দিগে গ্ৰাম খিদিপুৰ,
লিখিলে বাহুল্য হই, কি কৰ বিস্তৰ?
ধন্য ধন্য থান সিতো লক্ষ্মি নিজে বসে,
তাৰ মধ্যে চাপন খানা বাজাৰ প্ৰকাসে ।
তাতো কৰি প্ৰধান্ আচে চিম্লিয়া বাজাৰ,
তাহাৰ পচিমে পটল্ডাঙ্গা নাম জাৰ;
চাপাতলা হাট আচে তাহাৰ দখিনে,

ৰাম বাজাৰ্ এক আচে উত্তৰ পচিমে ।
ততোধিক ৰুপে আচে বৰ জে বজাৰ,
সমন নগৰ দেখি প্ৰতাপ তাহাৰ ।
সে বজাৰে দেখি অতি প্ৰজা লোকাৰন্য,
কোন বেটা গনিবেক তাতে কত সৈন্য !
সব বজাৰত কৰি দ্ৰুব্য সাস্তা আচে,
কিন্তু সিধা লোক গেলে ঠগ হই পাচে ;
কদৰ বুজিয়া তাত কথা টানি নেই,
ঠগি লোকে সোধে তাক হাই ডাবি দেই ।
কোন বেটা কোন লোকৰ মাথা কাটি লই,
তত্ৰাচ তাহাৰ কিচু সন্ধান ন হই ।

চহৰ বৰ্নন ।

চহৰ চহৰ ৰব অতি বাহাদুৰ,
দেৱৰ ভুবন জেন কৰিচে প্ৰচুৰ ।
বজাৰে নু ফুৰে জদি কৰিয়া বৰাই,
মাথাই কৰি সব দ্ৰুব্য দিএ কৰি পাই ।
চহৰতে জত লোক থাকে জেই ঠাই,
নিবাসৰ চাৰি দিসে চাৰি বজাৰ পাই ।
উত্তম অধমে কৰে বৰ জৈ পোচাক,
জোঁতা মাত্ৰ নাহি পদে কুতা আৰু কাক ।
কোনো জদি ধন হেতু সমৰ্থ ন হই,
ধাৰ কৰি সেই বেটা পকিতে চৰই ।

অথ পুখুৰিৰ বৰ্নন ।

আৰু আমি কহোঁ সুনা পুস্কৰ্নিৰ কথা,
কহিতে বিপুল লাগে তাহাৰ বেৱস্থা ।
দিৰ্ঘ প্ৰস্ত অতি বৰ পুখুৰি বিস্তৰ,
প্ৰবস্কেৰে ইটে বন্ধা দেখিতে সুন্দৰ ।
চৌ দিসে লোহাৰে বেৰা ঠুকে সক্তি কাৰে,
ডবাৱ নি দিএ ভৰি ভাণ্ড চাৰি পাৰে ;
চতুৰ্কোনে দিপ জ্বলে ৰাতি সমুদাই,
দিৰ্ঘ দিৰ্ঘ ৰাস্তা জেন দিপ সেহি প্ৰাই ;
সৰ্ব জন দেখি জেন জমুনাৰ নই,
তাতে মত্স্য পুত্ৰ মেলি কত পুসিচই ।
ৰাস্তাই পুস্কৰ্নিৰ দিপ বহু বহু জ্বলে,
ৰাত্ৰি হৈলে সেই প্ৰদিপ পুষ্প ৰুপে ফুলে ;
জল হৈলে সেই প্ৰদিপ ন হই নিৰ্বান,
জি জি ঠাইতে জেই জাই পাবই সন্ধান ।

অথ চহৰ সুখিয়াতি ।

ধন্য ধন্য চহৰ বাবা কল্কতা নগৰ,
লোনা জল বিনা হেৰা থাকিতে সুন্দৰ ।
গুম গুম বাজে জেন গাঁৱিৰ ঘঞ্চাল্,
কোনো সব্দ ভেদ নাই সদা কোলাহাল ।
দুম দুম দাম দাম গিৰ গিৰ কৰে,
ঠেলা ঠেলি লোক পৰে দেখি ৰঙ্গ চৰে ।
কিনো চিত্ৰ, কিনো ৰুপে, কিনো কাৰিকৰ,
জত জন্ত্ৰ নিৰ্মান কৰে কল্কতা চহৰ ।
চল চল চল ভাই, কল্কতা চহৰ,
তাহা দেখি চকুবিৰ্ত্তি সৱে অন্তৰ ।
কল্কতা নগৰ জেই জন দেখা নাই,
স্ৰিতিকাৰ কলচিতে আচই লুকাই ;
জেই জন দেখি আচে কল্কতা ভুবন
চকু দ্বাৰা কৰিলেক অম্ৰিত ভোজন ।
অন্য পথে গলে জদি ঠগ হানি হই,
মাথা ভাঙ্গাই গলে বাবা কিচু নাহি ভই ।
লক্ষি লক্ষিপতি কৰে চহৰে বসতি,
সেই হেতু কোনো কাৰ্জ নাহি অসঙ্গতি ।
সংখেপ পাৱাৰ কৰি এসব ভাবিয়া,
মতি অনুসাৰে ৰচে কিনাৰাম সত্ৰিয়া ।



ইঙ্গলণ্ডত মাটি খানি উলিউআ কমিয়াৰ জল পাত্ৰ ।

জাত্রিকৰ জাত্রা, ২ আধ্যা ।

The Pilgrim's Progress, Chapter 2.



কাল ক্রমে খ্রিষ্টিয়ানে সেই সৰু দুআৰৰ ওচৰ পাই, তাৰ ওপৰলৈ চাই এই কথা লিখা দেখিলে, চপৰিওআ, তেহে তোমালৈ দুআৰ মুকলি কৰা হব । তাতে সি দুআৰত বাৰে বাৰে চপৰিয়াই, এই কথা গাবলৈ ধৰিলে,

ভিতৰতে জি জন আচে,
মেলিব নে তেঁও দুআৰ?
বন্দি বৰ অজোগ্য পাত্র
দর্সন পাম নে অধিকাৰ?
তেন্তে প্রভুৰ গুন প্রসংসা
গানকৈ তুতি নেৰিম আৰ ।

এই ৰুপে চপৰিয়াহি থকাত সেসে হিত-বাঞ্চক নামে এজন গম্ভিৰ মানুহ দুআৰলৈ আহি সুধিলে, দুআৰত মৰিয়াইচে কোনে? কৰ পৰা আহিচে? আৰু কি লাগে?

খ্রিষ্টিয়ান । হে আতা, ইয়াত ভাৰ পোআ এটা দুখিত পাপি মানুহ আচে । বিনাস নগৰৰ পৰা আহি, আগলৈ হব লগা ক্রোধৰ পৰা উধাৰ জেন পাঁও, চিওন পর্বতলৈ জাবলৈ ধৰিচোঁ; আৰু তালৈ বাট এই দুআৰে গলেহে হই, ইয়াকে সুনিচোঁ; মোলৈ দুআৰ মেলিবলৈ আপোনাৰ জদি ইচা আচে, তাক জানিবলৈ মোৰ নিবেদন ।

হিত-বাঞ্চকে বোলে, সকলো মনে মোৰ এই ইচা, ইয়াকে কৈ দুআৰ মেলিলে ।

খ্রিষ্টিয়ান সোমাঁওতেই হিত-বাঞ্চকে তাক হাত দি টানি নিলে; তাতে খ্রিষ্টিয়ানে সুধিলে, ইয়াৰ কাৰন কি? তেতিয়া তেঁও কলে, এই দুআৰৰ কিচু আঁতৰতে বেলজিবুৰ নামে এজন সেনাপতি থকা এটা সকত কাৰেঙ্গ ঘৰ আচে; সি আৰু সগৰবিলাকে এই দুআৰলৈ মানুহক আহিবৰ দেখিলে, সিবিলাক নৌ সোমাঁওতেই জেন মৰিব, এই নিমিত্তে সেই কাৰেঙ্গৰ পৰা বান মাৰি থাকে । তেতিয়া খ্রিষ্টিয়ানে কলে, মই আনন্দিত হৈও কঁপি আচোঁ । এই ৰুপে সোমালত দুআৰৰ গৰাকিএ তাত সুধিলে, ইয়ালৈ আহিবলৈ তোমাক কোনে পাঁচিলে?

খ্রিষ্টিয়ান । ইয়ালৈ আহি দুআৰত চপৰিয়াবলৈ উপদেসক নামে এজনে মোক পঁচাতে তাক কৰিলোঁ; আৰু মই কি কৰিব লগা, আপুনি জে তাক কব, ইয়াকো তেঁও কৈচে ।

হিত-বাঞ্চক । তোমাৰ আগত এখান দুআৰ মুকলি কৰা হৈচে, তাক কোনেও বন্ধ কৰিব নোআৰে ।

খ্রিষ্টিয়ান । মোৰ জি আপদৰ সঙ্কট পালোঁ, এতিয়াহে তাৰ লাভৰ আৰম্ভন পোআ হৈচোঁ ।

হিত-বাঞ্চক । কিন্তু তুমি জে অকলেই আহিচা, ইয়াৰ কি কাৰন?

খ্রিষ্টিয়ান । কাৰন, মই জেনে আপদৰ ভই দেখিলোঁ, মোৰ চুবুৰিয়াবিলাকৰ কেৱে আপোনাৰ তেনে আপদৰ ভই নে দেখিলে ।

হিত-বাঞ্চক । তুমি আহিবৰ কথা চুবুৰিয়াবিলাকে বুজ পাইচিল নে?

খ্রিষ্টিয়ান । হই, বুজিলে; মোৰ সৰা তিৰোতাও প্ৰথমতে মোক দেখি, উভতি জাবলৈ মাতিলে; পাচে চুবুৰিয়াৰ কোনো কোনো লোকে থিয় হৈ চাই কান্দি কান্দি উভতি আঁহা বুলি কলে; কিন্তু মই কানত সোপা দি মোৰ বাটে আহিলোঁ ।

হিত-বাঞ্চক । তোমাৰ মন ওভোতাবলৈ সিবিলাকৰ কোনোএ তোমাৰ পাচত হৈগৈছিল নে?

খ্রিষ্টিয়ান । দুজন হৈগৈছিল, মইমতালি আৰু তৰল; কিন্তু মোক ওভোতাব নোআৰে দেখি, মইমতালিএ নিন্দা কৰি গুচি গল; তৰল হলে কিচুমান আহিল ।

হিত-বাঞ্চক । সি কি কাৰনে অন্তলৈকে নাহিল?

খ্রিষ্টিয়ান । নিৰ্ভাৰসা দলদলনিলৈকে আমি দুয়ো একে লগে আহিলোঁ হই, আৰু অকস্মিতে তাতে পৰিলোঁ । তেতিয়া তৰল চুবুৰিয়াই নিৰসা হৈ পৰি আৰু বাট আহিবলৈ সাহ নে পালে । পাচে দলদলনিৰ পৰা আপোন ঘৰৰ ফালে ওলাই সি মোত কলে, মই ভাগি নো হোআকৈ তুমি সেই সুন্দৰ ৰাজ্জ পাবা; ইয়াকে কৈ সি আপোনাৰ বাটে মইমতালিৰ পাচলৈ হৈগৈচে, ময়ো আপোনাৰ বাটে এই দুআৰলৈ আহিচোঁ ।

তাতে হিত-বাঞ্চকে কলে, হাই হাই, কেনে অগিয়ানি! স্বৰগৰ ঐশ্বৰ্জ পাবৰ নিমিত্তে সি জে অলপ দুখ সঙ্কট সহিবলৈ তাক জোগ্য সে দেখে, সেই অতুল্য ঐশ্বৰ্জ তাৰ মনত এইমান অপ্ৰিয় হৈচে নে?

খ্রিষ্টিয়ানে বোলে, হই, তৰলৰ কথাত মই জি কলোঁ স্বৰূপ; আৰু মোৰ আপোনাৰ সকলো কথা সত্য ৰূপে জদি মৈ কাৰ্হোঁ, তেন্তে তৰলৰো মোৰো কৰম বেলেগ ন হই, ইয়াকে দেখা জাব; সি আপোনাৰ ঘৰলৈ উভতি হৈগৈচিল হই, কিন্তু ময়ো সংসাৰ-গিয়ানি নামে এজন লোকৰ কথাৰে ভুল হৈ, মৰনৰ পথত জাবলৈ বাটৰ পৰা একলিয়া হৈ গলোঁ ।

হিত-বাঞ্চক । অৱাই, সেই জনক লগ পালা নে? জিৰনি বিচাৰিবলৈ সি তোমাক বিধান সিখ্যক মহাজনৰ ওচৰলৈ পাঁচিৰ খোজে, হৰ লাগে; সিইত দুয়ো নিচেই ভাঁৰি কোআ; কিন্তু তুমি তাৰ আলচ সলা নে!

খ্রিষ্টিয়ান । হই, জিমানলৈ সাহ থাকিল, সেই মানলৈকে তাৰ বুধিত চলি বিধান-সিখ্যক মহাজনক বিচাৰি বিচাৰি তাৰ ঘৰৰ ওচৰত থকা জি পৰ্বত, সি মোৰ মুৰত পৰে জেন দেখিলোঁ; এই হেতুকে আৰু জাব নোআৰি তাতে ৰলোঁ ।

হিত-বাঞ্চক । সেই পৰ্বত অনেক লোকৰ স্ৰিত্যুৰ কাৰন হল, আৰু পাচলৈকো হব; তুমি জে তাৰ তলত গুৰি নো হোআকৈ সাৰিলা, এয়ে তোমাৰ সুভাগ্য ।

খ্রিষ্টিয়ান । স্বৰূপ, আতা; কিন্তু মই তাতে সংসয়েৰে চিন্তাকুল হৈ থাকোঁতে উপদেসকে দৈৱাত আকৌ মোক লগ নো পোআ হলে, মোৰ কি গতি হলহেঁতেন, সে জানোঁ; তেঁও ইশ্বৰৰ অনুগ্ৰহতহে মোৰ ওচৰলৈ আহিল; সেয়ে নো হোআ হলে, মই এই ঠাই কেতিয়াও নে পালোঁহেঁতেন । তেও আহিলোঁ, এনে অধম মানুহ জি মই, মই আপোনাৰ আগত থিয় হৈ এই দৰে কথা কৰৰ জোগ্য ন হওঁ, সেই পৰ্বতৰ তলত মৰাৰে জোগ্য; ইয়াতে জে সোমাবলৈ পালোঁ, অস, মোলৈ কেনে অনুগ্ৰহ!

হিত-বাঞ্চক । ইয়ালৈ অহাৰ আগেএ জি কি কৰা ন হওক, তাৰ কাৰনে আমি কাকো সোমাবলৈ বাধা ন কৰোঁ, সিইতক কোনো মতে বাহিৰ কৰা ন হই; এই হেতুকে প্ৰিয় খ্রিষ্টিয়ান, মোৰ লগত একেৰিমান আঁহা, তুমি জাব লগা বাটৰ কিচু কথা সিকাম । আগ ফাললৈ চোআ; সেইটো ঠেক পথ দেখিচা নে? সেই বাটে জাব লাগে । ওপৰ পিত্ৰি আৰু ভৱিস্যতবিলাক, খ্রিষ্ট আৰু তেঁওৰ পাঁচনিবিলাকৰ দোআৰাই তাক কৰা হৈচে; টাঁৰ জেনে পোন, তেনে পোন কৰি বন্ধা হৈচে; সেই বাটে তুমি জাব লগা ।

তেতিয়া খ্ৰিষ্টিয়ানে বোলে, আভুআ মানুহে জিহেৰে পথ হেৰুআই, এনে আঁও বাট সোঁ বাট বেঁকা বেকি নাই নে?

হিত-বাঞ্চক। আচে, ইয়াৰ পৰা অনেক বাট একলিয়া হৈ গৈচে, কিন্তু সেইবোৰ হলে বেঁকা, আৰু বহল; ইটো নিচেই পোন আৰু ঠেক, এই চিনেৰেহে স্বৰুপ পথ জানিবা।

তাৰ পাচে মই সমাজিকত এনে দেখিলোঁ, খ্ৰিষ্টিয়ানে আৰু সুধিলে, বোলে, মোৰ পিঠিত জি বোজা, তাক বা আপুনি গুচাব পাৰে নে? কিয়নো তেতিয়াও তাৰ পৰা মুকলি হোআ নাই, আৰু লোকৰ উপকাৰৰ বাহিৰে তাক কোনো ৰুপে গুচাবলৈ খ্ৰিষ্টিয়ানৰ একো সক্তি নাই কিচিল।

তেতিয়া তেঁও কলে, তোমাৰ বোজা হলে, তুমি মুক্তি হোআৰ ঠাই নো পোআ মানে, তাক বৈ থিৰ মনে সহি থাকা; কিয়নো সেই ঠাই পালে সি আপুনি তোমাৰ পিঠিৰ পৰা খহি পৰিব।

তেতিয়া খ্ৰিষ্টিয়ানে কমৰ বান্ধি জাত্ৰালৈ আপোনাক জুগুত কৰিবলৈ ধৰিলে। তাতে হিত-বাঞ্চকে কলে, বোলে, দুআৰৰ পৰা অলপ দুৰ হৈ গলে তুমি অৰ্থ-দায়কৰ ঘৰ পাবা; তেঁও তোমাক অতি উত্তম কথা দেখুআব। তেতিয়া খ্ৰিষ্টিয়ানে আপোনাৰ মিতিৰ হিত-বাঞ্চকত বিদাই লোআত, ইশ্বৰে তোমাৰ মঙ্গল কৰোক বুলি, তেঁও পঠাই দিলে। ॥



পুৰনি অসম বুৰঞ্জি, নং ৮।

Dihingia Roja—War with the Chutias.

পাচে নদিয়াত ফাচেনমুং বৰ গোহাঁইক চুটিয়াই বন ধৰিলেহি, ৰজা দেৱে এই কথা সুনি থাওমুংক্লাঙ্গক বৰ গোহাঁইৰ লগত ভৰ দিবলৈ পঠালে। পাচে চুটিয়ায়ে থাওমুংক্লাঙ্গক কোঁঠতে বেৰি ধৰি কাটিলে; এই কথা ফাগুনৰ দিনত। বৰ গোহাঁইৰ প্লাইপন হাতিটো মাৰিলে। পাচে আমাৰ লোকে চুটিয়াক ধৰি মাৰি ৰন জিকিলে। পাচে ৰজা দেৱে জেঠৰ দিনত ত্যাওমুং চুংলুঙ্গক পঠাই দিবুৰু ৰাজ্য থাব দিলে। লাকুনি কংমাও সঁকত ত্যাওচুংলুং কিংলুঙ্গক থাওমুং লুংবঙ্গন নাম দি, কাংথাম ৰাজৰ পৰা নুইতৰ আগাৰিড সিমা কৰি ৰাজ দিলে। কাংমৰ থাওমুংলুং নাম গুচাই ত্যাওলুং নাম দিলে। আত পাচে ভাটিৰ পৰা বৰ উজিৰ উজাই আহিল। পাচে ৰজা দেৱে এই কথা সুনি চেংলুঙ্গক মাজে পঠালে, হনলচেনৰকক সোঁ ফালে পঠালে, কুংৰিনক চেনপিমক এই দুইক বাম ফালে পঠালে। পাচে আমাৰ সমস্তে গৈ উজিৰক জুধ ধৰিলেগৈ; উজিৰে জুধে নোআৰি হহকি দুৰৈলৈ গল। তাতে আমাৰ পালে ঘোঁৰা ২ কুৰি, মাৰিলে ১ কুৰি, বৰ হিলৈ পালে ১ কুৰি। পাচে সকলো সেই ঠাইতে থাকি চুংমুংহনন, কুংৰিন, এই দুইক পঠাই সকলো বস্তু ৰজা দেৱলৈ দি পঠালে। পাচে ৰজা দেৱে বুলিলে, বোলে, তইতক ডাঙ্গৰিয়া পাতিবৰ সাফল হল; আৰু থাওমুং কাঙ্গনক থাওমুং কতক নাম দি, ফুল বাৰিত থাকিব দিলে। ৰজা দেও বিস্বনাথলৈ গৈ, থাওচুংলুং কংচেং, থাওমুংচেনক, এই দুইক বেটাইটামনিত থাকিব দিলেগৈ। পাচে থাওমুং কতকক উজিৰক ধৰিবলৈ পঠালে। উজিৰে এই কথা জানি ভাগি পলাল; থাওমুং কতকে উজিৰৰ ঘোঁৰা পাই আনি ৰজা দেৱক দিলেহি। পাচে ৰজা দেও উজাই আহি বুৰৈ গৰ বান্ধিলে, থাওমুং

চাৰিঙ্গক বুৰৈ গৰত থাকিব দিলে, থাওমুং কতকক ফুলবাৰি গৰত থাকিব দিলে । পাচে ৰজা দেৱে ৰাজ্যে সমনিতে নগৰলৈ উজাই আহিল। লাকুনি কামুত সঁকত ৰজা দেও ৰাপেক পুতেক ৰাজ্যে সমনিতে বিস্বনাথলৈ গৈ কলঙ্গে দি মানুহ পঠাই, ৰেটাইটামনিৰ পৰা ত্যাওচুংলুং কংচেঙ্গক লোক জন সহিতে আহিব দিলে। পাচে ৰজা দেৱে থাওমুং কতকক, থাওমুং মুংক্লাং, এই দুইক ভৰলিএ উজাই পঠালে, বোলে, তইঁতে ভৰলি পাৰ হৈ গৈ, জি মানুহ পা, ধৰি আনগৈ। পাচে ইবিলাক দুয়ো গৈ জি মানুহ পালে, আনি ৰজা দেৱৰ ঠাইত দিলেহি। পাচে থাওমুং কতকক নাৰানপুৰতে থাকিব দিলে। পাচে ৰজা দেৱে সৈন্যে সহিতে উজাই আহি দিহিঙ্গ নগৰ ললেহি। চুক্লনফা তিপাম ৰজা, ত্যাওচুংলুং কংচেন এই দুয়ে দিখৌএ উজাই নগৰলৈ আহিল। পুহৰ দিনত চুটিয়া ৰজা আহি ফাচেনমুং বৰ গোহাঁইকে থাওমুংবঙ্গনকে জুধ ধৰিলেহি। পাচে ৰজা দেৱে এই কথা সুনি চুক্লনফা তিপাম ৰজাকে ফাচেনমুং বৰ গোহাঁইৰ লগত থাকিব দিলেগৈ; চুলেং চাৰিঙ্গ ৰজাক থাওমুং বঙ্গনৰ লগত থাকিব দিলেগৈ। পাচে ফাচেনমুন বৰ গোহাঁয়ে চন্দনগিৰি পর্বতত জুধ কৰিবলৈ বুলি নাৱৰ মাৰ বান্ধি ৰৈ, থাওমুংবঙ্গনলৈ কৈ পঠালে, বোলে, সিঘ্ৰে সিবোৰো খেদি আঁহক। পাচে থাওমুং বঙ্গনে জুধলৈ গৈ দুই ফইদে সদিয়া নগৰত ৰলগৈ। চুক্লনফা তিপাম ৰজা সদিয়ালৈ গৈ কাংখাম পালেগৈ। পাচে ৰজা দেৱে থাওচুংলুং কংচেঙ্গ আনবোৰ ডাঙ্গৰিয়া সহিতে চুটিয়া ৰাজলৈ গৈ কাংখাম পালেগৈ। পাচে ৰজা দেৱে ত্যাওচুংলুং, চুক্লনফা তিপাম ৰজা, ফাচেনমুং বৰ গোহাঁই, থাওমুং চেনবং, থাওমুংক্লিংখাম, এই পাঁচক থাওকাং পর্বতত জুধ কৰিব দিলেগৈ। চুলেং চাবিঙ্গ ৰজাক কুণ্ডিলৰ দেও ঘৰত থাকিব দিলেগৈ। পাচে থাওকাং পর্বতৰ পৰা সকলেও চুটিয়াক জুধে জিনি ৰজা দেৱৰ লগ ললেহি। পুনৰ ৰজা দেৱে চুলেং চাৰিঙ্গ ৰজাক ভৰ দিব দিলেগৈ, সকলোকো বেৰি ধৰিব দিলেগৈ। পাচে ৰজা দেৱে দিখাৰিএ দি বৰ গোহাঁইক পঠাই চন্দনগিৰি পর্বতত জুধ কৰিব দিলেগৈ, বৰ গোহাঁয়েও গৈ জুধ ধৰিলেগৈ। পাচে চুটিয়াই বিস্তৰ সিল বগৰাই পঠালে; আমাৰ লোকে অস্ত্ৰ সস্ত্ৰ পেলাই বৰ নোআৰি হুহকি আহিল। পাচে সকলোএ আলচ কৰি কুকুৰা ঠেঙ্গ চোআই ভাল পাই, থাওমুং ক্লিংখামক পঠাই চন্দনগিৰি পর্বত উঠি বেৰিব দিলেগৈ। ইবোৰেও গৈ উঠিব নোআৰি উলটি আহোঁতে পর্বতৰ নামিৰাত থকা চুটিয়াৰ সৰা বুৰা মানুহ কিচু পাই আনিলে। চুলেং চাৰিং ৰজা দেও ঘৰতে থাকিল; চুক্লনফা তিপাম ৰজা, ফাচেঙ্গমুন বৰ গোহাঁই, থাওমুঙ্গচেনবং, থাওমুঙ্গক্লিংখাম, এই চাৰিএ ৰজা দেৱৰ লগ ললেহি। পাচে ৰজা দেৱে সদিয়া নগৰ এৰি কাংখামত ৰলহি; তাৰো পৰা ৰজা দেৱে লুইতে উজাই গৈ, চুটিয়াৰ গৰ দেখি দিকালু মুখ পালেগৈ। চুলেং চাৰিঙ্গ ৰজা দেও ঘৰৰ পৰা ৰজা দেৱৰ এখেলৈ আগ বাঢ়ি আহোঁতে, লুইতৰ কোখত বেৰি ধৰি চুটিয়ায়ে কটা কটি লগালে। ৰজা দেও ভটিয়াই আহি কাংখামত ৰলহি। থাওমুংবঙ্গন, ত্যাওচুলুং, কাংতিংচুহন, এই তিনিক দিবাঙ্গে ভটিয়াই আহি, চুলেং চাৰিঙ্গ ৰজাক একআলে। পাচে চুটিয়াক কাটি মাৰি জি পালে ধৰি আনি, ৰজা দেৱৰ ঠাইত দিলেহি; পাচে ৰজা দেৱে ফাচেংমুঙ্গ বৰ গোহাঁইকে, থাওমুংবঙ্গনকে, এই দুইক সিকাই বুজাই সদিয়াত থৈ আহিল; ৰজা দেৱে সৈন্যে সহিতে নগৰলৈ আহিল।

লাকুনি কাপত্যেও (৪২) সঁকত ৰজা দেৱে চুক্লংফা তিপাম ৰজাকে, চুলেং চাৰিঙ্গ ৰজাকে, চুহনকে, এই তিনিক পঠালে, বোলে-

ফাচেনমুঙ্গ বৰ গোহাই জে নদিয়াৰ পৰা নাহে, তইত তিনিএ আনগৈ। পাচে ইবিলাকে গৈ নুইতৰ এই পাৰেই কাংখাম পালেগৈ; সেই ঠাইতে থাওমুংবঙ্গনে আহি, গোহাই দেও দুজনাৰ লগ ললেহি। পাচে চাৰিও, গৈ চুটিয়াৰ বৰ দুআৰ পালেগৈ; তাৰে পৰা বাত্ৰা জনাই পঠালে; পাচে বৰ গোহাঁয়ে এই কথা শুনি, চুক্লংফা গোহাই দেওক, চুলেং গোহাঁই দেওক আহি সেৱা কৰিলে। পাচে চুহনে ৰজা দেৱৰ আগ্যা কলে, বোলে, তুমি ভটিয়াই ৰজা দেৱৰ ঠাইলৈ জাব লাগে; তোমাৰ লিকচৌ ঘৰ বন্দিএ অহা জোআ কৰে, তেও তুমি নো জোআ; জদি ৰজা দেৱে খঙ্গ উঠি তোমাক ঘৰতে কাটি জাব দিএ, তেতিয়া তুমি ন মৰিবা নে? পাচে ফাচেংমুন বৰ গোহাঁয়ে বোলে, ৰজা দেৱৰ আগ্যাৰেহে আত আচোঁ; এতিয়া আগ্যা কৰিচে জাম, পাচে ফাচেনমুং বৰ গোহাঁইকো, থাওমুং বঙ্গনকো আনি সকলো আহি ৰজা দেওক সেৱা কৰিলেহি।



নুজিলও দেসি লোকৰ ঘৰৰ নকচা।



দায়া ।

Pity.—From "Young Asam."

বসন্ত কালৰ হাতে জেনেকৈ প্ৰিথিবিক নানা বিধৰ ফুল আৰু কলিৰে ঢাকে, আৰু গ্ৰিষ্ম কালৰ দায়াত জেনেকৈ অনেক সস্য উতপন হই, তেনেকৈ দায়াৰ হাস্যে দুখৰ সন্তান সকলৰ ওপৰত দান ঢালে।

জি মানুহে আনক দায়া কৰে, তাকো আনে দায়া কৰিব, কিন্তু জাৰ দায়া নাই, তাক কেৱে দায়া ন কৰে।

কসায়ে জেনেকৈ চাগলি পোআলিৰ কান্দনত মৰম ন কৰি বধহে কৰে, তেনেকৈ নিষ্ঠুৰ মানুহৰ হিদয়তো মানুহৰ দুখ দেখি মৰম নে লাগে।

গোলাপ ফুলৰ পৰা নিয়ৰৰ টোপা মাটিত পৰিলে, জেনে দেখিবলৈ সুন্দৰ, মৰমিয়াল মানুহৰ চকুৰ পানি তাতকৈও সুন্দৰ।

দুখিয়াৰ কান্দনলৈ কলা ন হবা, আৰু নিৰ্দুসিৰ দুখলৈ তোমাৰ চিত টান ন কৰিবা।

জেতিয়া মাউৰা লৰা তোমাৰ ওচৰলৈ আহে, বা অনাথ বিধৱাই চকুৰ লোএৰে তোমাৰ সহাই জাচ্না কৰে, তেতিয়া হে দায়ালু মানুহ, তাৰ দুখ দেখি ক্ৰিপা কৰিবা, আৰু জাৰ সহাই নাই, তাক ৰখ্যা কৰিবলৈ তোমাৰ বাহু মেলিবা।

জেতিয়া তুমি কোনো মানুহক বস্ত্ৰ হিন আৰু ঘৰ নাই কিম্বা হৈ জাৰত কঁপি বাটে জোআ দেখা, তেতিয়া তোমাৰ চিতক দানসিল কৰা, আৰু দানসিলতাৰ পাখিৰে তাক ম্রিত্যুৰ পৰা ৰখ্যা কৰা, তাৰে পৰা তোমাৰ আত্মাও জেন জিএ।


অনেক দেশৰ সম্বাদ।

Journal of Events.

অচম দেশত বগা বাঘ পূৰ্ব্বে আগেয়ে কোনেও দেখা নাই; কিন্তু এই মার্চ মাহত জিলা ডিব্রুগৰত কোনো বাঘ মৰিয়াই শ্রীযুত ডক্তৰ গ্যাৰ্লক চাহাবলৈ এনে এটা বগা বাঘৰ মূৰ আৰু চাল আনিলে। তাৰ নোম অতি দিঘল, ভালুকৰ নিচিনা, গোটেই গা বগা, আন বৰনৰ ফুটকা নাই কিয়া। তাক চাবলৈ চাৰিও ফালৰ পৰা বহু মানুহ আহি দেখি অতি আচৰিত মানে।

কোনো মানুহে কই, কমলেশ্বৰ ৰজাৰ দিনত মন্দিৰাত এটা বগা বাঘ ধৰি জিয়াই ৰজাক ভেঁটিবলৈ আনিছিল।


১৯ ফেব্রুআৰি তাৰিখে সুন্দৰ বনত থকা প্রিঙ্গল নামেৰে একজন চাহাবে মাটি জোখোঁতে এটা মানুহে আহি বুলিলে, মোৰ বলদ গৰু এটা এতিয়াই বাঘে নিচে। এই কথা সুনি চাহাবে গৈ সেই মৰা গৰু পাই, দুই নলিয়া হিলৈ লৈ খাপ দি থকাত গধুলি বেলাত বাঘ আহিলত চাহাবে একে বেলিএই দুইটা গুলি মাৰি দিলে। তেতিয়া বৰকৈ গোজৰনি মাৰি বাঘ পৰিল, কিন্তু এন্ধাৰ



White Tiger killed in Upper Asam.

হোআত তাৰ ওচৰলৈ আবলৈ সাহ ন কৰিলে; পাচ দিনা পুৱাই গৈ বাঘ মৰি থকা দেখিলে। গুলি দুটা বুকে সোমাই পিঠিএ লৰকি গল।

ফাগুন মাহৰ ২৬ তাৰিখে জোৰহাটৰ অঞ্চলে চৈকটাৰ ওচৰত কপচিঙ্গ চিপাদাৰৰ পুতেক বলোৰাম চিঙ্গ হেৱালদাৰৰ ঘৰত ৰাতি দুআৰ মেলি ১৬।২০ জন ডকাইত আহি তাৰ ঘৰত সোমোআত নি গম পাই ওলাই আহিবলৈ ধৰোঁতে তাক চুলিত ধৰি হাত বান্ধি তাক অনেক মাৰি ধৰি থাকি, তাৰ ঘৰ আৰু সোআ ঘৰ সোমাই আটাই ধন বস্তু, থাক মনি, গহনা, তাম পিতল






ঈৰবৰত থকা আফ্‌গানী লোকৰ নকচা।

কাপৰ আদি কৰি সকলোকে নিলে। আৰু তাৰ মাকৰ মূৰত টাঙ্গোন মাৰি বৰ ঘা লগালে, চাকৰ এটাৰো মূৰ ফালিলে, আৰু তাৰ আন আন পৰিয়ালকো মাৰ কিল কৰিলে। পাচে বস্তু লৈ তাক এৰি জোৱাত্তি গাঁৱলৈ ৰিঙ্গিয়াই মানুহ মাতিলত খোলা নামে এজন আহি দুয়ো খেদি গৈ এটা ডকাইতক ধৰি ৰাখিলে। পাচে সেই ডকাইতে মোক ৰাখিলে বুলি তাৰ লগৰ ডকাইতক মতাত পুনৰ আহি তাক এৰুআই নিলেহি। তেতিয়া বলোৰাম হেৱালদাৰে কমলা নামেৰে এটা ডকাইত চিনি পালে, তাৰ মাকে খিনলগা নামেৰে এটাক চিনি পালে, পাচ দিনা এই দলবন্দি ডকাইতৰ কথা জোৰহাটৰ থানাত কোৱাত থানাৰ পৰা দাৰোগাই এই খবৰ হজুৰ বিচাৰ কৰ্ত্তাৰ ঠাইলৈ জনাইচে।

১৯ ফেব্ৰুআৰি গধুলি বেলিকা পেন্যোৰ নগৰৰ ওচৰত শ্ৰীযুত গ্ৰাহাম নামে এজন কাপ্তান চাহাবে আন এজন সেনাপতিৰ জিএকে লৈতে ঘোঁৰা মেলি জাঁওতে অকস্মিতে ৫।৬ জন ঈৰবৰ নিবাসি আফ্‌গানি মানুহে আগচি ধৰি কাপ্তান চাহাবক ঘোঁৰাৰ পৰা পেলাই দাৱে ৰৈয়াই এধা মৰা কৰিলে; মেম চাহাবকো পেলাই দুইটা ঘোঁৰা কাঢ়ি নি পৰ্বতৰ ফাললৈ গল। তাতে মেম চাহাবে পলাই নগৰলৈ গৈ বাত্ৰা কলত সেনাপতিবিলাকে ওলাই বিচাৰি গৈ কাপ্তান চাহাবক পাই ৰাতি ১১ বজাত পল্‌টনলৈ আনিলে। তেঁওৰ মূৰত ভালেমান ঘা পৰিল, হাতৰ গাঁঠি ঘুগুলা হৈ ভগাত ডক্তৰে কাটি পেলালে আৰু মৰা জিয়াতো সংসই আচে। আৰু ডকাইতক ধৰি দিলে ১০০০ ৰুপ বঁটা দিম বুলি সকলোতে জনাইচে।

কলিকতাৰ বৰক ঘৰত বধ কৰোঁতা বেৰিৰ লগত জি আন তিনি জন জাহাজিক মানুহ সোমাল, সিইঁতক দেশান্তৰ কৰি জনম ফাটক দিলে।

বৰ্দ্ধমান সম্বাদ পত্ৰত লিখিচে, জাহানাবাদ নগৰৰ ওচৰত থকা এজন মানুহৰ জোঁআয়েকে ৰাতি থাকিবলৈ সহুৰেকৰ ঘৰলৈ আহিল। তাৰ গাত অনেক সোন আদি অলঙ্কাৰ থকা দেখি সহুৰেকে তাক মাৰিবলৈ আলচ কৰি পুতেকক তুমি তাৰ লগত সুই থাকিবা, ৰাতি নিশাত ওলাই আহি দুআৰ মুকলি কৰিবা, এই আগ্যা দিলে। কিন্তু জোঁআয়েকৰ ঘৈনিএকে বুজ পাই তৈপএকত এই কথা কলে।

পাচে ৰাতি জোঁআয়েক ওলাই গল, পুতেক থাকিল, এনে সময়ত ৰাপেক গোমাই জোঁআই সুই আচে বুলি বুজি, আপোনাৰ পুতেকক ৰধ কৰিলে। পাচে তাক ধৰি দোষ কর্তাৰ হাতত দণ্ডৰ নিমিত্তে দিয়া হৈচিল।

জঙ্গ বাহাদুৰৰ লগত ইঙ্গলণ্ডলৈ জোআ কুর্জি কর্বান খেত্রি নামে তেঁওৰ সখিএকে খিয়াল কৰি, জঙ্গ বাহাদুৰে ইঙ্গলণ্ডত সুৰা পান কৰিলে বুলি, ইয়াকে মিচাকৈ কলে। পাচে সেই কথা বাহাদুৰৰ কানত পৰিলত তেঁও কর্বান খেত্রিক কোনো শাস্তি দিলে। পাচে তাৰ খঙ্গ উঠি কোনো কোনো বৰ লোকে সৈতে আলচ পাতি চিকাৰ কৰোঁতে জঙ্গ বাহাদুৰক মাৰিবলৈ ঠাৱৰ কৰিলে। সেই কথা বাহাদুৰে আপোনাৰ ককায়েকৰ মুখে সুনি আলচা সকলোকে ধৰালে। পাচে মহা ৰজাই আৰু মন্ত্রিবিলাকে সিইঁতৰ প্রান দণ্ড বা চকু কাৰ্হিবলৈ জোগ্য দেখিলে, কিন্তু বাহাদুৰে ক্রিপা কৰি সিইঁতক এই দণ্ডৰ পৰা ৰখ্যা কৰিলে।

নৱেম্বৰৰ সেস পখত ইঙ্গলণ্ডৰ দখিন ফালে থকা সাগৰত বৰ চুমুহা বতাহ হোআত অনেক জাহাজ ভাগি নষ্ট হল। লালা ৰুক নামে এখন জাহাজ লাগি বলত গাঁৱৰবিলাকে তাকে দেখি ১১ জন মানুহে এখান নাৱত উঠি জাহাজৰ মানুহক ৰাখিবলৈ জাঁওতে চৌঅ সিবিলাকৰ নাও বৰকৈ আকাল মৰাত নাও একে বেলিএ তল গল, আৰু তাৰ সকলোবোৰ পানিত মৰিল।

প্রথম নৱেম্বৰ তাৰিখত কালিফর্নিয়া দেশৰ পৰা পানামা ভাপ জাহাজ আহি ৪০,০০,০০০ টকাৰ দৰৰ সোন আনিলে। বচৰি বচৰি সেই দেশত প্রাই ১০,০০,০০,০০০ টকাৰ দাম সোন পাই। সেই কাৰনে সোন সাস্তা হৈ গৈচে, ৰূপ কিচু মৰগ হৈচে। জোআ বচৰত সকলো দেশত ৮,০০,০০,০০০ টকা মাথোন ৰূপ ওলাল; সোন প্রায়ে ১৪,০০,০০,০০০।

চেপ্তেম্বৰ মাহত ৬ খান জাহাজে কালিফর্নিয়াৰ পৰা ১,৫০,০০,০০০ টকাৰ দৰৰ সোন আনি নুয়র্ক নগৰ পালেহি। প্রথম অক্তোবৰত নায়াগৰা জাহাজত ৫,০০,০০০ টকা সোন আনিলে। এজন মানুহে য়ুবা নদিৰ ওচৰত সোন খানোঁতে আদ সোন গধুৰ এডোখৰ সোন পালে।

দুই বচৰৰ আগেয়ে কালিফর্নিয়া দেশত প্রাই ১৫,০০০ মানুহ আচিল; এতিয়া ৪,০০,০০০ মান হৈচে। ২৭ জুলাই তাৰিখত চান ফ্রাঞ্চিস্কোৰ ঘুলিত ৫৩০ খান জাহাজ আচিল। এক সপ্তাহৰ ভিতৰত ১২৬ খান আহি সেই নগৰ পালেহি।

ৰঙ্গপুৰত ৰূপ খানি উলিওআ।

Coins dug up near the old Palace at Rongpur.

ৰঙ্গপুৰ নগৰৰ ৰাজ কাৰেঙ্গৰ ওচৰত এতিয়ালৈকে অনেক মানুহ গোট খাই মাটি খানি আচে। তাতে কোচ, কচাৰি, জয়ন্তিয়া, ভোটিয়া, আৰু আহোম ৰজাবিলাকৰ অনেক পুৰনি মোহৰ ৰূপ পালে। তাৰ মাজত কোচ দেসৰ লখ্মি নাৰায়নৰ এক ৰূপৰ নকচা তলত লিখিচোঁ।



Rupee of Lokhmi Narayon, struck in 1509, A. D. 1587.

মোহৰৰ ই ফালে এই কথা আচে, শ্রী শ্রী মল্লক্ষ্মী নাৰায়নস্য শাকে ১৫০৯; অর্থাত শ্রীশ্রীমত লখ্মি নাৰায়নৰ, হিন্দু সঁক ১৫০৯।

সি ফালে লিখা আচে, শ্রী শ্রী শিৱ চৰন কমল মধুকৰস্য; অর্থাত, শ্রী শ্রী শিৱৰ চৰন পদ্মত মধু চুপা ভোমোৰা।

আৰু কৈচা ৰূপৰ আধলি অনেক ওলাল; টকিয়া মোহৰ সাঁচত মৰা হেতুকে আধৰৰ আদ খনি মাথোন ৰই। ৰজাৰ নামৰ প্রথম




Naraini Half Rupee, without date.

আখৰ চ, বা জ, বা প হব পাৰে; সেই কাৰনে তেঁওৰ নাম চন্দ্র নাৰায়ন, বা ৰাজেন্দ্র, বা উপেন্দ্র নাৰায়ন বুজা জাই। অনুমানে এই ৰূপে পৰে: শ্রী শ্রীমত চন্দ্র নাৰায়নস্য শাকে; আৰু সি ফালে, শ্রী শ্রী শিৱ চৰন কমল মধুকৰস্য ।

আৰু ১৭১৬ শকৰ গাৰো কঁতৰা বা জয়ন্তিয়া এটা ৰূপ ওলাল, তাৰ আখৰ কিচু ভগা হোআত আন এটা জয়ন্তিয়া ৰূপ তলত লিখিচোঁ ।




Garo Kotora, or Jaintia Rupee, 1653, A. D. 1731.

ইফালে লিখিচে, শ্রী শ্রী জয়ন্তীপুৰ পুৰন্দৰস্য শাকে ১৬৫৩ । সি ফালে লিখিচে, শ্রী শ্রী শিৱ চৰন কমল মধুকৰস্য । আৰু ৬ কুনিয়া তৰা, গাৰো কঁতৰা দা, বাঁও ফালে নগা দা, আৰু ওপৰত কিবা ফুল, এই সকলো নকচা লিখা আছে । ॥



এপ্রিল, অর্থাত বহাগৰ পঞ্জিকা ।

Almanac for April, 1851.

এপ্রিল	চৈত্র	বাৰ	তিথি	দিনমান	এপ্রিল	বহাগ	বাৰ	তিথি	দিনমান
১	২০	৩	৩০	১২।১৮	১৬	৪	৪	১৬	১২।৪৩
২	২১	৪	১	১২।২০	১৭	৫	৫	১৭	১২।৪৪
৩	২২	৫	২	১২।২২	১৮	৬	৬	১৮	১২।৪৬
৪	২৩	৬	৩	১২।২৩	১৯	৭	৭	১৯	১২।৪৭
৫	২৪	৭	৪	১২।২৫					
					২০	৮	১	২০	১২।৪৮
৬	২৫	১	৫	১২।২৬	২১	৯	২	২১	১২।৫০
৭	২৬	২	৬	১২।২৮	২২	১০	৩	২২	১২।৫২
৮	২৭	৩	৭	১২।৩০	২৩	১১	৪	২৩	১২।৫৩
৯	২৮	৪	৮	১২।৩২	২৪	১২	৫	২৪	১২।৫৪
১০	২৯	৫	৯	১২।৩৪	২৫	১৩	৬	২৫	১২।৫৫
১১	৩০	৬	১০	১২।৩৬	২৬	১৪	৭	২৬	১২।৫৬
১২	৩১	৭	১১	১২।৩৭					
					২৭	১৫	১	২৬	১২।৫৭
১৩	১	১	১২	১২।৩৯	২৮	১৬	২	২৭	১২।৫৮
১৪	২	২	১৩	১২।৪০	২৯	১৭	৩	২৮	১২।৫৯
১৫	৩	৩	১৪	১২।৪২	৩০	১৮	৪	২৯	১২।০

আমাবাস্যা ২ তাং ০।৫০ পুআ বেলা । পুনিমা ১৬ তাং ৪।৫৩ পুআ ।

THE ORUNUDOI,

Printed and published by O. T. CUTTER, *at the Sibsagor Mission Press.*—N. BROWN, *Editor.*

অৰুণোদই

৬ বচৰ। মোং শিৱসাগৰ, এপ্রিল, ১৮৫১। নম্বৰ ৪।


VOL. VI. SIBSAGOR, ASAM, APRIL, 1851. NO. 4.

আচিয়াৰ উত্তৰ দেস ৰুচিয়াৰ বিবৰন।

Geography of Russia in Asia.

আচিয়া আৰু ইউৰপৰ উত্তৰ ফালে থকা ৰুচিয়া নামে এখন বৰ দেস আচে। ইউৰপৰ ভিতৰত জি ভাগ, সি আচিয়াৰ ভাগতকৈ চাই ডাকৰ, কিন্তু প্রজা সৰহ। আচিয়াৰ জি ডোখৰ ৰুচিয়াৰ তল হৈ থাকে, তাৰ দিঘ ৫,৪০০ মাইল; প্রথালি ১০। ১২ স মাইল; মাটিৰ জোখ প্রায়ে ৫৫,০০,০০০ বর্গ মাইল। তাৰ উত্তৰ ফালে উত্তৰ হিম সাগৰ থাকে, দখিন ফালে খেহ, তাতাৰ, পার্চি, আৰু তুর্কি, এইবিলাক দেস আচে। হিমালই পর্বতৰ উত্তৰ ফালে ৰুচিয়াৰ সমান আৰু ডাঙৰ দেস নাই। প্রজাৰ সংখ্যা অনুমানে ১,২০,০০,০০০।

ৰুচিয়াৰ ভিতৰত বৰ দিঘল ডাঙৰ দুসাৰি পর্বত আচে; পচিমৰটো উৰাল বোলে, পুবৰটো আল্টাই। উৰাল সাৰি পর্বত ১২০০ মাইল দিঘল, কিন্তু ওখই ৩৩৩ হাত মাথোন।* তাৰ ওচৰৰ মানুহে সেই পর্বতবোৰক প্রিথিবিৰ কটি সুত্র বোলে। আলটাই পর্বতবিলাক পুবা পচিমা হৈ আচে, ওখ ৬৬০ মান হাত, আৰু সদাই হিমে ঢাকি থাকে। সেই পর্বতৰ পৰা অনেক



Skeleton of a Mammoth found in Siberia.

নদি আহিচে; তাৰ মাজত ওবি, এনিচি, লিনা, এই তিনি খন ডাঙৰ নৈ, ব্রহ্মপুত্রৰ সমান; উত্তৰ ফাললৈ বৈ হিম সাগৰত পৰেগৈ। সেই নদিবোৰ সাগৰৰ ওচৰ পাঁওতে ঠায়ে ঠায়ে জাৰৰ কাৰনে পানি সিলেৰে ঢকা হৈচে; তাৰ ওপৰে জোআ মানুহে নদিৰ জল নে দেখে।

সেই দেসৰ উত্তৰ ফালক চিবিৰিয়া বোলে; এবিধ সৰ পহুৰ বাহিৰে ঘাঁহ পাত খোআ প্রায়ে আন জন্তু থাকিব নোআৰে; আগৰ কালত আন জন্তু আচিল, আৰু ইমান জাৰ নাই কিচিল জেন মনে ধৰে। কিয়নো সেই দেসত হাতি গৰ আদি অনেক ডাঙৰ জন্তুৰ হাৰ পোআ গৈচে। সেই হাৰ পানি সিলৰ পৰা খানি উলিয়াই, আৰু হাতিৰ দাঁত বেচি বহু ধন পাই। নৈয়েও গৰা খহাওতে ঠায়ে ঠায়ে বহু ডাঙৰ হাৰ ওলাই। লিনা নদি মুখৰ ওচৰত ১৭৯৯ সঁকত চালে মঙহে সৈতে হাতি এডোখৰ গৰাত ওলোআ দেখিলে। ক্রমেৰে খহাই নিয়াত গোটেইটো ওলাই ১৮০৩ সঁকত গৰাৰ পৰা তললৈ পৰিল। তাতে দুবচৰ মান থকাত বাঙ্গ কুকুৰ আৰু ভালুকে তাৰ মঙহ প্রাইবোৰ খালে। সেসত আদমচ নামে এজন চাহাবে হাৰবোৰ গোটাই পিতর্চবর্গ ৰাজ নগৰলৈ পঠাই দিলে; পাচে সেই হাৰবোৰ জোৰা খুআলত হাতিৰ আকাৰ হল। কিন্তু এতিয়া জিয়াই থকা আটাই বিধ হাতিতকৈ বেলেগ। তাৰ নকুচা সি ফালে লিখা আচে। মুৰত নোমেৰে সৈতে এডোখৰ চাল এতিয়ালৈকে আচে। দাঁত নো হোআকৈ মুৰৰ হাৰ ৫ মোনতকৈ গধুৰ, দাঁত হলে ৪ মোন ১৫ সেৰ; আৰু তাক খোআ ঠাইত ১৮ সেৰ কলা নোম পালে।

ৰুচিয়া দেসৰ জি ক্রুহি বা ৰাজ সত্রু পাই, উগ্র সাস্তি দি চিবিৰিয়ালৈ খেদাই। সেই দেসত কোনো কোনো ঠাই ওখ, আৰু তাত খেৰনি; কোনো ঠাইত গচনি। সৰ, ভালুক, বাঙ্গ কুকুৰৰ বাহিৰে উমেৰে নোম থকা অনেক বিধ জন্তু আচে; নৈবোৰত অনেক মাচ। দখিন ফালে ঘাম কালি হলে সহ খেতিও কৰিব পাৰে। বাইকাল নামে ৩৭০ মাইল দিঘল এখন সৰোবৰ আচে; তাৰ ওচৰত মাটি অতি ভাল; বৰ জাৰো ন হই। তাৰ পচিম পাৰে ইৰ্কুত্স্ক প্রধান নগৰ আচে; ১২,০০০ মান মানুহ তাত নিবাসি। খেই লোকে সৈতে বেহা বেপাৰ কৰিবলৈ ৰুচিয়াবিলাকে অহা জোআ কৰে; পচিমে থকাবোৰে প্রায়ে ইউৰপিয়াই সৈতে চল কৰ কৰে। মাজে দি হিমালই পর্বত ভেঁটা থকা কাৰন হিন্দুস্থানলৈ নাহে। পচিম ফালৰ প্রধান নগৰ তবল্স্ক; তাত নিবাসি মানুহ ১৫,০০০। পুব ফালে সাগৰৰ দাঁতিত অকত্স্ক নামে ১৫,০০০ মানুহ থকা এখান নগৰ আচে; তালৈ অনেক ঠাইৰ ভালেমান বেপাৰি জাহাজ আহে।

ৰুচিয়া দেসত লো, সিহ, তাম, আৰু কোনো ঠাইত সোন ৰুপো উত্পন হই। উৰাল পর্বতত ৰাজ আগ্যাৰে খানি বচৰি বচৰি বহু সোন মুকুতাদি উলিয়াই।

সেই দেসত ৫০ মান জাতিৰ মানুহ আচে; ভাসা, ধৰম, আচাৰ, জাতিএ জাতিএ সৰ সৰ আচে। চিবিৰিয়া লোকৰ সৰহ ভাগে তিবত দেসৰ বুধ ধৰম আচৰে; কোনোএ মচলমান ধৰমেৰে প্রবর্ত্তে; কিন্তু ৰাজ ধৰম গ্রিকৰ দৰে খ্রিষ্টিয়ান। প্রায়ে সকলোবোৰে চেৰাপ কটিকা খাই। ১৪৫০ সঁকলৈকে সেই দেস ৰুচিয়াৰ তল ন হই; পাচে ক্রমে ৰুচিয়া ৰজাই আক্রমন কৰি ১৭০০ মান সঁকত সকলোকে দখল কৰা হল।

পুব ফালে সাগৰলৈ আগলিকৈ হোআ ডোখৰক কাম্স্কাত্কা বোলে; তাৰ তিনি ফালে সমুদ্রেৰে বেৰা হৈচে। কাম্স্কাত্কিয়া মানুহ চাপৰ, চকু সৰু, প্রায়ে ডাঁৰি নাই কিয়া; এলেহুআ, কঙ্গালি, আৰু দুষ্ট। সিহঁতৰ অহা জোআ কৰিবলৈ কুকুৰে টনা চানি নামেৰে ঘিলা নো হোআ জন্তু আচে হিমত পিচলি বৰ বেগেৰে জাই।

সত্য ধৰমৰ সংখ্যেপ কথা ।

Epitome of the True Religion.—From the Bengali.

সুনা সুনা, বন্ধু সকল,
  কৰা মনজোগ,
সত্য ধৰ্ম্মে মতি হৈলে
  খণ্ডে পাপৰ ভোগ ।
দিনে দিনে বহু লোকে
  জন্মে আৰু মৰে,
হেজাৰ হেজাৰ বচৰ মধ্যে
  পৰি থাকে নৰে ।
আজি, নাইবা কালি, নাইবা
  কি কোনো বচৰে,
মৰিব অৱশ্যে সবে,
  জানিবা অন্তৰে ।
ইহলোকত অলপ কালে
  থাকে সৰ্ব্ব জন,
পৰলোকত কাল অনন্ত
  থিতি নিবন্ধন ।
নাহি পুনৰ বাৰে জনম,
  আৰু নাই মৰন,
নিত্য স্বৰ্গ ভুঞ্জে, নাইবা
  নৰকে গমন ।
দেখা পাপৰ জোগ্য নৰক,
  কেও ন হব পাৰ,
তাতে মজি গলে আৰু
  কতো নাই নিস্তাৰ ।
নৰকত ন হব কোনো
  বন্ধু আপোনাৰ,
পুৰি থাকে পাপৰ অগ্নি,
  উঠে ধুম্রাকাৰ ।
এই হেতুকে বুজি সবে
  কৰা সাৱধান,
জতন ৰুপে বিচাৰ কৰা
  আত্মাৰ পৰিত্ৰান ।
পাপময় এই সংসাৰ সাগৰ
  মজি আচে নৰ,
সৰ্ব্ব প্ৰানি অখিৰ আচে
  ক্ৰোধত ইশ্বৰৰ ।
কোনে সৃজে, কোনে পালে,
  কোনে সংহাৰ কৰে,
তাক নে ভাবি কৰে হেলা,
  পাপত দিন আচৰে ।
আপোন আপোন ত্ৰানৰ অৰ্থে
  ইতো প্ৰয়োজন,
জগত খনৰ তাৰকু প্ৰভুত
  ভজিবা সঘন ।
তেঁওকে ভজা মন অকপট
  ভক্তি কৰা সাৰ,
তেহে পাবা পাপৰ পৰা
  অনন্ত নিস্তাৰ ।

সৰিল আত্মাৰ বিবৰন ।

এই হেতুকে সুনা বন্ধু,
  কথাত দিয়া মন,
তোমাৰ সৰিল কেনে বস্তু,
  কৰা বিবেচন ।
কি ৰুপ নিৰ্ম্মিত, কেনে সোভিত,
  বুধিৰে অগম,
তাতো থাকে উত্তম আত্মা,
  তাৰ কি আচে সম!
সেই আত্মাৰে সৰিল জিএ,
  অমৰ অনুসাৰ,
গলে দেহক মৰা বোলে,
  কেনে চমত্কাৰ!
তাৰ বিসয়ে ধৰম সাস্ত্ৰে
  এনে কথা কই,
আত্মা নিত্যস্থায়ি বস্তু
  জাৰ ন হব খই ।
তাক নিৰ্ম্মল পবিত্ৰ ভাৱে
  সৃজিলে ইশ্বৰ,
গিয়ানে জি অগম্য আত্মা
  সৰ্ব্বদাই অমৰ ।
এনে ৰুপে সুচি আত্মা
  আচিল আদমৰ,
জি জন আদি পুৰুশ হৈচিল
  সকলো নৰৰ ।
তাৰ হিদয়ত প্ৰভু দিলে
  প্ৰেমো ভক্তি মন,
সৰ্ব্ব গিয়ানে সৰ্ব্ব চিত্তে
  কৰে জেন ভজন ।
কিন্তু এতিয়া তোমাৰ আত্মা
  কৰা তাই চিন্তন,
তাদ্রিন সি নিৰ্দুসি নাহি
  নানা পাপ ঘটন ।

অগিয়ান কুচিন্তা আদি,
কামৰ অভিলাস,
তাতে মজি আছে মানুহ,
পাপে কৰে গ্ৰাস
এই ৰুপ আছে সৰ্ব লোকৰ
মনতে বিকাৰ,
পাসও হলত ধৰম বুজাত
শক্তি নাহি আৰ ।
মানুহ জন্মাৰ এই ফল মাত্ৰ
ইশ্বৰৰ ভজন;
মনৰ পৰা তাক দুৰ কৰি
ভ্ৰমে সৰ্ব জন ।
পৰকালৰ উপাই আদি
তাক নে ভাবে নৰে,
সেসে হব কেনে গতি
চিন্তা কেও ন কৰে ।
নৰকৰ অনলৰ ভয়ত
কিচু সঙ্কা নাই;
হাই হাই, কেনে মনৰ ভ্ৰান্তি,
তাৰা কি নো ভাই!
ভাই, কত আচা, জাৰা কলে?
পোৱা কত আয়ুই?
পাপক ভুগি জাতনাৰে
মৰিবা নিচই ।
ইশ্বৰৰ আৰাধনাতে
ভক্তি কৰিবৰ
সৰিল আত্মা সুজা হলেও
কৰা নাই আদৰ ।
এই কথা সুমৰা উচিত
মনতে সবাৰ,
সেসৰ দিনা সৰ্ব লোকৰ
ঘটিব বিচাৰ ।
কায়ে বাক্যে মনে কৰম
জাক জেই কি ন কৰে,
সেই সকলৰ সুখ্‌ম বিচাৰ
কৰিব ইশ্বৰে ।
তেতিয়া জাৰ জি দুস্ট কৰম
তাতে হই প্ৰকাস,
ভুত চইতানৰ পথত চলা
তাৰ জি কোনো দাস,
সেই জন লোকৰ দসা হব
অনন্ত নৰক,
জেনে কৰম, তেনে দণ্ড
দিব ফল দায়ক ।
কিন্তু জি কোনো আচৰে
মন দি সুকৰম,
ভাগি হব স্বৰ্গ আলয়ত
ইশ্বৰৰ মৰম ।

ধৰমৰ কথাৰ সম্বাদ ।

Religious Intelligence.

চিয়াম দেসৰ বাঙ্কক নগৰত ১৪ জানুআৰি তাৰিখে মিস্যনেৰিৰ চাপা খানাৰ ওচৰত থকা এটা উদঙ্গ ঘৰত মানিসা সমই জুই লাগি সেই ঘৰ আৰু চাপা খানা, পুথি, সিহঁত আথৰ আদি সকলো পুৰিলে । মিস্যনেৰিবিলাকে কাপৰ মাথোন উলিয়াই সৰুআলে; হানি প্ৰায়ে ৪০,০০০ টকা হৈচে ।

আফ্ৰিকাৰ দামাৰা দেসত থকা হান নামে এজন মিস্যনেৰি চাহাবে লিখিচে, ২৩ আগষ্ট তাৰিখত জঙ্কৰ নামে এটা আফ্ৰিকান গামে বনুআই সৈন্তে আহি, তাত থকা ওৱাহেৰেৰো গাঁৱৰ লোকক জুধ কৰি লৰা তিৰোতাৰ হাত ভৰি কাটি, চকু কাহিঁ, পেট ফালি, সক ভাঙ্গৰ জাক পালে আটাইকে মাৰিলে । তাত থকা কলৃৰি নামে এজন মিস্যনেৰি লোকে অলপ মানুহে সৈন্তে পলাই সাৰিল ।

এতিয়াৰ পৰা ১৫০ বচৰৰ আগেয়ে খেহ দেসত য়িহুদি লোক আচিল, এই কথা ইঙ্গলণ্ডৰ বুৰি মেম চাহাৱ এজনিএ সুনি বুলিলে, জদি কোনো মানুহে সিবিলাকক বিচাৰি জাব, তাঁৰ খৰচৰ নিমিত্তে ৫০০০ ৰুপ দিম । পাচে ১৮৫০ সঁকৰ বচৰত স্যাংহাই নগৰত থকা ডক্তৰ স্মিথ চাহাবে দুজন খেহ লোক পঠাই হনান জিলাৰ কৈফংফু নগৰত সিবিলাকক পালে । কিন্তু এতিয়া অতি ডাকৰ হৈ গল, ২০০ মানুহ মাথোন আচে; প্ৰায়ে তিৰোতাহে, আৰু বৰ দুখিয়া হৈচে । সিবিলাকৰ পৰা ইব্ৰি ভাসাৰ আঠ খন পুথি পাই কিনি আনিলে; সিবিলাকে এতিয়া সেই পুথি পঢ়িব নোৱাৰে । ৫০ বচৰৰ পৰা সিইঁতৰ পোৰোহিত নাই কিয়া হৈ আচিল । সেই ঠাইত প্ৰায়ে ২০০০ বচৰৰ পৰা নিবাস কৰি আচিল ।

ম্রিত্যু, মহা বিচাৰৰ দিন, আৰু অনন্ত কাল ।

Sermon I.—On Death, Judgment, and Eternity.

অস, কেনে ভয়ানক কথা! হে পৰ্হা সুনা লোক সকল, ইবিলাক কেনে বস্তু, তোমোলাকে তাক জানিচা নে! কি জানি অনেক বাৰ তাক পৰ্হিলা আৰু সুনিলাও, কিন্তু তাক ভাল মতে বিবেচনা কৰিচা নে? আৰু তাকে জতন ৰুপে আপোন আপোন মনত দাঙ্গি পাৰি চাইচা নে? নতুবা আপোনাৰ মনত সেই কথা ঘোৰ ভয়ানক চিন্তা দেখি দুৰ কৰিহে খেদাইচা! কিন্তু কি কাৰনে তাক আপোন মনৰ পৰা দুৰ কৰিচা? কিয়নো তাৰ দোআৰাই তোমোলাকৰ মনক ধৰমলৈ আকৰ্সন কৰে। তেন্তে জিহেৰে মানুহৰ মনক পাপৰ পৰা আঁতৰ কৰি পৰিত্রানৰ কথাত চিন্তা সুমাই, এনে সক্তিমন্ত বাক্যৰ চিন্তনিকে মানুহে দুৰ্ কৰে নে? হই, প্রাই সকলোএ পৰমাৰ্থিক চিন্তনিত ভাল নে পাই; কিয়নো পাপৰ নিমিত্তে মানুহৰ মন এন্ধাৰ হোআত পহৰৰ ওচৰলৈ নাহে ।

ম্রিত্যু! চিন্তা কৰা, হে বন্ধু, চিন্তা কৰা। মৰন নো কাক বোলে? জাৰ আগত সকলো ৰাজ্যৰ লোক অত্যন্ত ভয়েৰে উবুৰি হৈ পৰি আছে, সেয়ে মহা ভয়ানক ৰজা ম্রিত্যু! ম্রিত্যুএ সৰিল আত্মা দুয়োকো বিজোগ কৰি, সৰিলক ঘোৰ এন্ধাৰৰ মাটিত গেলি পচি লিন জাব দিএ, আৰু জিৱাত্মাক অনন্ত অদ্রিস্য জগতলৈ নিএ। মৰনেই সংসাৰৰ সকলো দুখ, সুখ, ঐশ্বৰ্জ, বিভুতি, বিসয়ৰ কৰম, আৰু প্রান তুল্য মিত্ৰিৰ কুটুম, পিত্রি, মাত্রি, ভাই বন্ধুৰ পৰা আমাক চেদ কৰে; আৰু অনন্ত কালৰ অৱস্থা পাবলৈ আমাৰ ওপৰত অলৰ মোহৰ মাৰে। তেন্তে স্বৰুপেই মৰনলৈ অতি দুখৰ কথা হই। আৰু জদি তুমি সোধা, স্বৰুপকৈএ মই আৰু জগত খনো মৰনৰ অধিন হৈচোঁ নে? হই, আগ্যা কৰা হল, আৰু সেই আগ্যা কেতিয়াও লৰচৰ হব নোআৰে, কিয়নো জি জনে মিচা কব নোআৰে, তেঁৱেই আগ্যা কৰিলে। সেই বচনেই স্রিষ্টিৰ কালৰে পৰা পুৰ হৈ আহিচে, আৰু অন্তলৈকো তাৰ একো হানি নো হোআকৈ সিধি হব। মৰনে আমাৰ অহিত কৰিবলৈ অবিনাসি আৰু অলৰ হোআ জনৰ মুখে আদেস পালে; আৰু সি কেতিয়াও ভই পাই আপোন কৰমৰ পৰা ইফাল সিফাল ন কৰে। বুৰা বা ডেকা, বা জি কোনোএই ন হওক, তেও তাৰ একো চেনেহ ৰেখা পাব নোআৰে; আৰু তাৰ প্রচণ্ড প্রহাৰকো গুচাব নোআৰে; দুখি বা সুখি, ৰজা প্রজা, সি কাৰো মুখ নে ৰাখে। ৰুপে, গুনে, ঐশ্বৰ্জ বিভুতিএও তাক বাধা কৰিবলৈ অসাধ্য; ৰজা বা ৰাজ দণ্ডেই কোনো ৰুপে তাক ভয়ো দেখাব নোআৰে; আৰু বেজ, কেঁকনি, চকুৰ লোতক বা জাতনা, এইবোৰেও তাৰ কোনো মৰম পাবলৈ সক্তি নাই। তাৰ আগত সকলো জগত খন ত্রিনৰ ফুলৰ নিচিনা, ফুল জঁই পৰে, আৰু তাৰ সুন্দৰ ৰুপ গুচে। সেই ৰুপে মানুহ আৰু তাৰ সৰিলো খেনেকতে ম্রিত্যুৰ জালৰ দোআৰাই নষ্ট কৰে।

দেখা, কি নো মানুহ কাই,
বায়ু বেগে ঢকাই জাই,
দেখে জেনে সুন্দৰ ফুল,
থাকে মানে জিৱৰ মুল ।

পাচে বদত পৰি জঁই,
ফুলৰ পাতো সুকাই ৰই,
তেনে ৰুপে ম্রিত্যু বান
আহে, নিবৰ হেতু প্রান ।

হাই বিনাসি মাটিৰ বাস,
তোমাত কিচু নাহি আস,
খেনেক পেলাই ম্রিত্যু জাল
নিব তোমাক পৰকাল ।

চেতন হোআ বন্ধুগন,
কিয় হৈচা অচেতন?
পৰকালত কাল অসেস
সুখ ভুঞ্জিবা, নতু ক্লেস ।

ম্রিত্যু স্বৰুপেই আছে, তথাপি চিকনা নাই; কিয়নো আমি মৰিম বুলি নিচয়ে

জানি আচোঁ, কিন্তু কেতিয়া, কত মৰিম, এয়ে নিচই ৰূপে ঘোৰ অন্ধকাৰৰ মাজত গোপনিয় হৈ আচে। হে পৰ্হা আৰু সুনা লোক, এক ঘৰিৰ বা এক নিমিসৰ পাচেই মৰনে তোমোলাকক পাব, ইয়াকে তোমোলাকে নে জানা। চকুৰ প্ৰচাৰতে তোমোলাকক চন কৰিবলৈ ইশ্বৰক একো জন্ত্ৰ নে লাগে। তোমোলাকৰ চাৰিও ফালে জি জি বস্তু আচে, সেইবোৰেই মৰন; আৰু সকলো ঠাইৰ চুকে চুকে সি আপোনাৰ কৰম সাধিবলৈ বিচাৰি ফুৰি আচে; কি জানি এই খন্তেকতে সি তোমাৰ দুআৰ মুখত, খোঁটালিত, নতুবা তোমাৰ হিদয়তে আচে। বায়ুত জি তুমি নিশ্বাস লৈচা, কি জানি সেয়ে তোমাৰ অহিত হই; কি জানি আহাৰ লোআত বা পান কৰাতে তোমাৰ নাস কাল আহে; মাউৰ, এঁকাল, জৰ, গ্ৰহনি বা আন কোনো অহিতৰ দোআৰাই তোমাৰ অন্ত কাল হই; নতুবা সত্ৰু, মিতিৰ, বা আপোন হাতৰ দোআৰাই তোমাক অনন্ত কাললৈ নিয়া হব। ৰাতিত বা দিনত, ঘৰত বা পৰত, নগৰত বা গাঁৱত, পথাৰত বা বাটত, উঠোঁতে বা বহোঁতে, নিদ্ৰাত বা সাৰ পোআত, কিনাত বা বেচাত, বিয়া কৰোআত বা বিয়া দিয়াতে মৰনে তোমাক পাব। কি জানি কোনো কুকৰম কৰোঁতেই বা কুচিত ধনৰ লোভতে মৰনে তোমাক বিচুৰ্তি খুআই পৰকাললৈ নিব। হাই হাই, মানুহৰ সৰিল কি? সি কেৱল ৰতাহত উৰি জোআ ভাপৰ নিচিনা; এক খন্তেক মান থাকে, পাচে আৰু পোআ নে জাই। কিন্তু অস, জিৱাত্মাৰ দৰ কেনে বহুমুল্য হই! তেন্তে হে বন্ধু সকল, এনে বহুমুল্য জিৱাত্মা ৰাখিবৰ নিমিত্তে তোমোলাকৰ কি উপাই আচে? মৰনৰ দোআৰাই সৰিল জেতিয়া গেলি পচি মাটিৰ বস্তু মাটি হই, তেতিয়া আত্মাৰ নিবাস ঠাই নো কত ৰাখিচা? জতে ৰোগ, দুখ, বেদনা, সোক, মৰন নাই, এনে অনন্ত অখ্যই কাল দিপ্তিমন্ত বস্ত্ৰেৰে ভুসিত হৈ ইশ্বৰৰ গুন কিৰ্ত্তন কৰা পৰম সাধু লোকৰ থানত তোমোলাকৰ জিৱাত্মাৰ ভাগ আচে নে? নতুবা জতে হাঁহাকাৰ সবদ, ঘোৰ অন্ধকাৰ, আৰু প্ৰচণ্ড অগ্নিৰ জলি থকা সিখা পাপি লোকক নাস কৰিবৰ নিমিত্তে অনন্ত কাললৈকে ৰাখি থোআ হৈচে, সেই ঠাইতেহে জিৱাত্মাৰ বাস ৰাখি থৈচা? হে বন্ধু, ইয়াক নিচয়ে জানিবা, তুমি জগতত থাকোঁতে পাপ পুন্য জিহকে আৰ্জন কৰিচা, তাকে অনন্ত পৰলোকতো অৱস্যে ভোগ কৰিবলৈ পাবা। এই হেতুকে চেতন হোআ; আৰু বাৰ বিনই বচনেৰে কওঁ, চেতন হোআ, আৰু ইশ্বৰৰ দায়া, পাপৰ খেমা, ইয়াক সিঘ্ৰে বিচাৰ কৰা; কিয়নো মৰন আৰু পৰলোক দুআৰ মুখতে তোমাক ধৰিবলৈ বাট চাই আচে। জি কালতে তুমি সুখ আৰু নিৰ্বিঘিনি হৈ আচোঁ বুলিবা, সেই কালতে গৰ্ভিনিৰ প্ৰসৱৰ বেদনাৰ নিচিনাকৈ তোমাৰ ওপৰলৈ মৰন আহিব।

মৰনৰ বিৱৰনতকৈ মানুহৰ আৰু ঘোৰ অৱস্থা নো হোআ হলে, তেন্তে মই মনে মনে থাকিলোঁহেঁতেন; কিন্তু হাই হাই, তাতকৈও কেনে দুৰ্ঘটনাৰ অৱস্থা আচে! জদি তুমি সোধা হেনে মৰনতকৈ নো আৰু কি দুৰ্ঘটনা আচে? অনন্ত নিৰ্বান আৰু অনন্ত নিদ্ৰা আচে নে? অস, জদি এয়ে কোটি কোটি কল্পলৈকে হৈ থকা হলে তেও ভাল আচিল; কিন্তু সিও ন হই; মৰনৰ পাচে মহা বিচাৰৰ দিন আচে। মহা বিচাৰৰ দিন নো কেনে? জি দিনত ইশ্বৰে নিজোজন কৰা য়িচু খ্ৰিষ্টৰ দোআৰাই ধৰম ৰূপে মানুহবিলাকৰ মনৰ গুপুত কথাৰ সোধ কৰিব, সেয়ে মহা বিচাৰৰ দিন।

হে বন্ধু সকল, জি দিনত ওপৰে লিখা কথাৰ দোআৰাই মহা বিচাৰৰ দিন উপস্থিত হব, সেই ভয়ঙ্কৰ দিনত পাপি লোকৰ নো আসুই কত আচে! জগতৰ মাজত মানুহৰ নানা ৰূপ আসুই আৰু ভাৰসা আচে হই, তেও তাৰ দোআৰাই পৰিত্ৰান হব পাৰে নে? মানুহে আপোন নিৰ্বলি হাতেৰে নিৰ্মান

কৰি জি সোন, ৰুপ, পিতল, কাঁহ, শিল, কাঠৰ বিনাসি মুৰ্ত্তিৰ আগত পৰি ইশ্বৰ ৰুপ ভাব কৰে, সেই বিনাসি বস্তুএ অবিনাসি ইশ্বৰৰ আগত মানুহৰ পৰিত্ৰানৰ অৰ্থে কিবা আমুই হব পাৰে নে? আৰু জেতিয়া ইশ্বৰে আপুনি নিচই কৰা দিনত জগত খনৰ মহা বিচাৰ কৰি প্ৰতি জন লোকৰ কৰমৰ ফল দিব, তেতিয়া ইশ্বৰৰ প্ৰতিকুল বাধা কৰি আপোনাক সেৱা কৰা লোকৰ পৰিত্ৰান দিবলৈ সোন, ৰুপৰ, কাঠ, শিলৰ কিবা সক্তি হব নে?

দেখা, সামান্য ৰুপে প্ৰিথিবিৰ ৰজাবিলাকে আপোনাৰ প্ৰজাবোৰক জেনেকৈ সোধ কৰি, দুসি লোকক দণ্ড আগ্যা কৰে, সেই ৰুপে ইশ্বৰেও আপোনাৰ প্ৰজাবোৰক অৰ্থাত জগতৰ সকলো মৰা জিয়া লোকক ধৰম ৰুপে সোধ কৰি প্ৰতি জনৰ কৰমৰ ফল দিব। কিন্তু জগতৰ অগিয়ানি আৰু অথিৰ মন হোআবিলাকে ইশ্বৰৰ সেই অখণ্ডনিয় প্ৰতিফলক হেলা কৰি কই, মানুহৰ পাপৰ প্ৰতিফল এই জগততে দিএ, সেই নিমিতে সকলোৱে সৰিলত ৰোগ, বিয়াধি, দুখ, কেলেস, এইবোৰে পিৰিত হৈ থাকে, আৰু কোনো কোনো দুখিয়া দৰিদ্ৰ হৈ অনাহাৰে মৰি জাই। আন আন লোকে বোলে, মানুহ মৰিলেই পাপ পুন্যৰ সোধ কৰা হৈ, স্বৰগে বা নৰকে থান পাই আপোন কৰমৰ প্ৰতিফল ভুঞ্জে; আৰু জেতিয়া তাৰ পাপ পুন্যৰ ভোগ গুচে, তেতিয়া পশুত বা মানুহতেই পুনৰাই জনম ধৰি জগতলৈ আহে; পাচে মহা প্ৰলয়ৰ কাল হলে সকলো জিৱাত্মা ইশ্বৰৰ সৰিলত লিন হৈ আৰু পাচে দুখ সুখ ন জনা হই।

তথাপি জি জনে জগতৰ গিয়ানিক অগিয়ানি বুলি জানে, আৰু প্ৰিথিবিৰ পৰা স্বৰগলৈ জিমান অন্তৰ, মানুহৰ পৰাও জি জনৰ ভাবনা ইমান অন্তৰ হই, তেঁৱে এই ৰুপে মানুহৰ পৰকালৰ গতি ঠাৱৰ কৰা নাই; কিন্তু ইহলোকত থাকোঁতে মানুহে জি সৰিলে আৰু আত্মাৰে ইশ্বৰৰ অহিতে পাপ কৰে, সেই দুয়োকো জোগ ন কৰিলে কোনো ৰুপেও পাপি বা পুন্যৱন্তকে কৰমৰ প্ৰতিফল নি দিএ। জদি মানুহ মৰোঁতেই তাৰ কৰম ফল ভুঞ্জিবলৈ দিএ, তেও আত্মাৰে সৈতে সম্পূৰ্ন ৰুপে দুখ বা সুখ ভোগ কৰিব নোআৰে। তাত বাহিৰে আৰু এক প্ৰধান কাৰন আচে; দেখা, সংসাৰিক লোকে বোলে, জেতিয়া মানুহ মৰে, তেতিয়া তাৰ পাপ পুন্যৰ কৰম পুৰ হই; তাৰ পৰা পাপো কৰিব নোআৰে, আৰু পুন্যকো আৰ্জিব নোআৰে। কিন্তু ইশ্বৰৰ আগত সেয়ে কোনো ৰুপেও ন হই, কিয়নো স্ৰিষ্টি খন থাকে মানে মানুহৰ পাপ পুন্যও থাকি বাহিঁ বাহিঁ জাই; জেতিয়া জগতৰ অন্তকাল হই, তেতিয়াহে সেই কৰমবো সমাপত হব। জদি কোনোএ সোধা হেনে কি ৰুপে এই কথা হব পাৰে? তেন্তে কঁও সুনা, এই জগতত থাকোঁতে মানহে পাপ পুন্য জি কি ন কৰোক, তাৰ সেই কৰম এই দৰে বাহিঁ বাহিঁ গৈচে, দেখা, বাপেকে জি কৰম কৰে, পুতেকেও বাপেকৰ আহিঁকে চাই সেই সেই কৰমকে কৰে। এই ৰুপে এজন মানুহৰ দোআৰাই অনেক অনেক পুৰুসলৈকে অৰ্থাত জগতৰ সেসলৈকে পাপ কৰি থাকে; আৰু একে জনৰ দোআৰায়ো অনেকে ভাল কৰম কৰি ইশ্বৰৰ আগত পুন্যৱন্ত লিখা হই। এই হেতুকে জেতিয়ালৈকে ইশ্বৰে জগতৰ পৰা মানুহক উবাব ন কৰে, সেই দিনলৈকে প্ৰতি জন মানুহৰ ভাল বেয়া কৰমো সম্পুৰ্ন ন হই; আৰু পাপি লোককো ইশ্বৰে সম্পুৰ্ন ৰুপে সাস্তি নু ভুঞ্জাই। কিন্তু জেতিয়া জগতৰ অন্তকাল হব, তেতিয়া মানুহৰো সকল কৰম পুৰ হব। তাৰ পাচে ইশ্বৰে জি দিন ঠাৱৰ কৰি থৈচে, সেই দিনতে আপুনি নিজোজন কৰা প্ৰভু য়িচু খ্ৰিষ্টৰ দোআৰাই সকলো লোকৰ পাপ পুন্যৰ বিচাৰ কৰিবৰ নিমিতে সেই কাল প্ৰকাস হব।

কিন্তু হে বন্ধু সকল, দেখা, সেই দিন সামান্য ৰুপে আহিব, এনে ন হই; কিন্তু অতি

প্রচণ্ড ৰুপে পাপি লোকক নাস কৰা অগ্নিময় ক্রোধেৰে চোৰৰ নিচিনা প্রভুৰ দিন আহিব; সেই কালত মহা সবদেৰে আকাস মণ্ডল গুচিব, আৰু অতি তাপেৰে মুল বস্তু সকল পমি জাব, আৰু প্রিথিবি তাৰ সকলো বস্তুএ সৈতে পোৰা জাব। পৰ্বত, উপদিপ, সুৰ্জ, চন্দ্র, গ্রহ আদি সকলো নষ্ট হব। তেতিয়া আকাসৰ মেঘৰ ওপৰত ইস্বৰৰ মহিমা প্রকাস হোআ দেখি সকলো জগতৰ লোকে ক্রন্দন কৰিব; কিয়নো অদ্ভুত গুন অদ্ভুত, আৰু হেজাৰ গুন হেজাৰ দুতবিলাকে প্রভুক আব্রিত কৰি আহিব; আৰু স্বৰ্গিয় মহা ভেঁৰি বাদ্যৰ দোআৰাই জগতৰ সকলো মৰা মানুহবিলাক চকুৰ প্রচাৰতে মৰনৰ পৰা উঠি আপোন আপোন সৰিল আত্মাৰে সংজোগ হব। তাৰ পাচে সোধ আসনৰ আগত দুখি কি সুখি, ৰজা কি প্রজা, সকলোবিলাক গোট খাব লাগিব। সেই মহা কালত হে পাপি বন্ধু, তুমি সাৰিব পাৰিবা নে? মতুৰা মৰনে তোমাক ৰাখি থব নে? হাই হাই, কেতিয়াও তুমি সাৰিব নোআৰা; সৈদামে তোমাক ঢাকি ন থব, আৰু পৰ্বত সিলবোৰেও তোমাক লুকাবলৈ সক্তি নাই; কিয়নো সাগৰে আপোনাৰ মৰাবিলাকক, আৰু মৰন আৰু পৰলোকেও সিবিলাকৰ মাজত থকা মৰাবোৰক সোধ কৰ্তাৰ হাতত সোধাই দিব। তেতিয়া তুমি মহা ভয়েৰে পৰ্বতক জদি বোলা, হে পৰ্বত, মোক ঢাকি ধৰা, আৰু সাগৰকো জদি কোআ, হে সাগৰ, মোক লুকাই ৰাখা, তথাপি অগাধ জলৰ মাজতো সোধ কৰ্তাৰ চকুএৰে তোমাক দেখি থাকিব। সেই দিনত মানুহে জি কি আস্রই ন লওক, তেও সকলো মহা বাবুৰ আগত উৰি জোআ ত্রিনৰ নিচিনা হব।

জেতিয়া মৰা জিয়া সকলোকে আপোনাৰ আগত প্রভুএ চপাই লব, তেতিয়া তেঁও সকলোৰে সোধ কৰি প্রতিফল দিব। কিন্তু কি ৰুপে তেঁও মানুহৰ বিচাৰ কৰিব? তেঁও মানুহৰ মনৰ গুপুত কথাৰ সোধ কৰিব; সকলো মনৰ গুপুত ভাবনা, বেয়া হওক বা ভাল হওক, সেই মহা দিনত ইস্বৰৰ আৰু মানুহৰ আগতো প্রকাস কৰা হব। কিন্তু কি ভাৱেৰে সোধ কৰা হব? পৰমাৰ্থিক আৰু অনন্ত সত্যেৰে জগতৰ বিচাৰ কৰা হব। সেই দিনা জিবিলাকে বিধান নে পাই পাপ কৰে, সিবিলাক বিধান নো হোআকৈ বিনাস হব; আৰু জিবিলাকে বিধান পায়ো পাপ কৰে, বিধানৰ দৰেই সিবিলাকৰ সোধ হব। এই সংসাৰত থাকোঁতে পাপৰ বলত সকলোএ ইস্বৰৰ বাক্যত নিন্দা, আৰু অহঙ্কাৰ কৰে; কিন্তু সেই মহা দিনত অতি ভয়েৰে মানিবলৈ ইচা কৰিব। কিন্তু হে ভাই, তোমাৰ মনৰ আৰু গুপুত কথাৰ সোধ কোনে কৰিব, তাক জানিচা নে? জি জনক ইস্বৰে স্রিষ্টিৰ আদিৰে পৰা নিজোজন কৰি থলে, আৰু জি জনক সংসাৰিক লোকে, কি জানি তুমিও নিন্দা আৰু ঘিন কৰিচা, সেই প্রভু য়িচু খ্রিষ্টেই তোমাৰ আৰু জগতৰো সোধ কৰিব। হই, মোৰ প্রিয় সকল, জি জনে সত্রুৰ নিমিত্তে আপোনাৰ প্রান পেৰেঙ্গনিৰ ওপৰত ত্যাগ কৰিচিল, জি জনক জগতৰ পাপি আৰু দুষ্ট লোকে বধ কৰিলে, সেই প্রভু য়িচুএই সকলোৰে মহা সোধাৰু হব। তথাপি পুৰ্বে জেনেকৈ জগতৰ পাপ ভুঞ্জিবৰ নিমিত্তে আপোনাৰ সৰিল ত্যাগ কৰিবলৈ নম্র হৈ প্রিথিবিলৈ আহিল, তেতিয়া তেনেকৈ নাহিব; কিন্তু মহা ভয়ানক আৰু সত্যেৰে ভুসিত হৈ অবিনাসি মহিমাৰে কিৰিটি পিন্ধি সোধৰ আসনত বহিব। তেতিয়া জিৱনৰ গ্রন্থ মেলি জাৰ জাৰ নাম তাৰ ভিতৰত পোআ নে জাই, সেই সকলোকে গন্ধকেৰে মিহলি হোআ সৰোবৰত পেলাব। সেই ভয়ানক কালত পিত্রি মাত্রি, ভাই ককাই, তিৰি স্বামি, সকলো বেলেগ বেলেগ হব; আৰু তাৰ পৰা কোনো জুগেও লগ পোআ ন হব। হে পঢ়ী আৰু এই কথা সুনা লোক, তেতিয়া তোমালোক কোন ঠাইত বাস পাবা! কি উপায়েৰে বা আপোন পাপৰ

পৰা হাত সাৰিব পাৰিবা! কিয়নো ইস্বৰৰ আগত কোনো মানুহৰ মুখ ৰখা ন হই। হে এতিয়া ধৰমক নিন্দা আৰু তাৰনা কৰা লোক, তোমোলাকে সেই দিনত সোধ কর্তাৰ আগত নো কি সক্তিএৰে থিয় হব পাৰিবা? জি জনক এতিয়া তোমোলাকে সত্রু ভাৱেৰে হেলা আৰু খিয়াল কৰিচা, আৰু জি জনৰ অহিতেই সকলো পাপকো কৰি আচা, এনে জনৰ মুখলৈ নো কি সাধ্যেৰে চাব পাৰিবা? কিয়নো প্রচণ্ড প্রতাপি সুর্জতকৈও তেঁওৰ মুখ প্রকাস হব। আৰু তুমি জদি তেঁওৰ সত্রু হোআ, তেন্তে কি উপায়েৰে নো তেঁওৰ পৰা পলাব পাৰা? জিবিলাকে ইহলোকত থাকোঁতে তেঁওত পৰিত্রানৰ আস্রুই লৈ তেঁওৰ প্রাচিতৰ দোআৰাই আপোনাৰ পাপৰ পৰা নিকা কৰা হল, সেইবিলাকলৈ তেঁও চাই কব, হে মোৰ পিত্রিৰ আসির্বাদ পোআ লোক, তোমোলাকৰ নিমিত্তে জগতৰ আদিৰে পৰা জি ৰাজ্য জুগুত কৰা হৈচে, তাৰে ভাগি হোআহি। কিন্তু অপৰমার্থিকবিলাকলৈ এই দণ্ড আগ্যা দিব, হে কুকৰম কৰা আৰু সাও পোআবিলাক, চইতান আৰু তাৰ ভুতবোৰৰ নিমিত্তে জি অনন্ত জুই স্রুজন কৰা হৈচে, তইঁতে মোৰ ওচৰৰ পৰা তালৈকে গুচি জাইঁক। হে ভাই, সেই মহা সোধ কৰা সামান্য কথা বুলি তুমি ভাবিচা নে? আৰু জি জনে মনৰ অগাধ কথাকো বিচাৰ কৰি উলিয়াই এনে মহা সোধাৰুৰ আগত থিয় হবলৈ তুমি আপোনাকে জুগুত কৰিচা নে? আৰু জি জনে তোমাক সোধ কৰিব, তেঁওৰ পৰা তুমি পাপৰ খেমা পালা নে? জদি এয়ে ন হই, তেন্তে তুমি সাৰিব নোআৰা। এই হেতুকে নিচই কৰি মই তোমাকে বোলোঁ, সেই মহা দিনত তুমি তেঁওৰ আগত থিয় হবলৈ আপোনাকে জুগুত কৰা।

এতিয়া সেনতে আৰু এক কথালৈ মন কৰি চোআ, অনন্ত কাল কাক বোলে? এই কথাতে আমাৰ উপাই হেৰাল। মনৰ ভাৱনিৰেও তাক গুনিবলৈ নোআৰে, কাৰনো সোলাই। এয়ে তলি নো হোআ মহা অপাৰ সমুদ্রু, আগ গুৰি নো হোআতো সর্বদাই থিৰে থাকে। আকাসৰ তৰাবিলাককো জোতিসিয়া লোকে লিখিব পাৰে, সমুদ্রুৰ বালি নতুবা প্রিথিবিৰ সকলো ধুলিকো কি জানি কোনোএ গনি এঁটাব পাৰে; কিন্তু অনন্ত কালৰ কথা কোনেও বুজিব নোআৰে। এয়ে মনৰ অগোচৰ কথা। কোটি কোটি কল্প গৈ ঢুকালেও তেও অনন্ত কালৰ এক নিমিসে সৈতেও তুল্য কৰিব নোআৰে। সেই অনন্ত কাল তোমাৰ হই নে ন হই, তাক সুধিচা নে? হই, প্রিয় বন্ধু, অনন্ত কাল তোমাৰহে হব। তালৈকে তুমি অতি বেগে গৈ আচা; আৰু তাক পোআৰ পাচে সর্বদাই তোমাৰ তাতহে বসতি হব। কিন্তু কেনেকৈ সেই অনন্ত কাল নিয়াম, ইয়াক জদি তুমি সুধিচা, তেন্তে কান পাতা, এই জগতৰ অলপ কালত তুমি থাকোঁতে জি জি কৰম কৰি আচা, সেই সেই কৰমৰ দোআৰাই সাধু আৰু পৰম দুতবিলাকৰ লগত স্বৰগৰ অথই সুখ ভুঞ্জিবা; নতুবা সেই কৰমৰ দোআৰাই, দণ্ড আগ্যা পোআবিলাকৰ লগত অনন্ত নৰকৰ অথগুনিয় ঘোৰ সাস্তিকে ভুঞ্জিবা; এই দুয়েই তোমাৰ অনন্ত নিবাসৰ থান হব।

কিন্তু হে ভাই, মন কৰি চোআ, জদি তুমি পাপৰ দোআৰাই সেই নৰকৰ মাজত পৰিবলৈ ভাগ পোআ, তেন্তে কি ৰূপে নো তাৰ সাস্তি ভুঞ্জিবা? দেখা, সেই ঠাইত মানুহে দুখ পাই মৰনক বিচাৰিব; কিন্তু কোনো কালেও তাত আৰু মৰন নো সোমাব। তাত আৰু পুনর্বাৰ উধাৰ পাবলৈ সক্তি নাই; অজুত অজুত জুগ গৈ ঢুকুআৰ পাচতো জদি পাপি লোকৰ উধাৰৰ কাল থকা হলে, তেও অতি আনন্দৰ কাৰন হলহেঁতেন। কিন্তু হাই হাই, নৰকৰ জাতনা, নুনুমুআ অগ্নি, আৰু পাপি লোকৰ ক্রন্দন, দাঁত কৰচনি, বিলাপ, অনন্ত কালৰ পৰা

আৰু অনন্ত কাললৈকে তেনেই থাকিব! ঈশ্বৰ জেনে অবিনাসি হয়, তেঁওৰ শত্ৰু জি পাপি মানুহ, সিহঁতৰো সেই ৰূপ শাস্তিএ সৰ্বদাই অবিনাসি হৈ, শাস্তি দি থাকিব।

তেন্তে হে এতিয়াৰ কালত পাপক ভাল পোৱা লোক, তোমোলাকে ওপৰে লিখা কথালৈ চাই অতিসই ভয়েৰে কঁপি নে থাকা নে? নতুবা তালৈ একো বিবেচনা ন কৰাকৈকেহে কাল নিয়াব খুজিচা? তেন্তে সেই অবিনাসি নৰকৰ জাতনাত অৱস্যে পৰিবা। কিন্তু জদি সোধা, হেনে আমি নো কি উপায়েৰে নৰকৰ জাতনা সাৰিম? তেনে হলে প্ৰভু য়িচু খ্ৰিষ্টত বিশ্বাস কৰা; জি জনক এতিয়া তুমি হেলা কৰিচা, আৰু জি জনৰ বাক্যকো তুমি আপোনাৰ পৰা দূৰ কৰিচা, সেই জনৰ ওচৰলৈ আহি, আশ্ৰয় লোৱা; তেঁওত বাহিৰে কাৰো পৰা মানুহৰ পৰিত্ৰান নাই। তেঁৱে জগতক উধাৰিবৰ নিমিত্তে স্বপ্ৰান ভগন কৰিলে; জগতৰ পাপ ধুই নিকা কৰিবৰ হেতুকে আপোনাৰ তেজ দিলে। তেঁওৰ সমান প্ৰেম পাপি লোকলৈ আৰু কাৰো নাই; কিয়নো তেঁৱে ৰজাৰো ৰজা হোৱাতো আপোনাৰ দুষ্ট প্ৰজাবিলাকক ঈশ্বৰৰ মহা ক্ৰোধৰ পৰা ৰাখিবলৈ সিহঁতৰ জি দণ্ড, তেঁও তাক আপোনাৰ শৰিলত ভোগ কৰিলে। তেঁৱে অন্ত কালৰ সোধাৰু হৈও, দুসি লোকৰ সলনি পেৰেঙ্গ কাঠৰ ওপৰত শাস্তি ভুগি প্ৰান চাৰি দিলে; তাত বাহিৰেও মৰনৰ পৰা উঠি, এতিয়া আৰু অনন্ত কাললৈকে জিয়াই থাকিচে। আৰু অন্ত কালতো জগতৰ মহা সোধাৰু হৈ সকলো মানুহৰ পাপ পুন্যৰ সোধ কৰি, প্ৰতি মানুহৰ কৰমৰ আৰু মনৰ গুপুত কথাৰ প্ৰতিফল দিব। তেনে হলে এনে দায়ালু প্ৰভুৰ অনুগ্ৰহ নি বিচাৰি, হে নিৰ্বুধি মানুহ, কাৰ নো অনুগ্ৰহ বিচাৰিচা? তেঁওৰ অতুল্য প্ৰাচিতত ভাৰসা ন লৈ, আৰু কাৰ প্ৰাচিতৰ দোআৰাই নো পৰিত্ৰান পাবলৈ ভাৰসা কৰিচা? য়িচু খ্ৰিষ্টত বাহিৰে আৰু কোনে আপোনাৰ প্ৰানেৰে তোমোলাকৰ প্ৰাচিত কৰিলে? তেঁওত বাজে হে পাপি বন্ধু, তোমোলাকৰ প্ৰাচিত কৰা স্বৰ্গে মৰ্ত্যে আৰু কোনো নাই। তোমোলাকৰ গুৰু সকলে সোন ধনেৰে আৰু সংসাৰিক দ্ৰব্যেৰে তোমোলাকৰ জাতি কুলৰ প্ৰাচিত কৰি আপোন গিয়াতি বন্ধুৰ সঙ্গ দিএ হয়; কিন্তু খ্ৰিষ্টে তোমোলাকৰ জি অন্তৰৰ পাপ, তাৰ পৰা সুচি পবিত্ৰ কৰি পৰম সাধু সকলৰ আৰু ঈশ্বৰৰ অনন্ত সুখৰ ভাগি হবৰ নিমিত্তে আপোনাৰ তেজেৰে স্বৰূপ প্ৰাচিত কৰিলে। এই নিমিত্তে আহাঁ, তেঁওৰ প্ৰাচিতত বিশ্বাস কৰি অনন্ত সুখৰ ভাগি হোআহি। হে ভাই, এই সংসাৰত তোমাৰ অলপ কালৰ নিমিত্তে জাতি ৰৰ নে, অনন্ত পৰম আয়ুস ৰৰ? মানুহে গোটেই ধন জগত পায়ো জদি আপোনাৰ জিৱাত্মা হেৰুআই, তেন্তে তাৰ তাত কি লাভ? আৰু আপোনাৰ জিৱৰ সলনি নো কি দিব পাৰে? হে ভাই, জেতিয়া তুমি ঈশ্বৰৰ সোধ আসনৰ আগত থিয় হবা, তেতিয়া ঈশ্বৰে তোমাৰ জাতি কুলৰ সোধ কৰিব নে? ন হয়, কিন্তু তোমাৰ মনৰ, আৰু সকলো গুপুত কথাৰহে সোধ কৰিব। এই হেতুকে জি জনে তোমাৰ অন্তৰ পাপৰ প্ৰাচিত কৰিলে, তেঁওৰ দায়া বিচাৰ কৰা; তেঁৱে তোমাক বিনা মুল্যে পৰিত্ৰান দিবলৈ জুগুত হৈ আছে।

অন্ততে হে সকলো সুনা আৰু পৰ্হা লোক, ওপৰে লিখা জি ম্ৰিত্যু, মহা বিচাৰৰ দিন, আৰু অনন্ত কালৰ কথা সুনিলা, সেই কথা জদি তোমোলাকৰ মনে স্বৰূপ বুলি জানিচা, আৰু তাৰ দোআৰাই জদি তোমোলাকৰ মনত অতি ভই পাইচা, তেন্তে খ্ৰিষ্ট প্ৰভুৰ চৰনত প্ৰাৰ্থনা কৰি পাপৰ নিমিত্তে খেদ কৰা; তেঁৱে তোমোলাকৰ মনৰ সকলো ভই দুৰ কৰি অনন্ত সুখ দিব; কিয়নো তেঁৱেইহে স্বৰগৰ দুআৰ, আৰু তাৰ দুঅৰি, তেঁওত বাহিৰে মানুহক পৰিত্ৰান দিবলৈ কাৰো শক্তি নাই।

ন. স.

এজনি খ্রিষ্টিয়ান তিৰোতাৰ বিবৰন ।

Obituary Notice of Abby Thuku Farwell.

এপ্রিল মাহৰ ৎ তাৰিখে বুধ বাৰৰ গধুলি ৯ বজা মানত স্রীজুত কটৰ চাহাবৰ হাতাত থকা স্রীমতি থুকু নামে এজনি খ্রিষ্টিয়ান তিৰোতা মাকে কোআৰ দৰে ১৭ বচৰ বয়সিয়া হৈ ম্রিতু্য হল; তাইৰে কিচুমান বিবৰন তলত লিখা হৈচে ।

তাই জেতিয়া সৰু আচিল, তেতিয়া মাকে স্রীজুতা কটৰ মেম চাহাবৰ লগত লিখা পৰ্হা সিকিবৰ নিমিত্তে দিলে । তাতে মেম চাহাবে তাইক আপোন জিএকৰ নিচিনা বৰ মৰম কৰি লিখা পৰ্হা সিকালে; আৰু খ্রিষ্টিয়ান ধৰমৰ কথাও সদাই তাইৰ আগত কৈ কৈ থাকে, অৰ্থাত প্রভু য়িচু খ্রিষ্টে এই জগতলৈ আহি মানুহৰ পৰিত্রানৰ অৰ্থে জেনেকৈ আপোন মৰিলেৰে জগতৰ পাপৰ প্রাচিত কৰিলে, সেই কথাকে বিসেস ৰুপে সিকালে; আৰু ৰাতি পুৱা গধুলি ইস্বৰৰ আগত প্রাৰ্থনা কৰিবলৈকো সিকাই দিলে । এই ৰুপে প্রাই দুই বচৰতকৈ অধিক দিন মেম চাহাবৰ লগত থাকি খ্রিষ্টিয়ান ধৰমৰ কথা ভাল ৰুপে সিকিবলৈ পালে । পাচে ইস্বৰৰ অতি অনুগ্রহৰ দোআৰাই ১৮৪৬ সঁকৰ ২৯ নৱেম্বৰ তাৰিখে জিলা নগাঁৱত তাই প্রভু য়িচুত বিস্বাস কৰি বুৰ পাই মণ্ডলিত সোমাল । তাৰ পাচে ১৮৪৭ সঁকৰ ২২ ফেবৰুআৰিত এই দেসত প্রথমে হোআ খ্রিষ্টৰ সিস্য স্রীনিধি লিবাইৰ লগত খ্রিষ্টিয়ান বিধি মতে বিবাহ কৰোআ হল ।

তেতিয়াৰে পৰা তাই প্রভু য়িচু খ্রিষ্টত আস্রই লৈ পাঁচ বচৰ দুকুৰি দিন আপোন স্বামিৰ লগত কুসলে গ্রিহ বাস কৰিলে । বিয়া হোআৰ পাচ বচৰত তাইৰ এটি চোআলি উপজিল; সেই বচৰৰে পৰা গৰ্ভত কোনো ৰোগ হোআত ভাল মতে ঘৰৰ কাম কৰিব নোআৰিচিল । কিন্তু ৰোগ গুচিবৰ নিমিত্তে অনেক দিন দৰৱ খুউআ হল, তথাপি সৰিল ভাল ন হল ।

গত মাৰ্চ মাহত প্রথমে সৰিয়া পৰোঁতে তাইৰ মনৰ কথা সোধা হৈচিল, তেতিয়া তাই কলে, বোলে, মোৰ মনত বৰ এন্ধাৰ জেন পাইচোঁ । এই নিমিত্তে পাদুৰি মেম চাহাবক আৰু লগৰ কোনো খ্রিষ্টিয়ান বাই ভনিক মাতি আপোনাৰ মনৰ কথা কলে, আৰু সিবিলাকক প্রাৰ্থনা কৰিবলৈকো নিবেদন কৰিলে । পাচে সেই দিনৰে পৰা তাইৰ মন আগতকৈ আনন্দ হৈ গল; আৰু জেতিয়া মনৰ কথা সোধোঁ, তেতিয়া বোলে, মোলৈ একো ভই ন কৰিবা, মই ইস্বৰৰ হাততে মোৰ সৰিল আত্মা সমৰ্পন কৰি দিলোঁ, তেঁও মোক কেতিয়াও তিয়াগ ন কৰিব । আৰু এদিন সৰিলত দুখ পাঁওতে আপোনাৰ স্বামিত কলে, মই প্রভুৰ ঠাইলৈ জাবলৈ অতি ইচা আচে, কিয়নো ইয়াত মই বৰ দুখ পাইচোঁ; তথাপি জদি ইস্বৰে কিচু দিন সান্তি দিবলৈ ইচা আচে, তেন্তে তেঁওৰ ইচা পুৰ হওক; কিয়নো মোলৈ জি ভাল, তেঁও তাকে কৰিব । সেই ৰুপে দিনে দিনে ৰোগ টান হোআত মৰনৰ চাৰি পাঁচ দিনৰ আগেএ তাই আপোনাৰ স্বামিত এই কথা কলে, তুমি মোলৈ আৰু আসা ন কৰিবা, আৰু একো ভয়ো ন কৰিবা, মই আপোনাকে প্রভু য়িচুত সোধাই দিলোঁ, তেঁৱে মোক সুখি থানলৈ নিব । কিন্তু অচম দেসৰ মাজত জিমান খ্রিষ্টিয়ান বাই ভনি আচে, সকলোতে মোৰ প্রেমৰ নমস্কাৰ জনাই কবা, হেনে মই সিবিলাকৰ কাকো পাহৰা নাই, সকলোকে মৰম ৰুপে সুঁৱৰি আচোঁ । পাচে ওচৰতে মাকক দেখি, মাকতো এই কথা কলে, তুমি প্রভু য়িচু খ্রিষ্টৰ সিস্য হোআ বুলি মই দেখিবলৈ বৰ ইচা আচিল; তথাপি এতিয়া আৰু তুমি দেও পুজক হৈ নে থাকিবা । তাৰ পাচৰ দিনা কিচু সৰিলত স্বস্ত পাই আনন্দ মনেৰে আপোনাৰ স্বামিক মাতি এই কথা কলে, হে মোৰ প্রিয়, তোমাৰ লগত ইস্বৰে জিমান দিন থাকিবলৈ দিলে, সিমান দিন থাকিলোঁ, কিন্তু এতিয়া মই জা-

নিচোঁ, প্ৰভুএ মোক মাতিচে; এই হেতুক তুমি মোৰ কাৰনে একো ক্ৰন্দন আৰু অসন্তোস ন কৰিবা, কিয়নো ইমানতে প্ৰভুএ মোক নিবলৈ আপোন পবিত্ৰ ইচাতে উচিত দেখিচে, সেই কাৰন হে মোৰ প্ৰিয়, তুমিও প্ৰভুৰ ইচাতে আপোনাক বস কৰি ৰাখা। কিন্তু জিমান দিন মই তোমাৰ লগত থাকিলোঁ, তাৰ মাজত মই তোমাৰ আগত বহু দোস কৰিলোঁ, তথাপি সেই সকল মোৰ অহিতে মনত নে ৰাখি খেমা কৰা।

এই ৰুপে মৰিবলৈ এদিন থকালৈকে তাই আপোনাৰ মনৰ কথা কি কি আচিল; আৰু সময়ে সময়ে তাইৰ আগত প্ৰাৰ্থনা কৰিবলৈ আৰু তাইৰ জিহুত প্ৰিতি, এনে এটি গিত গান কৰিবলৈকো জাকে আগত পাই, তাকে মিনতি কৰে। সেই গিত তলত লিখা আচে। কিন্তু মৰনৰ দিনত হলে অতি দুখ পোআত আপোনাৰ মনৰ একো কথা কৰ নোআৰিলে, তথাপি জেতিয়া মৰনৰ নিচেই ওচৰ হল, তেতিয়া জিমান দুখ তাইৰ সৰিলত আচিল কব নোআৰোঁ, তেও হাত বা ভৰি একেৰিও ন ৰলোআকৈ আচিল; আৰু মৰোঁতে কেবল দুই তিনি বাৰ দিঘল নিস্বাস লৈ, জি জনক নে দেখাকৈএ বিস্বাস কৰিলে, সেই প্ৰভুৰ চৰনত সৰিলেৰে মহা নিদ্ৰা গল। কিন্তু আত্মা হলে আপোনাৰ প্ৰভুৰ সুখৰ থানত অনন্ত বিস্ৰাম পালে; তাতে আৰু দুখ, কেলেস, ৰোগ বিয়াধি কোনোএ চুব নোআৰে। এই দুখময় জগতত থাকোঁতে মৰ্ত্য সৰিলত নানা দুখ পালে; কিন্তু এতিয়া আৰু সকলো দুখৰ পৰিখাৰ হাত সাৰি, অজৰ অমৰ হৈ ইস্বৰৰ গুন কিৰ্ত্তন কৰিচে।

প্ৰিথিৱিত জিয়াই থাকোঁতে জেতিয়া ৰাতি সন্ধ্যাত পৰি সুবলৈ জাই, তেতিয়া প্ৰাই সদাই মনৰ কথা আপোনাৰ স্বামিৰ আগত কই। আৰু দিনৰ ভিতৰত দুয়োৰো মাজত জদি কোনো অমিল থাকে, তেও টোপনিএ নৌ ধৰোঁতে আপোন অপৰাধৰ খেমা খোজে। পাচে ৰাতিএই স্বামিৰ লগত ইস্বৰলৈ গান কৰে, আৰু কেতিয়াবা প্ৰাৰ্থনাও কৰে। জেতিয়া এন্ধাৰ নিসা বৰ ধুমুহা বতাহ বৰষুন আৰু মেঘৰ গৰ্জন হই, তেতিয়া মনত বৰকৈ আনন্দ কৰি স্বামিৰ আগত কই, দেখা প্ৰিয়, আমি জি জনত আস্ৰই লৈচোঁ, সেই প্ৰভুৰ মহিমা আৰু সক্তি কেনে! তেঁওৰ ইচাতে আকাস মণ্ডল ঘন সুন্যতে গৰ্জন কৰি আচে; প্ৰভু নিৰাকাৰ হোআতো বাঝু ব্ৰিষ্টিৰ দোআৰাই আপোনাৰ ভয়ানক সবদ প্ৰকাস কৰিচে। জদি এতিয়া তেঁও এনে সক্তিৰে আপোনাৰ মহিমা প্ৰকাস কৰিচে, তেন্তে জেতিয়া সেসৰ কালত আপোনাৰ সত্ৰুবোৰক প্ৰতিফল দিবৰ নিমিত্তে মেঘৰ ওপৰত দুতবিলাকৰ লগত লৈ আহিব, তেতিয়া ইয়াতকৈও কেনে গৰ্জন হব, ন হই নে?

মৰনৰ এবচৰৰ আগৰে পৰা তাই স্বামিএকৰ আগত এই কথা কলে; হে প্ৰিয়, আমাৰ মণ্ডলিৰ ৰখ্যকে কোআৰ দৰে মণ্ডলিৰ দুখিয়া লোকক উপকাৰ কৰিবলৈ আমি কি কৰিম? তুমি হলে চাকৰি কৰা ধনেৰে কিচু দিব পাৰিবা, কিন্তু মই কি দিম? জদি তোমাৰ ধনকে দিঁও, তেও তাতে মই একো উপকাৰ কৰা ন হল; এই নিমিত্তে মই ইয়াকে কৰোঁ, কিচুমান এৰি পলু, আৰু হাঁহ কুকুৰা পুহি, তাকে বেচি জি পাঁও তাকে দিম। এই বুলি কিচু দিন সেই ৰুপে কৰিলে। কিন্তু ইস্বৰে তাইৰ বিবেচনাতকৈ আপোনাৰ পবিত্ৰ ইচাৰে জিহুক ভাল দেখিলে, তাকে পুৰ কৰিলে।

তাইৰ সৰিয়াত অনেক খ্ৰিষ্টিয়ান ভাই ভনিবিলাকে কিবা উপকাৰ কৰিবৰ নিমিত্তে দিনে ৰাতি তাইৰ লগত থাকেহি; আৰু মণ্ডলিৰ ৰখ্যক শ্ৰীজুত ব্ৰাওন চাহাৰ মেম চাহাবেও তাইৰ উপকাৰৰ নিমিত্তে স্ৰম কৰে; কিন্তু ইস্বৰে তাতকৈও মহা উপকাৰি হৈ এই দুস্ট সংসাৰৰ পৰা তাইক আপোনাৰ পবিত্ৰ থানলৈ নি অনন্ত জিৱনি দিলে; এই নিমিত্তে সেই ইস্বৰৰ নামত ধন্যবাদ আৰু গুন কিৰ্ত্তন হওক।

ওপৰে লিখা থূকুৰ মৰনৰ বিবৰনত আমি দেখিচোঁ, জিবিলাক মানুহে পৰিত্রান পাবৰ নিমিত্তে প্রভু য়িচুত ভাৰসা ৰাখে, এনে মানুহক প্রভুএ কোনো মতেও বাজ ন কৰোঁ বুলি প্রতিগ্যা কৰিচে। এই হেতুকে হে প্রিয় লোক, আঁহা, মৰনৰ নিমিত্তে জদি ভই কৰা, তেন্তে প্রভু য়িচুত জিয়াই থাকোঁতেই ভাৰসা লোআ, তেহে তোমোলাকৰ মৰনলৈ আৰু ভই ন হব, কিয়নো পিত্রিএ পুত্রক জে নেকৈ মৰম কৰে, তাতকৈও জিবিলাকে খ্রিষ্টৰ চৰনত ভাৰসা কৰে, সেইবিলাকক প্রভুএ অতি মৰম কৰে, আৰু মৰনৰ সমইতো আপোনাৰ কোলাত তুলি অনন্ত বিস্রাম দিএ।

জিয়াই থাকোঁতে থূকুৰ জি গিতত অতি প্রিতি আচিল, তাকে তলত দিয়া হৈচে।

আকাসৰ ওপৰত আচে
এক মহা দিপ্তিৰ থান,
সুকুলা বস্ত্র পিন্ধা লোক
জত গাই সুললিত গান।

সেই ঠাইত নাই একো দুখৰ লেস,
নাই অসন্তোস মৰন;
নাই সুর্জ চন্দ্রৰ কোনো তাপ,
নাই প্রিতিৰো হৰন।

অনাদি কালৰ সুধ সোনাৰ
এক জোতির্মই নগৰ,
তাত নির্মান কৰা সিংহাসন,
দেখোঁতে মনোহৰ।

স্ফটিক ৰূপ নির্ম্মল অম্রিত নৈ
ওলাই সিংহাসনৰ,
তাৰ মাজত যাৰে বিধ গুটি
লাগে গচ জিৱনৰ।

তাত দর্সন পাই পোআলি মেৰ,
পিত্রিৰো প্রফুল্ল মুখ;
অনন্ত কালৰ বিস্রাম পাই,
সু গুচে মনৰ সুখ।

অহ, কেনে ৰহস্য সুখৰ থান,
স্বৰূপেই প্রেমৰ সাৰ;
অদ্ভুত গুন অদ্ভুত কাল চুকাই,
তেও আগ নে পাব তাৰ। ন. ল.

পুৰনি অসম বুৰঞ্জি, নং ৯।

Dihingia Roja—War with the Kacharis.

লাকনি ডাপৰাও সঁকত ৰজা দেৱে চুক্লংফা তিপাম ৰজাক, চুলেং চাৰিঙ্গ ৰজাক, চুতেং নামৰুকিয়া ৰজাক, চুখ্রেং সৰু জনা গোহাঁইক, ফাচেংমুন বৰ গোহাঁইক, এই পাঁচক মুখ্য কৰি, অনেক লোক জন দি সৰঙ্গিত গৰ বান্ধিব দিলেগৈ; পাচে সকলেও গৈ গৰ বান্ধি বলগৈ। আহাৰৰ দিনত কচাৰি ৰজা ডায়েক লোআচকক পঠাই সৰঙ্গিৰ কোঁঠত ধৰিব দিলেহি; পাচে লোআচকে আহি গৰত জুধ ধৰিলেহি। চুক্লংফা তিপাম ৰজা, চুলেং চাৰিঙ্গ ৰজা, এই দুইক মুখ্য কৰি ডাঙ্গৰিয়া সকলে কোঁঠৰ পৰা ওলাই জুধ ধৰি কচাৰি ৰজাৰ ডায়েকক ভঙ্গালে। চুলেং চাৰিঙ্গ ৰজায়ে কচাৰি ৰজাৰ ভায়েক লোআচক কাটি, তাতে আঠ খান হেঙ্গডান পাই আনি, পাচে ৰজা দেৱে জুধ লাগিবৰ সুনি খেদি ভটিয়াই গৈ, থাওমুঙ্গ কতকক সৰঙ্গিৰ কোঁঠলৈ পাঁচিলে; ৰজা দেৱৰ দুই বাপেক পুতেক ধন সিৰিএ উজাই গৈ, দৈয়াঙ্গৰ মুখত সকলো এঠাই হল। পাচে ৰাজ্যে বোলে, আমি নাংজাপত কোঁঠ দিঁওগৈ; এই বুলি পানিএ উজাই গৈ বালিত বলগৈ। বালি কোঁঠো এৰি ৰাতি দুপৰত কচাৰি গৰ বেৰি ঘৰত জুই দিলেগৈ, কচাৰি ভই খাই ভাগি পলাল। ৰাতি পুৱা ৰজা দেৱে পাচত থাকি চুক্লংফা তিপাম ৰজা, চুলেং চাৰিং ৰজা, চুতেং নামৰুকিয়া ৰজা, চুখ্রেং সৰু জনা গোহাঁই, এই চাৰিক মুখ্য কৰি অন্যো ডাঙ্গৰিয়া সকলকো জুধ কৰিবলৈ পঠালে। থাওমুং ক্লিংথাম, চুহন, নৰং, কুংবিন, এই সকলক সোঁহাতে ধনসিৰিৰ কাখৰে ধৰিব দিলেগৈ। পাচে লোক গৈ খেদি কচাৰিৰ বৰ মজিন্দাৰক পালেগৈ। ডেকা ৰজাটো ঘোঁৰাত উঠি পলাল; আমাৰ লোকে খেদি গৈ ইটাৰ গৰ পালেগৈ। পাচে কচাৰিৰ থুনথাৰা ৰজায়ে ডায়েক ডেকা ৰজা পলাই মানতকা

সোমালগৈ। পাচে ৰজা দেৱে ইটাৰ গৰ এৰি আহিল, বালিত জি আচিলে সিওৰোৰ আহিল। সকলো আহি চক্ৰাগুৰিত ৰলহি; তাৰ পৰা ৰজা দেৱে লেঙ্গুৰিয়া কোঁঠত ৰলহি।

পাচে সেই ঠাইতে কচাৰিৰ নেওচুং ৰজাই ভায়েকক পঠাই কোআলে, বোলে, মোৰ বুপা ককাৰ ৰাজ্জ খুনথাবায়ে বল কৰিহে খাইচিলে। ৰজা দেৱলৈ ৰুপ দু স দি ৰাজ্য মাগি আহিল, বোলে, মেয়ো সৰ্গ দেৱক সেৱা কৰিমগৈ, ভায়েকে আহি এই ৰুপে কলেহি। পাচে ৰজা দেৱে এই কথা সুনি ভায়েকৰ লগত আমাৰ কটকি পঠালে, বোলে, ভাল, তাৰ ভনিএককো, হাতি দুটা, ৰুপ তিনি সেৰ দি পঠাব। পাচে ভায়েকে আমাৰ কটকিএ কলেগৈ, ভনিএককো, হাতিকো, ৰুপকো, নাকৈ দা এস, তাও কাপোৰ এস, পানি কামলি এখন, এই দ্ৰুব্য আনি কচাৰিৰ নেউচুং ৰজায়ে ভায়েকে আহি, সৰ্গ দেৱৰ চৰনত সেৱা কৰিচোঁ মই বন্দিএ, এই বুলি, উঠি উঠি সাত সেৱা কৰিলেহি; পাচে চাপি আহি পাও চুই সেৱা কৰিলেহি। ৰজা দেৱেও দুই চৰন দাঙ্গি দিলে, সিও তাৰ মাথাত তুলি ললে। ৰজা দেৱে সোনৰ আঙ্গঠিটো সোলোকাই তাক দিলে, আৰু ৰজা দেও উঠা প্লাইকন হাতিটো দিলে, সুনিয়া হেঙ্গদান এখন দিলে, জিম বন্ধা ঘোঁৰা এটা দিলে। পাচে ৰজা দেৱে এই বস্তু দি কচাৰিৰ নেউচুং ৰজাকে ভায়েককে সিকালে, বোলে, তইঁত ডাঙ্গৰ ৰজাৰ সন্তান, অলপতে পানি জেনে ৰুপে তপত হই, সেই ৰুপে ন হবি; চিতত্তো ক্ৰুৰ ন হবি; আৰু কচাৰি ৰজা খুনখোৰাৰ সোনৰ দণ্ড, সোনৰ খাট, সোনৰ বেলা, সোনৰ কাঁহি, সোনৰ কলহ, এই দ্ৰুব্য দি আহিবি; আৰু নাংকোচ কুঁঅৰি তিন জনি দি আহিবি, তাৰ বৰ কুঁঅৰি জনি তোলৈ ৰাখিবি; এই বুলি ৰজা দেৱে কচাৰিৰ নেওচুং ৰজাকে ভায়েককে বিদাই দিলে; আমাৰ মানুহ দু কুৰি তাৰ লগত থাকিব দিলে। সি জাঁওতে এই খনি বুলি গল, খুনখোৰাও হনু বঙ্গালত সোমাইচেগৈ, জদি মই তাক পাঁও, ৰজা দেৱৰ ঠাইলৈ দি আহিম। পাচে ৰজা দেৱে ইটাৰ গৰত নেওচুঙ্গক থৈ ৰজা দেৱে ফাইখন সুংখনু কৰি আহিল।

পাচে সেই সময়তে লুপুত নামে বঙ্গাল এটা আঠ কুৰি নাৱেৰে মাঘত তেঁওৰে লুইত ওলালহি। ৰজা দেৱে এই কথা সুনি ত্যাওচুংলুং কংচেং, থাওমুংচেনক, এই দুইক খুনখোৰাওক বেৰিব দিলেগৈ। ইৰোলাক দুয়ে চুহনক পঠাই দিলে, চুহনেও গৈ লাহৰৰ বস্তু জাত পালে, আৰু থাওমুং কতকক বুৰৈলৈ পঠালে; সিবোৰ চাৰিও ভটিয়াই গল। পাচে ৰজা দেৱে সৈন্যে সহিতে নগৰলৈ উজাই আহিল। ত্যাওচুংলুংকংচেঙ্গে, থাওমুংচেন, এই দুয়ে উজিৰক টেমনিত লগ পালেগৈ, তাতে বৰ জুধ লাগিল, উজিৰে জুধে নোআৰি নাও এৰি ঘোঁৰাত উঠি তৰে পলাল। বৰ পাত্ৰ উলটি আহি কুঁঅৰি পোতাত গৰ দি ৰলহি। থাওমুংচেনৰ উলটি ৰাজ্যলৈ আহিল, চুহনে দেওঘৰৰ সোনৰ দণ্ড, ৰুপৰ কলপ, দেৱৰ সোন ৰুপৰ অলঙ্কাৰ, চাৰি স মান টকাৰ কোচ ৰজা দিয়া মাথুন্দি হাতি এজনি, এই বস্তু আনি দিহিঙ্গত ৰজা দেৱক দিলেহি। পাচে ৰজা দেৱে থাওমুং ক্লিংথামক সলাত থাকিব দিলে, থাওমুং কতকক বৰ পাত্ৰৰ লগত সিঙ্গৰিত থাকিব দিলে, চুহনক ভৰলিত থাকিব দিলে; বোলে, ত্যাওচুংলুং কংচেঙ্গৰ পোনে বন আহিলে হননে, ক্লিঙ্গথামে খেম কৰিবি, থাওমুংকতকৰ পোনে বন হলেও খেম কৰিবি। পাচে বঙ্গাল আহিলত দুয়ো খেম কৰিলেগৈ, বঙ্গালৰ নেবাব বিৰমানিএ বৰ উজিৰে সৈন্যে সহিতে ধৰিলেহি। ঘোঁৰা আহিচিলে ১০০০, মানুহ আহিচিলে ১,৫০,০০০; পাচে আমাৰ লোকেও জুধ ধৰিলে। বিৰমানিএ, উজিৰে ঘোঁৰাৰে আহিচিলে। বৰ পাত্ৰ গোহাঁই